रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 6] NEW DELHI, THURSDAY, JUNE 14, 2018 / 24 JAISTHA, 1940 (Saka) [VOL: 5**

নং ৬] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৪, ২০১৮ / ২৪ জেঠ, ১৯৪০ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়
## (বিধান বিভাগ)

তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ (২০০০ ৰ ২১)

৫ ফেব্ৰুৱাৰী, ২০০৯ তাৰিখে যথাবিদ্যমান

# তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০
## (২০০০ৰ সংখ্যা ২১)

### ধাৰাসমূহৰ ক্ৰম

#### অধ্যায়-১
#### প্ৰাৰম্ভিক

ধাৰাসমূহ — পৃষ্ঠা


১। সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰাৰম্ভণ আৰু প্ৰয়োগ — ১

২। পৰিভাষা — ১


#### অধ্যায়-২
#### ডিজিটেল চিগনেছাৰ আৰু ইলেকট্ৰ'নিক চিগনেছাৰ


৩। ইলেকট্ৰ'নিক অভিলেখৰ অধিপ্ৰমাণ — ৪

৩ ক। ইলেকট্ৰ'নিক চিগনেছাৰ — ৪


#### অধ্যায়-৩
#### ইলেকট্ৰ'নিক নিয়ন্ত্ৰণ


৪। ইলেকট্ৰ'নিক অভিলেখৰ বিধিক স্বীকৃতি — ৫

৫। ইলেকট্ৰ'নিক চিগনেছাৰৰ বিধিক স্বীকৃতি — ৫

৬। চৰকাৰ আৰু ইয়াৰ এজেন্সীসমূহত ইলেকট্ৰ'নিক অভিলেখ আৰু ইলেকট্ৰ'নিক চিগনেছাৰৰ ব্যৱহাৰ — ৫

৬ ক। সেৱা উপৱন্ধকৰ দ্বাৰা সেৱাৰ পৰিদান — ৬

৭। ইলেকট্ৰ'নিক অভিলেখৰ প্ৰতিধাৰণ — ৬

৭ ক। ইলেকট্ৰ'নিক প্ৰপত্ৰত পৰিচালিত দস্তাৱেজ, ইত্যাদিৰ হিচাপ পৰীক্ষা — ৬

৮। ইলেকট্ৰ'নিক ৰাজপত্ৰত নিয়ম, বিনিয়ম, ইত্যাদিৰ প্ৰকাশন — ৭

৯। ধাৰা ৬, ৭ আৰু ৮ ক দস্তাৱেজক জোৰ কৰি ইলেকট্ৰ'নিক ৰূপত গ্ৰহণ কৰা উচিত নহয় বুলি নিৰ্ণয় কৰিবলৈ অধিকাৰ প্ৰদান নকৰিব — ৭

১০। ইলেকট্ৰ'নিক চিগনেছাৰৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়ম প্ৰণয়নৰ ক্ষমতা — ৭

১০ ক। ইলেকট্ৰ'নিক ব্যৱস্থাৰ জৰিয়তে গঠিত সংবিদাৰ বৈধতা — ৭


#### অধ্যায়-৪
#### ইলেকট্ৰ'নিক অভিলেখৰ আৰোপ, অভিস্বীকাৰ আৰু প্ৰেৰণ


১১। ইলেকট্ৰ'নিক অভিলেখৰ আৰোপ — ৭

১২। ৰচিদৰ অভিস্বীকাৰ — ৭

১৩। ইলেকট্ৰ'নিক অভিলেখৰ প্ৰেৰণ আৰু প্ৰাপ্তিৰ সময় আৰু স্থান — ৮

## অধ্যায়-৫

## সুনিশ্চিত ইলেকট্ৰ'নিক অভিলেখ আৰু সুনিশ্চিত ইলেকট্ৰ'নিক চিগনেছাৰ


| ধাৰাসমূহ | পৃষ্ঠা |
| --- | --- |
| ১৪। ইলেকট্ৰ'নিক অভিলেখ ৰক্ষা কৰা | ৮ |
| ১৫। সুনিশ্চিত ইলেকট্ৰ'নিক চিগনেছাৰ | ৯ |
| ১৬। সুৰক্ষা প্ৰক্ৰিয়া আৰু প্ৰয়োগ | ৯ |


## অধ্যায়-৬

## প্ৰমাণ কৰা প্ৰাধিকাৰীৰ বিনিয়ম


| | |
| --- | --- |
| ১৭। নিয়ন্ত্ৰক আৰু আন পদাধিকাৰীৰ নিযুক্তি | ৯ |
| ১৮। নিয়ন্ত্ৰকৰ কৃত্যসমূহ | ৯ |
| ১৯। বিদেশী প্ৰমাণ কৰা প্ৰাধিকাৰীৰ স্বীকৃতি | ১০ |
| ২০। X X | ১০ |
| ২১। ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ জাৰি কৰিবলৈ অনুজ্ঞাপত্ৰ | ১০ |
| ২২। অনুজ্ঞাপত্ৰৰ বাবে আবেদন | ১০ |
| ২৩। অনুজ্ঞাপত্ৰৰ নবীকৰণ | ১১ |
| ২৪। অনুজ্ঞাপত্ৰৰ মঞ্জুৰ বা অগ্ৰাহ্যৰ প্ৰক্ৰিয়া | ১১ |
| ২৫। অনুজ্ঞাপত্ৰৰ স্থগন | ১১ |
| ২৬। অনুজ্ঞাপত্ৰৰ স্থগন বা প্ৰত্যাহাৰকৰণৰ জাননী | ১১ |
| ২৭। প্ৰত্যাযোজন কৰিবলৈ ক্ষমতা | ১১ |
| ২৮। উলঙ্ঘনসমূহ অনুসন্ধান কৰিবলৈ ক্ষমতা | ১১ |
| ২৯। কম্পিউটাৰ আৰু ডাটাবোৰলৈ প্ৰৱেশাধিকাৰ | ১২ |
| ৩০। প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে কেতবোৰ পদ্ধতি অনুসৰণ কৰিব | ১২ |
| ৩১। প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে এই অধিনিয়ম, ইত্যাদিৰ অনুপালন সুনিশ্চিত কৰিব | ১২ |
| ৩২। অনুজ্ঞাপত্ৰৰ প্ৰদৰ্শন | ১২ |
| ৩৩। অনুজ্ঞাপত্ৰৰ সমৰ্পণ | ১২ |
| ৩৪। প্ৰকটন | ১২ |


## অধ্যায়-৭

## ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ


| | |
| --- | --- |
| ৩৫। প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ জাৰি কৰিব | ১৩ |
| ৩৬। ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ জাৰিকৰণৰ ওপৰত প্ৰতিবেদন | ১৩ |
| ৩৭। ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ স্থগন | ১৪ |
| ৩৮। ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ প্ৰত্যাহাৰ | ১৪ |
| ৩৯। স্থগন বা প্ৰত্যাহাৰৰ জাননী | ১৪ |

## অধ্যায়-৮

## গ্ৰাহকৰ কৰ্ত্তব্যসমূহ


ধাৰাসমূহ — পৃষ্ঠা

৪০। ব্যৱস্থাযুগলৰ সৃষ্টি কৰা — ১৫

৪০ ক। ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰৰ গ্ৰাহকৰ কৰ্ত্তব্য — ১৫

৪১। ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ গ্ৰহণ — ১৫

৪২। ব্যক্তিগত ব্যৱস্থাৰ নিয়ন্ত্ৰন — ১৫


## অধ্যায়-৯

## অৰ্থদণ্ড, ক্ষতিপূৰণ আৰু ন্যায়নিৰ্ণয়


৪৩। কম্পিউটাৰ পদ্ধতি, ইত্যাদিৰ ক্ষতিৰ বাবে অৰ্থদণ্ড আৰু ক্ষতিপূৰণ — ১৫

৪৩ ক। ডাটা সংৰক্ষণ কৰাত অসফলতাৰ বাবে ক্ষতিপূৰণ — ১৬

৪৪। তথ্য, বিৱৰণী, ইত্যাদি দিবলৈ অসফল হোৱাৰ বাবে দণ্ড — ১৭

৪৫। অৱশিষ্ট দণ্ড — ১৭

৪৬। ন্যায়নিৰ্ণয় কৰাৰ ক্ষমতা — ১৭

৪৭। ন্যায়নিৰ্ণয় পদাধিকাৰীৰ দ্বাৰা হিচাবত ধৰিবলগীয়া উৎপাদনসমূহ — ১৭


## অধ্যায়-১০

## চাইবাৰ [x x x] আপীল ন্যায়াধিকৰণ


৪৮। চাইবাৰ আপীল ন্যায়াধিকৰণৰ স্থাপন — ১৮

৪৯। চাইবাৰ আপীল ন্যায়াধিকৰণৰ গঠন — ১৮

৫০। চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যাৰ নিযুক্তিৰ বাবে অৰ্হতা — ১৮

৫১। পদাৱধি — ১৯

৫২। অধ্যক্ষ আৰু সদস্যাৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিৱন্ধন আৰু চৰ্ত্তাৱলী — ১৯

৫২ক। অধীক্ষন, নিৰ্দ্দেশনা ইত্যাদিৰ ক্ষমতা — ১৯

৫২খ। ন্যায়পীঠসমূহৰ মাজত ব্যৱসায়ৰ বিতৰণ — ১৯

৫২গ। অধ্যক্ষৰ গোচৰ অন্তৰণৰ ক্ষমতা — ১৯

৫২ঘ। সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা লোৱা বিনিশ্চয় — ১৯

৫৩। পদৰিক্তি পূৰণ কৰা — ১৯

৫৪। ইস্তফা আৰু অপসাৰণ — ১৯

৫৫। আপীল ন্যায়াধিকৰণে সংগঠিত কৰা আদেশ চূড়ান্ত হব আৰু ইয়াৰ কাৰ্য্যবাহী অবিধিসন্মত নকৰিব — ২০

৫৬। চাইবাৰ আপীল ন্যায়াধিকৰণৰ কৰ্ম্মচাৰীবৃন্দ — ২০

৫৭। চাইবাৰ আপীল ন্যায়াধিকৰণলৈ আপীল — ২০

৫৮। চাইবাৰ আপীল ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা — ২০

৫৯। বিধিক প্ৰতিনিধিত্বৰ অধিকাৰ — ২১

৬০। পৰিসীমা — ২১

ধাৰাসমূহ পৃষ্ঠা
৬১ । চিভিল ন্যায়ালয়ৰ অধিকাৰিতা নাথাকিব ২১
৬২ । উচ্চ ন্যায়ালয়লৈ কৰা আপীল ২১
৬৩ । উলংঘনৰ আপোচ ২১
৬৪ । অৰ্থদণ্ড বা ক্ষতিপূৰণ ২১

## অধ্যায়-১১

## অপৰাধসমূহ

৬৫ । কম্পিউটাৰ সম্পদা দস্তাবেজৰ অনুকূলকৰণ ২১
৬৬ । কম্পিউটাৰ সম্পৰ্কীয় অপৰাধ ২২
৬৬ক। সংযোগ সেৱা, ইত্যাদিৰ মাধ্যমেৰে অপৰাধমূলক সংবাদ প্ৰেৰণ কৰাৰ বাবে দণ্ড ২২
৬৬খ । চুৰি কৰা কম্পিউটাৰ সম্পদা বা সংযোগ কৌশল অসাধুভাৱে গ্ৰহণ কৰাৰ বাবে দণ্ড ২২
৬৬গ। পৰিচিত চৌৰ্য্যাপৰাধৰ বাবে দণ্ড ২২
৬৬ঘ । কম্পিউটাৰ সম্পদা ব্যৱহাৰ কৰি প্ৰতিৰূপনৰ দ্বাৰা চুৰি কৰাৰ বাবে দণ্ড ২২
৬৬ঙ । গোপনীয়তা ভঙ্গকৰণৰ বাবে দণ্ড ২২
৬৬চ । চাইবাৰ সন্ত্ৰাসবাদৰ বাবে দণ্ড ২৩
৬৭ । ইলেকট্ৰ'নিক ৰূপত অশ্লীল তথ্য প্ৰকাশ বা সম্প্ৰচাৰ কৰাৰ বাবে দণ্ড ২৩
৬৭ক । ইলেকট্ৰ'নিক ৰূপত যৌন প্ৰদৰ্শন কাৰ্য্য, ইত্যাদি থকা তথ্য প্ৰকাশ বা সম্প্ৰচাৰ কৰাৰ বাবে দণ্ড ২৩
৬৭খ । ইলেকট্ৰ'নিক ৰূপত যৌন প্ৰদৰ্শন কাৰ্য্য ইত্যাদিত জড়িত শিশুক কোনো তথ্য প্ৰদৰ্শন কৰি প্ৰকাশ বা সম্প্ৰচাৰ কৰাৰ বাবে দণ্ড ২৪
৬৭গ । মধ্যস্থৰ দ্বাৰা তথ্যৰ সংৰক্ষণ আৰু প্ৰতিধাৰণ
৬৮ । নিয়ন্ত্ৰকৰ নিৰ্দ্দেশ দিবলৈ ক্ষমতা ২৪
৬৯ । কোনো কম্পিউটাৰ সম্পদাৰ মাধ্যমেৰে কোনো তথ্যক ৰোধ কৰা বা নিৰীক্ষণ কৰা বা অৱমূল্যান কৰাৰ বাবে নিৰ্দ্দেশ জাৰি কৰিবলৈ ক্ষমতা ২৪
৬৯ক । কোনো কম্পিউটাৰ সম্পদাৰ মাধ্যমেৰে কোনো তথ্যত জনতাৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে নিৰ্দ্দেশ জাৰি কৰাৰ ক্ষমতা ২৫
৬৯খ । চাইবাৰ সুৰক্ষাৰ বাবে কোনো কম্পিউটাৰ সম্পদাৰ মাধ্যমেৰে ট্ৰেফিক ডাটা বা তথ্য নিৰীক্ষণ আৰু সংগ্ৰহ কৰিবলৈ প্ৰাধিকৃত কৰাৰ ক্ষমতা ২৪
৭০ । সুৰক্ষিত পদ্ধতি ২৫
৭০ক । জাতীয় কেন্দ্ৰস্থ এজেন্সী ২৫
৭০খ । ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন প্ৰতিক্ৰিয়াৰ দলটোৱে ঘটনাৰ প্ৰতিক্ৰিয়াৰ.বাবে ৰাষ্ট্ৰীয় এজেন্সীৰূপে সেৱা কৰিব ২৬
৭১ । মিথ্যা বৰ্ণনাৰ বাবে অৰ্থদণ্ড ২৬
৭২ । গোপনীয়তা আৰু একান্ততা ভঙ্গকৰণৰ বাবে দণ্ড ২৬
৭২ ক । বিধিপূৰ্ণ সংবিদাৰ ভঙ্গকৰণত তথ্যৰ প্ৰকটকৰণৰ বাবে দণ্ড ২৬
৭৩ । কেতবোৰ সবিশেষত মিথ্যা ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ প্ৰকাশৰ বাবে দণ্ড ২৭
৭৪ । প্ৰৱঞ্চনা কৰাৰ প্ৰয়োজনাৰ্থে প্ৰকাশন ২৭

| ধাৰাসমূহ | পৃষ্ঠা |
|---|---|
| ৭৫। ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত অপৰাধ বা উলংঘনৰ বাবে প্ৰযোজ্য হোৱা অধিনিয়ম | ২৭ |
| ৭৬। জব্দকৰণ | ২৭ |
| ৭৭। ক্ষতিপূৰণ, শাস্তি বা জব্দকৰণে আন দণ্ডক হস্তক্ষেপ নকৰে | ২৭ |
| ৭৭ ক। অপৰাধৰ আপোচ | ২৭ |
| ৭৭ খ। তিনিবছৰৰ কাৰাবাসৰ অপৰাধবোৰ জামিনযোগ্য হব | ২৭ |
| ৭৮। অপৰাধ অনুসন্ধান কৰিবলৈ ক্ষমতা | ২৮ |


**অধ্যায়-১২**

**কেতবোৰ গোচৰৰ মধ্যস্থ দায়ী নহব**


| | |
|---|---|
| ৭৯। কেতবোৰ গোচৰত মধ্যস্থৰ দায়িত্বৰ পৰা ৰেহাই | ২৮ |


**অধ্যায়-১২ক**

**ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষক**


| | |
|---|---|
| ৭৯ক। কেন্দ্ৰীয় চৰকাৰে ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষকক অধিসূচিত কৰিব | ২৮ |


**অধ্যায়-১৩**

**বিবিধ**


| | |
|---|---|
| ৮০। আৰক্ষী পদাধিকাৰী আৰু আন পদাধিকাৰীৰ প্ৰৱেশ, তালাচী, ইত্যাদি কৰিবলৈ ক্ষমতা | ২৯ |
| ৮১। অধিনিয়মৰ অধ্যাৰোহনৰ প্ৰভাৱ থাকিব | ২৯ |
| ৮২। অধ্যক্ষ, সদস্য, পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ লোকসেৱক হব | ২৯ |
| ৮৩। নিৰ্দ্দেশ দিবলৈ ক্ষমতা | ২৯ |
| ৮৪। সদ্‌বিশ্বাসত লোৱা কাৰ্য্যৰ সুৰক্ষা | ২৯ |
| ৮৪ক। সাংকেতিক চিহ্নৰ বাবে প্ৰক্ৰম বা প্ৰণালী | ২৯ |
| ৮৪খ। অপৰাধৰ অপপ্ৰেৰণাৰ বাবে দণ্ড | ২৯ |
| ৮৪গ। অপৰাধ সংঘটনৰ চেষ্টা কৰাৰ বাবে দণ্ড | ৩০ |
| ৮৫। কোম্পানীসমূহৰ দ্বাৰা কৰা অপৰাধসমূহ | ৩০ |
| ৮৬। জটিলতাসমূহৰ দূৰীকৰণ | ৩০ |
| ৮৭। কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতা | ৩০ |
| ৮৮। উপদেষ্টা সমিতিৰ গঠন | ৩২ |
| ৮৯। নিয়ন্ত্ৰকৰ বিনিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতা | ৩২ |
| ৯০। ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতা | ৩৩ |
| **প্ৰথম অনুসূচী** | ৩৩ |
| **দ্বিতীয় অনুসূচী** | ৩৪ |

# তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

(২০০০ ৰ অধিনিয়ম সংখ্যা ২১)

[২০০০ৰ ৯ জুন]

সাধাৰণতে ''বৈদ্যুতিক বাণিজ্য'' ৰূপে নিৰ্দ্দেশিত বৈদ্যুতিক ডাটা সালসলনিৰ মাধ্যমেৰে আৰু বৈদ্যুতিক যাতায়তৰ আন মাধ্যমৰ দ্বাৰা, প্ৰৱৰ্ত্তিত সংব্যৱহাৰৰ বাবে বিধিক স্বীকৃতি, যিয়ে, চৰকাৰী এজেন্সীৰ সৈতে দস্তাবেজৰ বৈদ্যুতিক উপস্থাপন সহজ কৰিবলৈ যোগাযোগৰ পত্ৰ জনিত পদ্ধতি আৰু সংবাদৰ সঞ্চয়নলৈ বৈকল্পিকৰ ব্যৱহাৰক জড়িত কৰে আৰু ভাৰতীয় দণ্ড সংহিতা, ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২, বেঙ্কাৰচ বুক্‌চ সাক্ষ্য অধিনিয়ম, ১৮৯১ আৰু ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক অধিনিয়ম, ১৯৩৪ক পুনৰ সংশোধন কৰিবলৈ আৰু ইয়াৰ সৈতে সম্পৰ্কিত আৰু ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে, উপৰন্ধ কৰিবলৈ এখনি অধিনিয়ম ।

যিহেতু সংযুক্ত ৰাজ্যৰ সাধাৰণ সভাই ১৯৯৭ৰ ৩০ জানুৱাৰী তাৰিখে এ/আৰ ই এছ/৫১/১৬২ প্ৰস্তাৱৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় বিধিৰ ওপৰত সংযুক্ত ৰাষ্ট্ৰ আয়োগৰ দ্বাৰা গ্ৰহণ কৰা বৈদ্যুতিক বাণিজ্যৰ ওপৰত আৰ্দশ বিধি গ্ৰহণ কৰিছে ;

আৰু যিহেতু উক্ত প্ৰস্তাৱটোৱে আন কথাৰ সৈতে একেলগে অনুমোদন জনায় যে সকলো ৰাজ্যই উক্ত আদৰ্শ বিধিত অনুকূলনীয় বিবেচনা কৰে যেতিয়া তেওঁলোকে প্ৰয়োগযোগ্য কোনো বিধিৰ সমৰূপ দৰকাৰৰ উদ্দেশ্যত যোগাযোগৰ বৈকল্পিক পত্ৰ ভিত্তিক পদ্ধতি আৰু তথ্য সংগ্ৰহনত বিধি অধিনিয়মিত আৰু পুনৰীক্ষণ কৰে ;

আৰু যিহেতুকে, উক্ত প্ৰস্তাৱক প্ৰভাৱিত কৰিবলৈ আৰু বিশ্বাসযোগ্য বৈদ্যুতিক অভিলেখৰ ব্যৱস্থাৰ দ্বাৰা চৰকাৰী সেৱাৰ পৰ্য্যাপ্ত পৰিদান উন্নীত কৰিবলৈ, ইয়াক আৱশ্যকীয় বুলি বিবেচনা কৰা হৈছে ।

ভাৰত গণৰাজ্যৰ একপঞ্চাশৎ বৰ্ষত সংসদৰ দ্বাৰা নিম্নানুসাৰে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ-

## অধ্যায়-১
## প্ৰাৰম্ভিক

**সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰাৰম্ভণ আৰু প্ৰয়োগ।**

১। (১) এই অধিনিয়মখন তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ বুলি অভিহিত হ'ব ।

(২) ই সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত হ'ব, এই অধিনিয়মখনত অন্যথা উপবন্ধিত ব্যতিৰেকে, ই কোনো ব্যক্তিৰ দ্বাৰা ভাৰতবৰ্ষৰ বাহিৰত ইয়াৰ অধীনত সংঘটিত কোনো অপৰাধ বা উলঙ্ঘনলৈও প্ৰয়োগ হ'ব।

(৩) ই , কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত বলবৎ হ'ব আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণিলৈ কোনো এনে উপবন্ধত থকা কোনো নিৰ্দ্দেশে, সেই উপবন্ধৰ প্ৰাৰম্ভণিলৈ থকা এটা নিৰ্দ্দেশ ৰূপে অৰ্থ কৰিব ।

[1][(৪) এই অধিনিয়মত থকা কোনো কথাই, প্ৰথম অনুসূচীত বিনিৰ্দ্দিষ্ট দস্তাৱেজ বা সংব্যৱহাৰলৈ প্ৰয়োগ নহ'ব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা তাত থকা প্ৰৱিষ্টিৰ সংযোজন বা লোপ কৰি প্ৰথম অনুসূচীৰ সংশোধন কৰিব পাৰে ।

(৫) উপধাৰা (৪)ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব ।]

**পৰিভাষা।**

২। (১) এই অধিনিয়মত , প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে , —

(ক) বৈয়াকৰণিক প্ৰকাৰণ আৰু সজাতীয় অভিব্যক্তি সহ ''প্ৰৱেশাধিকাৰ'' মানে তৰ্ক সম্মত, গাণিতিক বা কোনো কম্পিউটাৰ স্মৃতি কাৰ্য্য সম্পদ বা কম্পিউটাৰ নেটৱৰ্ক সহ শিক্ষা দি বা সংসূচিত কৰি প্ৰৱিষ্ট হোৱা ;

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

(খ) ''পত্ৰ প্ৰাপক'' মানে এজনু ব্যক্তি যিজন ইলেকট্ৰ'নিক অভিলেখ পাবলৈ অভিকৰ্ত্তাৰ দ্বাৰা অভিপ্ৰেত কিন্তু কোনো মধ্যস্থ ব্যক্তিক অন্তৰ্ভুক্ত নকৰে ;

(গ) ''ন্যায়নিৰ্ণয়িক পদাধিকাৰী'' মানে ধাৰা ৪৬ ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত এজন ন্যায়নিৰ্ণয়িক পদাধিকাৰী ;

(ঘ) বৈয়াকৰণিক প্ৰকাৰণ আৰু সজাতীয় অভিব্যক্তি সহ [১][ইলেকট্ৰ'নিক চিগনেছাৰ লগোৱা] মানে কোনো ইলেকট্ৰ'নিক চিগনেছাৰৰ মাধ্যমেৰে কোনো ইলেকট্ৰ'নিক অভিলেখ প্ৰমাণীকৰণৰ প্ৰয়োজনাৰ্থে কোনো ব্যক্তিৰ দ্বাৰা গ্ৰহণ কৰা কোনো ব্যৱস্থা বিধি বা প্ৰক্ৰিয়া ;

(ঙ) ''সমুচিত চৰকাৰ'' মানে কোনো বিষয় সম্পৰ্কে ——

(i) সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা (II) ত গণনাভুক্ত ;

(ii) সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা (III) ৰ অধীনত অধিনিয়মিত কোনো ৰাজ্যিক বিধিৰ সম্বন্ধত , ৰাজ্য চৰকাৰ আৰু আন কোনো ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ ;

(চ) ''অপ্ৰতিসম গুপ্ত পদ্ধতি'' মানে এটা ডিজিটেল চিগনেছাৰ সৃষ্টি কৰাৰ বাবে এটা ব্যক্তিগত ব্যৱস্থা থকা সুনিশ্চিত ব্যৱস্থা যুগল আৰু ডিজিটেল চিগনেছাৰ পৰীক্ষা কৰা ৰাজহুৱা ব্যৱস্থা ;

(ছ) ''প্ৰমাণ কৰা প্ৰাধিকাৰী'' মানে এজন ব্যক্তি যিজনক ধাৰা ১৪ৰ অধীনত এখন [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ জাৰি কৰিবলৈ এখন অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰা হৈছে ;

(জ) '' প্ৰমাণীকৰণ ব্যৱসায় বিবৃতি '' মানে ব্যৱসায় বিনিৰ্দ্দিষ্ট কৰিবলৈ প্ৰমাণ কৰা প্ৰাধিকাৰীৰ দ্বাৰা প্ৰেৰণ কৰা এটা বিবৃতি যে প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ প্ৰেৰণ কৰাত প্ৰয়োগ কৰে;

[২](জক) ''সংসূচনা কৌশল'' মানে কোনো বিষয়বস্তু, দৃশ্য, শ্ৰব্য বা প্ৰতিৰূপৰ যোগাযোগ, প্ৰেৰণ বা সঞ্চাৰণ কৰিবলৈ ব্যৱহৃত কোনো চেল ফোন, ব্যক্তিগত ডিজিটেল সহায়তা বা দুয়োটাৰে সংযোগ বা যি কোনো কৌশল ;

(ঝ) ''কম্পিউটাৰ'' মানে ইলেকট্ৰ'নিক, চুম্বকীয়, দৃষ্টি বিষয়ক বা দ্ৰুত গতিত ডাটা সংগ্ৰহ কৰা কৌশল বা পদ্ধতি যিয়ে ইলেকট্ৰ'নিক, চুম্বকীয় বা দৃষ্টি বিষয়ক গতিশক্তিৰ অভিচালনৰ দ্বাৰা তাৰ্কিক, গাণিতিক আৰু স্মৃতি কৃত্য সম্পাদন কৰে আৰু ই সকলো মূলধন উৎপাদন, প্ৰসংস্কৰণ, ভণ্ডাৰকৰণ, কম্পিউটাৰ চফ্টওৱেৰ বা যোগাযোগ সা-সুবিধা অন্তৰ্ভুক্ত কৰে যিবোৰ কম্পিউটাৰ পদ্বতি বা কম্পিউটাৰ নেটৱৰ্কত কম্পিউটাৰৰ লগত জড়িত বা সম্বধিত হয় ।

[৩][(ঞ) '' কম্পিউটাৰ নেটৱৰ্ক '' মানে -

(i) উপগ্ৰহ, সূক্ষ্ম তৰঙ্গ, পাৰ্থিৱ সংযোগ ৰেখা বা আন যোগাযোগৰ মাধ্যমেৰে ; আৰু

(ii) আন্ত:সংযোগটো চলন্তভাৱে পৰিচালিত হওঁকেই বা নহওঁকেই, দুই বা ততোধিক আন্ত: সযোগ থকা কম্পিউটাৰ বা কম্পিউটাৰ কৌশলৰ চক্ৰৰ মেৰু আৰু যৌগিকতাৰ মাধ্যমেৰে এক বা ততোধিক কম্পিউটাৰ পদ্বতি বা কম্পিউটাৰ কৌশলৰ আন্ত: সংযোগ ; ]

(ট) ''কম্পিউটাৰ সম্পদা '' মানে কম্পিউটাৰ, কম্পিউটাৰ পদ্বতি, কম্পিউটাৰ নেটৱৰ্ক, ডাটা, কম্পিউটাৰ ডাটা মূল বা চফটওৱেৰ ;

(ঠ) ''কম্পিউটাৰ পদ্বতি'' মানে মূলধন আৰু উৎপাদন পদ্ধতি অৰ্ন্তভুক্ত কৰি আৰু কেলকুলেটৰক বৰ্হিভূত কৰি, যিবোৰ কাৰ্য্য পৰিকল্পনা যোগ্য নহয় আৰু বাহ্যিক ফাইলৰ সংযোজনত ব্যৱহৃত হবলৈ সমৰ্থ নহয় যিবোৰত কম্পিউটাৰ কাৰ্য্য ক্ৰমনিকা, ইলেকট্ৰ'নিক নিৰ্দ্দেশ মূলধন ডাটা, উৎপাদন ডাটা সন্নিবিষ্ট থাকে, যিবোৰে তাৰ্কিক, গাণিতিক, ডাটা সংগ্ৰহ আৰু পুনৰউদ্ধাৰ, যোগাযোগ নিয়ন্ত্ৰন আৰু আন কাৰ্য্যাৱলী সম্পাদন কৰে, তেনে কৌশল আৰু কৌশল সংগ্ৰহণ ;

(ড) ''নিয়ন্ত্ৰক'' মানে ধাৰা ১৭ৰ উপধাৰা ১ৰ অধীনত নিযুক্ত প্ৰমাণ কৰা প্ৰাধিকাৰীৰ নিয়ন্ত্ৰক ;

---

১) তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২) একে অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত ।
৩) একে অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

(ঢ) ''চাইবাৰ অপীল ন্যায়াধিকৰণ'' মানে ধাৰা ৪৮ ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত চাইবাৰ [১][XXX] অপীল ন্যায়াধিকৰণ ;

[২][(ঢক) '' চাইবাৰ কাফে'' মানে কোনো সুবিধা, য'ৰ পৰা ইন্টাৰনেটৰ প্ৰৱেশাধিকাৰ, ব্যৱসায়ৰ সাধাৰণ ক্ৰমত কোনো ব্যক্তিৰ দ্বাৰা জনসাধাৰণৰ সদস্যসকললৈ অৰ্পণ কৰা হয় ;

(ঢখ) ''চাইবাৰ সুৰক্ষা'' মানে অপ্ৰাধিকৃত প্ৰৱেশাধিকাৰ, ব্যৱহাৰ, প্ৰকটন, ব্যাহতকৰণ, পৰিৱৰ্তন বা বিনাশনৰ পৰা তাত মজুত থকা ৰক্ষন তথ্য, সা-সৰঞ্জাম, কৌশল, কম্পিউটাৰ, কম্পিউটাৰ সম্পদা, সংসূচনা কৌশল আৰু তথ্য ;]

(ণ) ''ডাটা'' মানে কোনো তথ্য, জ্ঞান, ঘটনা, ধাৰণা বা নিৰ্দ্দেশৰ বিৱৰণ যিবোৰৰ যথা ৰীতিৰে প্ৰস্তুত কৰা আছে, বা প্ৰস্তুত কৰা হৈছে আৰু কম্পিউটাৰ পদ্ধতিত বা কম্পিউটাৰ নেটৱৰ্কত প্ৰক্ৰিয়াগত হবলৈ অভিপ্ৰেত হয় বা প্ৰক্ৰিয়াগত কৰা হৈছে আৰু (কম্পিউটাৰত মুদ্ৰিত চুম্বকীয় বা দৃষ্টি বিষয়ক সংগ্ৰহ মাধ্যম, পাঞ্চকাৰ্ড, পাঞ্চ টেপ অন্তৰ্ভুক্ত কৰি ) যিকোনো প্ৰপত্ৰত হ'ব পাৰে বা কম্পিউটাৰৰ স্মৃতিত আভ্যন্তৰিণ ভাবে সংগৃহীত কৰা হ'ব ;

(ত) ''ডিজিটেল চিগনেছাৰ'' মানে ধাৰা ৩ৰ উপবন্ধাৱলীৰ অনুসৰণত ইলেক্‌ট্ৰ'নিক পদ্ধতি বা প্ৰক্ৰিয়াৰ ব্যৱস্থাৰে ক্ৰেতাৰ দ্বাৰা কোনো ইলেক্‌ট্ৰ'নিক অভিলেখৰ অধিপ্ৰমাণীকৰণ ;

(থ) ''ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ'' মানে ধাৰা ৩৫ ৰ উপধাৰা (৪) ৰ অধীনত জাৰি কৰা এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ ;

(দ) তথ্যৰ সৰ্ন্দভত ''ইলেক্‌ট্ৰ'নিক প্ৰপত্ৰ'' মানে মধ্যস্থ চুম্বকীয়, দৃষ্টি বিষয়ক, কম্পিউটাৰ স্মৃতি, মাইক্ৰ ফিল্ম, কম্পিউটাৰত উৎপাদিত মাইক্ৰ'ফিক বা সদৃশ কৌশলত উৎপাদিত, প্ৰেৰিত, গ্ৰহণ কৰা বা সংগৃহীত কোনো তথ্য ;

(ধ) ''ইলেক্‌ট্ৰ'নিক ৰাজপত্ৰ'' মানে ইলেক্‌ট্ৰ'নিক প্ৰপত্ৰত প্ৰকাশিত চৰকাৰী ৰাজপত্ৰ ;

(ন) ''ইলেক্‌ট্ৰ'নিক অভিলেখ'' মানে ইলেক্‌ট্ৰ'নিক প্ৰপত্ৰ বা মাইক্ৰ'ফিল্ম বা কম্পিউটাৰত উৎপাদিত মাইক্ৰ'ফিকত সংগৃহীত, গ্ৰহণ কৰা বা প্ৰেৰিত কোনো ডাটা, অভিলেখ বা ডাটা উৎপাদন প্ৰতিৰূপ বা শব্দ ;

[২][(নক) ''ইলেক্‌ট্ৰ'নিক চিগনেছাৰ'' মানে এজন গ্ৰাহকে দ্বিতীয় অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা ইলেক্‌ট্ৰ'নিক কিটিপ ব্যৱস্থাৰ দ্বাৰা কোনো ইলেক্‌ট্ৰ'নিক অভিলেখৰ অধিপ্ৰমাণ আৰু ডিজিটেল চিগনেছাৰ অন্তৰ্ভুক্ত কৰে ;

(নখ) ''ইলেক্‌ট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ'' মানে ধাৰা ৩৫ৰ অধীনত জাৰি কৰা এখন ইলেক্‌ট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ আৰু ই ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰক অন্তৰ্ভুক্ত কৰে ) ;]

(প) কোনো কম্পিউটাৰৰ সৰ্ম্পকত ''কৃত্য'' ই তৰ্ক, নিয়ন্ত্ৰক গাণিতিক পদ্ধতি, মোহাৰি পেলোৱা, সংগৃহীত আৰু কম্পিউটাৰৰ পৰা বা ভিতৰত পুনৰ উদ্ধাৰ আৰু যোগাযোগ বা টেলি সংযোগক অন্তৰ্ভুক্ত কৰে ;

[২][(পক) ''ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন প্ৰতিক্ৰিয়া কৰ্মী'' মানে ধাৰা ৭০ (ঘ)ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত এটা এজেন্সী ) ;]

(ফ) ''তথ্য'' ই ডাটা, [৩][বাৰ্ত্তা] শব্দ বাক্য , ভাৱ মূৰ্ত্তি, ধ্বনি সংকেত শব্দ, কম্পিউটাৰ প্ৰগ্ৰেম, ছফ্‌টওৱেৰ আৰু ডাটাৰ আধাৰ বা মাইক্ৰ'ফিল্ম বা কম্পিউটাৰ উৎপাদিত মাইক্ৰ'ফিক ;

[৩][(ব) কোনো বিশেষ ইলেক্‌ট্ৰ'নিক অভিলেখৰ সম্বন্ধত ''মধ্যস্থ'' মানে কোনো ব্যক্তি যিয়ে আন ব্যক্তিৰ হকে সেই অভিলেখ গ্ৰহণ কৰে, সংৰক্ষণ কৰে বা সংপ্ৰেৰণ কৰে বা সেই অভিলেখৰ সম্বন্ধত কোনো সেৱা উপবন্ধ কৰে আৰু ই টেলিসংযোগ সেৱা উপবন্ধকাৰী, নেটৱৰ্ক চাৰ্ভিচ সেৱা উপৱন্ধকাৰী, ইণ্টাৰনেট সেৱা উপৱন্ধকাৰী, ৱেব হষ্টিং সেৱা উপৱন্ধকাৰী, চাৰ্চ ইঞ্জিন, অন লাইন আদায়ৰ স্থান, অন লাইন নিগম স্থান, অন লাইন বজাৰ স্থান আৰু চাইবাৰ কাফেক অন্তৰ্ভুক্ত কৰে ;]

(ভ) অপ্ৰতিসম গুপ্ত বিদ্যা পদ্ধতিত ''ব্যৱস্থা যুগল'' মানে ব্যক্তিগত ব্যৱস্থা আৰু ইয়াৰ গাণিতিক ৰূপে জনসাধাৰণৰ ব্যৱস্থা যিটো এনেদৰে জড়িত যে ৰাজহুৱা ব্যৱস্থাই ব্যক্তিগত ব্যৱস্থাৰ দ্বাৰা সৃষ্টি হোৱা এটা ডিজিটেল চিগনেছাৰ প্ৰমাণিত কৰিব পাৰে ;

(ম) ''বিধি'' য়ে সংসদৰ বা ৰাজ্যিক বিধান মণ্ডলৰ কোনো অধিনিয়ম, ৰাষ্ট্ৰপতি বা যথাস্থিতি ৰাজ্যপালৰ দ্বাৰা প্ৰখ্যাপিত অধ্যাদেশ, অনুচ্ছেদ ২৪০ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰণয়ন কৰা বিনিয়মাৱলী, সংবিধানৰ অনুচ্ছেদ ৩৫৭ৰ খণ্ড (১)ৰ উপখণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ অধিনিয়ম ৰূপে অধিনিয়মিত বিধেয়কসমূহ অন্তৰ্ভুক্ত কৰে আৰু ই ইয়াৰ অধীনত জাৰি কৰা বা প্ৰণয়ন কৰা নিয়মাৱলী, বিনিয়মাৱলী, উপবিধি আৰু আদেশসমূহ অন্তৰ্ভুক্ত কৰে ;

(য) ''অনুজ্ঞা পত্ৰ'' মানে ধাৰা ২৪ ৰ অধীনত প্ৰমাণ কৰা প্ৰাধিকাৰীলৈ মঞ্জুৰ কৰা এখন অনুজ্ঞাপত্ৰ ।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ ৰ ধাৰা ৪ৰ দ্বাৰা লোপ কৰা হৈছে।

২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(যক) ''আদিকৰ্ত্তা'' মানে এনে এজন ব্যক্তি যিয়ে ইলেকট্ৰ'নিক কোনো বাৰ্ত্তা প্ৰেৰণ, উৎপাদন সংগৃহীত বা প্ৰেৰিত কৰে বা কোনো আন ব্যক্তিলৈ কোনো ইলেকট্ৰ'নিক বাৰ্ত্তা পঠিয়াবলৈ, উৎপাদন কৰিবলৈ, সংগৃহীত কৰিবলৈ বা প্ৰেৰণ কৰিবলৈ কাৰিত কৰে কিন্তু ই কোনো মধ্যস্থ ব্যক্তিক অন্তৰ্ভুক্ত নকৰে ;

(যখ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(যগ) ''ব্যক্তিগত ব্যৱস্থা'' মানে কোনো ডিজিটেল চিগনেছাৰ সৃষ্টি কৰিবলৈ ব্যৱহৃত কোনো ব্যৱস্থা যুগলৰ ব্যৱস্থা ;

(যঘ) ''ৰাজহুৱা ব্যৱস্থা'' মানে কোনো ডিজিটেল চিগনেছাৰ প্ৰমাণিত কৰিবলৈ ব্যৱহাৰ হোৱা ব্যৱস্থা যুগল আৰু ই ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত তালিকা ভুক্ত ;

(যঙ) ''সুনিশ্চিত পদ্ধতি'' মানে কম্পিউটাৰ হাৰ্ডওৱেৰ, চফ্টৱেৰ আৰু পদ্ধতি যিবোৰ

(ক) অপ্ৰাধিকৃত প্ৰৱেশ আৰু অপব্যৱহাৰৰ পৰা যুক্তিসঙ্গতভাৱে সুনিশ্চিত ;

(খ) বিশ্বাসনীয়তাৰ যুক্তিসঙ্গত সমতা আৰু শুদ্ধ প্ৰৱৰ্ত্তনৰ উপবন্ধ কৰে ;

(গ) অভিপ্ৰেত কৃত্যসমূহ সম্পাদন কৰিবলৈ যুক্তিসঙ্গতভাৱে উপযুক্ত ; আৰু

(ঘ) সাধাৰণভাৱে গৃহীত প্ৰতিৰক্ষা প্ৰক্ৰিয়াবোৰ অনুগত ;

(যচ) ''সুৰক্ষা প্ৰক্ৰিয়া'' মানে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ধাৰা ১৬ৰ অধীনত বিহিত কৰা সুৰক্ষা প্ৰক্ৰিয়া ;

(যছ) ''গ্ৰাহক'' মানে কোনো এজন ব্যক্তি যাৰ নামত [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ জাৰি কৰা হয় ;

(যজ) ইয়াৰ বৈয়াকৰণিক প্ৰকাৰণ আৰু সজাতীয় অভিব্যক্তিসহ ডিজিটেল চিগনেছাৰ, ইলেকট্ৰ'নিক অভিলেখ, ৰাজহুৱা ব্যৱস্থা সম্বন্ধত ''প্ৰমাণ কৰা'' মানে——

(ক) প্ৰাৰম্ভিক ইলেকট্ৰ'নিক অভিলেখ গ্ৰাহকৰ ৰাজহুৱা ব্যৱহাৰ তদনুৰূপ ব্যক্তিগত ব্যৱস্থাৰ ব্যৱহাৰৰ দ্বাৰা ডিজিটেল চিগনেছাৰ সহ সংযোজিত হৈছে নে নাই ;

(খ) প্ৰাৰম্ভিক ইলেকট্ৰ'নিক অভিলেখ অবিকল হৈ আছে বা এনে ইলেকট্ৰ'নিক অভিলেখ ডিজিটেল চিগনেছাৰত এনেদৰে সংযোজিত হোৱাৰ সময়ৰ পৰাই পৰিৱৰ্ত্তিত হৈছে নে নাই ;

(২) ইয়াৰ কোনো অধিনিয়মিতি বা কোনো উপবন্ধলৈ এই অধিনিয়মত দিয়া কোনো প্ৰসঙ্গ নিৰ্দ্দেশ, কোনো অঞ্চলৰ সম্বন্ধত য'ত এনে অধিনিয়মিতি বা এনে উপবন্ধ বলবৎ হোৱা নাই, তদনুৰূপ বিধিলৈ বা তদনুৰূপ বিধিৰ কোনো সুসঙ্গত উপবন্ধলৈ, সেই অঞ্চলত বলবৎ হোৱা সুসঙ্গত নিৰ্দ্দেশ ৰূপে অৰ্থ হ'ব ।

## অধ্যায়-২

## [২][ডিজিটেল চিগনেছাৰ আৰু ইলেকট্ৰ'নিক চিগনেছাৰ]

**ইলেকট্ৰ'নিক অভিলেখৰ অধিপ্ৰমাণ ।**

৩ । (১) এই ধাৰাৰ উপবন্ধাবলীৰ সাপেক্ষে কোনো গ্ৰাহকে তেওঁৰ ডিজিটেল চিগনেছাৰ সংযোজিত কৰি কোনো ইলেকট্ৰ'নিক অভিলেখ অধিপ্ৰমাণিত কৰিব পাৰে ।

(২) ইলেকট্ৰ'নিক অভিলেখৰ অধিপ্ৰমাণ আৰু অপ্ৰতিসম গু প্তবিদ্যা পদ্ধতি বিখণ্ডিত কাৰ্য্যৰ ব্যৱহাৰৰ দ্বাৰা প্ৰভাৱিত হব যিয়ে প্ৰাৰম্ভিক ইলেকট্ৰ'নিক তথ্য আন ইলেকট্ৰ'নিক তথ্যলৈ আবৰি থাকে আৰু পৰিৱৰ্ত্তন কৰে ।

**স্পষ্টীকৰণ** ——এই উপধাৰাৰ প্ৰয়োজনাৰ্থে ''বিখণ্ডিত কাৰ্য্য '' মানে এটা এলগোৰিথিম মেপিং বা কোনো এটা ঘটনাৰ পৰা আন এটা ঘটনালৈ যিটো সাধাৰণতে সৰু হয় অনুবাদ কৰা যিটো '' বিখণ্ডিত ফল '' বুলি জনা যায়, যাতে এটা ইলেকট্ৰ'নিক অভিলেখ প্ৰত্যেক বাৰতেই একেই বিখণ্ডিত ফল ৰূপে উৎপন্ন হয়, এলগোৰিথিম একে ইলেকট্ৰ'নিক অভিলেখ সহ নিষ্পাদিত হয় যেনেদৰে ইয়াৰ বিনিয়োগ কৰা অভিগণনা মতে অবাস্তৱ ——

(ক) এলগোৰিথিমৰ দ্বাৰা উৎপাদিত বিখণ্ডিত ফলৰ পৰা মূল ইলেকট্ৰ'নিক অভিলেখৰ বুৎপন্ন বা পুনৰ গঠন কৰা ;

(খ) যে ইলেকট্ৰ'নিক অভিলেখ এলগোৰিথিম ব্যৱহাৰ কৰি একে বিখণ্ডিত ফল উৎপাদন কৰা ।

(৩) কোনো গ্ৰাহকৰ ৰাজহুৱা ব্যৱস্থাৰ ব্যৱহাৰৰ দ্বাৰা কোনো ব্যক্তিয়ে ইলেকট্ৰ'নিক অভিলেখ প্ৰমাণ কৰিব পাৰে ;

(৪) ব্যক্তিগত ব্যৱস্থা বা ৰাজহুৱা ব্যৱস্থাই গ্ৰাহকৰ বাবে এটা ব্যৱস্থা যুগল সংগঠিত কৰিবলৈ অনুপম ব্যৱস্থা ।

**ইলেকট্ৰ'নিক চিগনেছাৰ।**

[৩][(৩ক) (১) ধাৰা ৩ত কোনো কথা সত্বেও , কিন্তু উপধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, এজন গ্ৰাহকে এনে ইলেকট্ৰ'নিক চিগনেছাৰ বা ইলেকট্ৰ'নিক প্ৰমাণীকৰণ কৌশলৰ দ্বাৰা কোনো ইলেকট্ৰ'নিক অভিলেখ অধিপ্ৰমাণিত কৰিব পাৰে যিটো

১ । তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২ । তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৫ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩ । একে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত ।

(ক) নিৰ্ভৰযোগ্য বুলি বিবেচিত হয় ; আৰু

(খ) দ্বিতীয় অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা হৈছে ।

(২) এই ধাৰাৰ প্ৰয়োজনাৰ্থে কোনো ইলেকট্ৰ'নিক চিগনেছাৰ বা ইলেকট্ৰ'নিক অধিপ্ৰমাণ কিটিপ নিৰ্ভৰযোগ্য বুলি বিবেচিত হ'ব যদিহে ——

(ক) চিগনেছাৰ উদ্ভাৱক ডাটা বা অধিপ্ৰমাণ ডাটা, সেইবোৰ ব্যৱহৃত হোৱা বিষয়বস্তুৰ ভিতৰত, স্বাক্ষৰকাৰীলৈ বা যথাস্থিতি অধিপ্ৰমাণকাৰীলৈ আৰু কোনো ব্যক্তিলৈ জড়িত হয় ;

(খ) চিগনেছাৰ উদ্ভাৱক ডাটা বা অধিপ্ৰমাণ ডাটাবোৰ স্বাক্ষৰিত কৰাৰ সময়ত, স্বাক্ষৰকাৰী বা যথাস্থিতি অধিপ্ৰমাণকাৰীলৈ বা যিকোনো ব্যক্তিৰ নিয়ন্ত্ৰণাধীনত থাকে ;

(গ) এনে স্বাক্ষৰ সংযোজিত হোৱাৰ পিছত ইলেকট্ৰ'নিক চিগনেছাৰ হোৱা কোনো পৰিৱৰ্ত্তন নিৰূপন যোগ্য হয় ;

(ঘ) ইলেকট্ৰ'নিক চিগনেছাৰৰ দ্বাৰা ইয়াৰ অধিপ্ৰমাণীকৰণৰ পিছত তথ্যত হোৱা কোনো পৰিৱৰ্ত্তন নিৰূপনযোগ্য হয় ; আৰু

(ঙ) ই, বিহিত কৰা দৰে এনে আন চৰ্ত্তাৱলী পূৰণ কৰে ।

(৩) কেন্দ্ৰীয় চৰকাৰে, ইলেকট্ৰ'নিক চিগনেছাৰটো সেই জন ব্যক্তিৰ দ্বাৰা সংযোজিতকৰণ বা অধিপ্ৰমাণীত কৰিবলৈ তাৎপৰ্য্যিত হৈছে নে নাই, তাক সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে প্ৰক্ৰিয়া বিহিত কৰিব পাৰে ।

(৪) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, কোনো ইলেকট্ৰ'নিক চিগনেছাৰ বা ইলেকট্ৰ'নিক অধিপ্ৰমাণীকৰণ কিটিপ আৰু দ্বিতীয় অনুসূচীৰ পৰা এনে স্বাক্ষৰৰ সংযোজনৰ বাবে থকা প্ৰক্ৰিয়াক সংলগ্ন বা লোপ কৰিব পাৰে ঃ

পৰন্তু কোনো ইলেকট্ৰ'নিক চিগনেছাৰ বা অধিপ্ৰমাণ কিটিপ দ্বিতীয় অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা নহব যদিহে এনে স্বাক্ষৰ বা কিটিপ নিৰ্ভৰযোগ্য নহয় ।

(৫) উপধাৰা (৪) ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা, সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব ।

## অধ্যায়-৩

## ইলেকট্ৰ'নিক নিয়ন্ত্ৰণ

**ইলেকট্ৰ'নিক অভিলেখৰ বিধিক স্বীকৃতি ।**

৪ । য'ত কোনো বিধিয়ে উপবন্ধিত কৰে যে কোনো তথ্য বা আন বিষয় লিখিত ভাৱে বা মুদ্ৰা লিখনত বা মুদ্ৰিত ৰূপত হব তেতিয়া, কোনো বিধিত কোনো কথা থকা সত্ত্বেও, এনে অপেক্ষাকৰণবোৰ সন্তুষ্ট হোৱা বুলি গণ্য কৰা হ'ব যদিহে এনে তথ্য বা বিষয় ——

(ক) ইলেকট্ৰ'নিক ৰূপত প্ৰেৰণ কৰা হয় বা সহজলভ্য কৰা হয়, আৰু

(খ) এটা পশ্চাৎৱৰ্ত্তী প্ৰসঙ্গৰ বাবে ব্যৱহাৰ যোগ্য হবলৈ সুগম্য হয় ।

**[1][ইলেকট্ৰ'নিক চিগনেছাৰ বিধিক স্বীকৃতি ।**

৫ । য'ত কোনো বিধিয়ে উপবন্ধিত কৰে যে কোনো তথ্য বা কোনো আন বিষয় স্বাক্ষৰৰ সংযোজনৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হ'ব বা কোনো দস্তাৱেজ স্বাক্ষৰিত হ'ব বা কোনো ব্যক্তিৰ দ্বাৰা স্বাক্ষৰ বহন কৰিব, তেতিয়া, কোনো বিধিত কোনো কথা থকা সত্ত্বেও, এনে অপেক্ষাকৰণ সন্তুষ্ট হোৱা বুলি গণ্য কৰা হ'ব যদিহে এনে তথ্য বা বিষয়, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত সংযোজিত [1][ইলেকট্ৰ'নিক চিগনেছাৰ] ৰ মাধ্যমেৰে অধিনিয়মিত কৰা হয় ।

**স্পষ্টীকৰণ** ——এই ধাৰাৰ প্ৰয়োজনাৰ্থে ইয়াৰ বৈয়াকৰণিক প্ৰকাৰণ আৰু সজাতীয় অভিব্যক্তিসহ ''স্বাক্ষৰিত'' মানে কোনো ব্যক্তিৰ তেওঁৰ হাতে লিখা স্বাক্ষৰ বা কোনো দস্তাৱেজৰ ওপৰত কোনো চিহ্ন সংযোজন কৰা আৰু অভিব্যক্তি ''স্বাক্ষৰ'' ৰ তদনুসাৰে অৰ্থ হ'ব ।

**চৰকাৰ আৰু ইয়াৰ এজেন্সীসমূহত ইলেকট্ৰ'নিক অভিলেখ আৰু [1][ইলেকট্ৰ'নিক চিগনেছাৰ]ৰ ব্যৱহাৰ।**

৬। (১) য'ত কোনো বিধিয়ে ——

(ক) কোনো প্ৰপত্ৰ, আবেদন বা আন দস্তাৱেজ বিশেষ ৰীতিত কাৰ্য্যালয়, প্ৰাধিকাৰী, নিকায় বা নিজা এজেন্সী বা সমূচিত চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত ;

(খ) কোনো অনুজ্ঞাপত্ৰৰ জাৰি বা অনুদান, অনুমতি, মঞ্জুৰী বা অনুমোদন, কোনো বিশেষ ৰীতিত যি নামেৰেই কোৱা হওক ;

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন )অধিনিয়ম ২০০৮ ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিস্থাপিত ।

(গ) কোনো বিশেষ ৰীতিত ধনৰাশিৰ প্ৰাপ্তি বা আদায় ,

তেতিয়া, তৎসময় বলবৎ আন কোনো বিধিত কোনো কথা থকা সত্বেও, এনে অপেক্ষাকৰণ সন্তুষ্ট হৈছে বুলি গণ্য কৰা হ'ব যদিহে এনে দাখিল, জাৰি, মঞ্জুৰী, প্ৰাপ্তি বা যথাস্থিতি আদায় এনে ইলেকট্ৰ'নিক প্ৰপত্ৰৰ ব্যৱস্থাৰ দ্বাৰা প্ৰভাৱিত হয় যি দৰে সমুচিত চৰকাৰৰ দ্বাৰা বিহিত কৰা হয় ।

(২) সমুচিত চৰকাৰে, উপধাৰা (১) ৰ প্ৰয়োজনাৰ্থে, নিয়মৰ দ্বাৰা ——

(ক) এনে ৰীতি আৰু প্ৰপত্ৰ বিহিত কৰে যিবোৰত এনে ইলেকট্ৰ'নিক অভিলেখ দাখিল, সৃষ্টি আৰু জাৰি কৰা হ'ব ;

(খ) খণ্ড (ক)ৰ অধীনত কোনো ইলেকট্ৰ'নিক অভিলেখৰ দাখিল, সৃষ্টি বা জাৰিকৰণৰ বাবে কোনো মাচুল বা প্ৰভাৰৰ আদায়ৰ ৰীতি বা পদ্ধতি বিহিত কৰে ।

সেৱা উপবন্ধকৰ দ্বাৰা সেৱাৰ পৰিদান ।

[1][৬ক।(১) সমুচিত চৰকাৰে আদেশৰ দ্বাৰা এই অধ্যায়ৰ প্ৰয়োজনাৰ্থে আৰু ইলেকট্ৰ'নিক ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণৰ সেৱাৰ দক্ষতাপূৰ্ণ পৰিদানৰ বাবে, কম্পিউটাৰ যুক্ত সা-সুবিধাক প্ৰতিষ্ঠা, পৰিচালনা আৰু উন্নীত কৰিবলৈ কোনো সেৱা উপবন্ধকাৰীক প্ৰাধিকৃত কৰিব পাৰে আৰু ই, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে আন সেৱা সম্পাদন কৰিব পাৰে ।

**স্পষ্টীকৰণ** —— এই ধাৰাৰ প্ৰয়োজনাৰ্থে এনেদৰে প্ৰাধিকৃত সেৱা উপবন্ধকাৰীয়ে কোনো ব্যক্তি, ব্যক্তিগত এজেন্সী, ব্যক্তিগত কোম্পানী, ভাগীদাৰী ফাৰ্ম, একমাত্ৰ স্বত্বধাৰী ফাৰ্ম বা কোনো আন নিকায় বা এজেন্সীক অন্তৰ্ভুক্ত কৰে যিবোৰক সমুচিত চৰকাৰৰ দ্বাৰা এনে সেৱা খণ্ড পৰিচালিত হোৱা আৰ্চনিৰ অনুসৰণত ইলেকট্ৰ'নিক ব্যৱস্থাৰ জৰিয়তে সেৱা প্ৰদান কৰিবলৈ, অনুমতি মঞ্জুৰ কৰা হৈছে ।

(২) সমুচিত চৰকাৰে উপধাৰা (১) ৰ অধীনত প্ৰাধিকৃত কোনো সেৱা উপবন্ধকাৰীক, এনে সেৱা ভোগ কৰা কোনো ব্যক্তিৰ পৰা, এনে সেৱাৰ উপবন্ধকৰণৰ প্ৰয়োজনাৰ্থে, সমুচিত চৰকাৰে বিহিত কৰা দৰে, এনে সেৱা প্ৰভাৰৰ সংগ্ৰহ, প্ৰতিধাৰণ আৰু বিনিয়োজন কৰিবলৈ, প্ৰাধিকৃত কৰিব পাৰে ।

(৩) উপধাৰা (২) ৰ উপবন্ধাৱলীৰ সাপেক্ষে, সমুচিত চৰকাৰে, সেৱা উপবন্ধকাৰীৰ দ্বাৰা ই সেৱা প্ৰভাৰৰ সংগ্ৰহ, প্ৰতিধাৰণ আৰু বিনিয়োজন কৰিবলৈ সেৱা উপবন্ধিত কৰা অধিনিয়ম, নিয়ম, বিনিয়ম বা অধিসূচনাৰ অধীনত কোনো অভিব্যক্ত উপৱন্ধ নাই বুলি কোনো তথ্য থকা স্বত্বেও এই ধাৰাৰ অধীনত সেৱা প্ৰভাৰৰ সংগ্ৰহ, প্ৰতিধাৰণ আৰু বিনিয়োজন কৰিবলৈ সেৱা উপবন্ধকাৰীক প্ৰাধিকৃত কৰিব পাৰে ।

(৪) সমুচিত চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, সেৱা প্ৰভাৰৰ নিৰিখ বিনিৰ্দ্দিষ্ট কৰিব যিবোৰ এই ধাৰাৰ অধীনত সেৱা উপবন্ধকাৰীৰ দ্বাৰা প্ৰভাৱিত আৰু সংগৃহীত কৰিব পাৰে ঃ

পৰন্তু সমুচিত চৰকাৰে বিভিন্ন প্ৰকাৰৰ সেৱাৰ বাবে সেৱা প্ৰভাৰৰ বিভিন্ন নিৰিখ বিনিৰ্দ্দিষ্ট কৰে।]

ইলেকট্ৰ'নিক অভিলেখৰ প্ৰতিধাৰণ ।

৭। (১) য'ত কোনো বিধিয়ে উপৱন্ধ কৰে যে দস্তাৱেজ, অভিলেখ বা তথ্য কোনো নিৰ্দ্দিষ্ট সময়ৰ বাবে প্ৰতিধাৰিত কৰা হ'ব, তেতিয়া অপেক্ষাকৰণ সন্তুষ্ট হোৱা বুলি গণ্য কৰা হ'ব যদিহে এনে দস্তাৱেজ, অভিলেখ বা তথ্য ইলেকট্ৰ'নিক ৰূপত প্ৰতিধাৰিত কৰা হয়, যদিহে ——

(ক) তাত থকা তথ্য সহজলভ্য হৈ থাকে যাতে পৰৱৰ্ত্তী প্ৰসঙ্গৰ বাবে ব্যৱহাৰ যোগ্য হয় ;

(খ) ইলেকট্ৰ'নিক তথ্য প্ৰপত্ৰত প্ৰতিধাৰিত কৰা হয় যিটোত মূলতঃ উৎপাদিত , প্ৰেৰিত বা প্ৰাপ্ত হয় বা এনে প্ৰপত্ৰত যিটো মূলতঃ উৎপাদিত, প্ৰেৰিত বা প্ৰাপ্ত তথ্য সঠিক ভাৱে নিবেদন কৰিবলৈ নিৰ্দ্দেশিত কৰিব পাৰি ;

(গ) সবিশেষ যিবোৰ মূল, গন্তব্য স্থান, প্ৰেৰণৰ তাৰিখ আৰু সময়ৰ চিনাক্তকৰণ সহজ কৰিব বা এনে ইলেকট্ৰ'নিক অভিলেখৰ প্ৰাপ্তি ইলেকট্ৰ'নিক অভিলেখত সহজলভ্য হয় ঃ

পৰন্তু এই খণ্ড কোনো তথ্যত প্ৰয়োগ নহয় যিটো কোনো ইলেকট্ৰ'নিক অভিলেখ প্ৰেৰিত বা প্ৰাপ্ত কৰিবলৈ সমৰ্থবান কৰাৰ প্ৰয়োজনাৰ্থে একক ভাৱে স্বয়ংক্ৰিয়ভাৱে উৎপাদিত হয় ।

ইলেকট্ৰ'নিক প্ৰপত্ৰত পৰিচালিত দস্তাবেজ , ইত্যাদিৰ হিচাপ পৰীক্ষা ।

[2][৭ক । য'ত তৎসময় বলবৎ থকা কোনো বিধিত দস্তাৱেজ, ৰেকৰ্ড বা তথ্যৰ হিচাপ পৰীক্ষাৰ বাবে এটা উপবন্ধ থাকে, সেই উপবন্ধ ইলেকট্ৰ'নিক ৰূপত সংসাধিত আৰু পৰিচালিত দস্তাৱেজ, ৰেকৰ্ড বা তথ্যৰ হিচাপ পৰীক্ষাৰ বাবেও, প্ৰয়োগযোগ্য হ'ব ।]

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন )অধিনিয়ম ২০০৮ ৰ ধাৰা ৭ ৰ দ্বাৰা অন্তঃস্থাপিত ।

২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন )অধিনিয়ম ২০০৮ ৰ ধাৰা ৮ ৰ দ্বাৰা অন্তঃস্থাপিত ।

**ইলেক্ট্ৰ'নিক ৰাজপত্ৰত নিয়ম, বিনিয়ম, ইত্যাদিৰ প্ৰকাশন।**

৮। য'ত কোনো বিধিয়ে উপবন্ধিত কৰে যে কোনো নিয়ম, বিনিয়ম, আদেশ, উপবিধি, অধিসূচনা বা কোনো আন বিষয় চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰা হ'ব, তেতিয়া, এনে অপেক্ষাকৰণ সন্তুষ্ট হোৱা বুলি গণ্য কৰা হ'ব যদিহে এনে নিয়ম, বিনিয়ম, আদেশ, উপবিধি, অধিসূচনা বা কোনো আন বিষয় চৰকাৰী ৰাজপত্ৰ বা ইলেকট্ৰ'নিক ৰাজপত্ৰত প্ৰকাশিত হয় ঃ

পৰন্তু য'ত এনে নিয়ম, বিনিয়ম, আদেশ, উপবিধি, অধিসূচনা বা আন কোনো বিষয় চৰকাৰী ৰাজপত্ৰ বা ইলেকট্ৰ'নিক ৰাজপত্ৰত প্ৰকাশিত হয়, প্ৰকাশনৰ তাৰিখটোক ৰাজপত্ৰৰ তাৰিখ বুলি গণ্য কৰা হ'ব যিটো কোনো প্ৰপত্ৰত প্ৰথম প্ৰকাশিত হৈছিল ।

**ধাৰা ৬,৭ আৰু ৮ৰ দস্তাৱেজক জোৰ কৰি ইলেকট্ৰ'নিক ৰূপত গ্ৰহণ কৰা উচিত নহয় বুলি নিৰ্ণয় কৰিবলৈ অধিকাৰ প্ৰদান নকৰিব ।**

৯। ধাৰা ৬, ৭ আৰু ৮ ত থকা কোনো কথাই কোনো বিষয়ত জোৰ দিবলৈ কোনো ব্যক্তিক কোনো অধিকাৰ প্ৰদান নকৰিব যে কেন্দ্ৰীয় চৰকাৰৰ কোনো মন্ত্ৰালয় বা বিভাগ বা ৰাজ্য চৰকাৰ বা কোনো বিধিৰ দ্বাৰা বা অধীনত স্থাপিত বা কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত বা গঠিত কোনো প্ৰাধিকাৰী বা নিকায়ে ইলেকট্ৰ'নিক অভিলেখৰ ৰূপত কোনো দস্তাৱেজ স্বীকাৰ, জাৰি, সৃষ্টি, প্ৰতিধাৰণ আৰু সংৰক্ষণ কৰিব বা কোনো ইলেকট্ৰ'নিক ৰূপত ধনৰাশিৰ সংব্যৱহাৰৰ প্ৰভাৱিত কৰিব ।

**[1][ইলেকট্ৰ'নিক চিগনেছাৰ]ৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়ম প্ৰণয়নৰ ক্ষমতা।**

১০। কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে নিয়মাৱলীৰ দ্বাৰা ——

(ক) [1][ইলেকট্ৰ'নিক চিগনেছাৰ] ৰ প্ৰকাৰ ;

(খ) [1][ইলেকট্ৰ'নিক চিগনেছাৰ] সংযোজিত হোৱা ৰীতি আৰু প্ৰপত্ৰ ;

(গ) ৰীতি আৰু প্ৰক্ৰিয়া যিয়ে [1][ইলেকট্ৰ'নিক চিগনেছাৰ] সংযোজন কৰা ব্যক্তিৰ চিনাক্তকৰণ ভুক্ত কৰে ;

(ঘ) ইলেকট্ৰ'নিক অভিলেখ আদায়ৰ পৰ্য্যাপ্ত সংহতি, সুৰক্ষা আৰু গোপনীয়তা সুনিশ্চিত কৰিবলৈ নিয়ন্ত্ৰন পদ্ধতি আৰু প্ৰক্ৰিয়াসমূহ ; আৰু

(ঙ) কোনো অন্য বিষয় যিটো [1][ইলেকট্ৰ'নিক চিগনেছাৰ] ত বিধিক প্ৰভাৱী কৰিবলৈ আৱশ্যক হয় ।

**ইলেকট্ৰ'নিক ব্যৱস্থাৰ জৰিয়তে গঠিত সংবিদাৰ বৈধতা।**

[2][১০ ক। য'ত এটা সংবিদা গঠনত প্ৰস্তাৱৰ যোগাযোগ, প্ৰস্তাৱৰ গ্ৰহণ, প্ৰস্তাৱৰ প্ৰত্যাহাৰ আৰু যথাস্থিতি গ্ৰহণ ইলেকট্ৰ'নিক ৰূপত বা ইলেকট্ৰ'নিক অভিলেখ ব্যৱস্থাৰে অভিব্যক্ত হয়, তেনে সংবিদা, তেনে ইলেকট্ৰ'নিকৰূপে বা ব্যৱস্থা তেনে প্ৰয়োজনাৰ্থে ব্যৱহৃত হোৱা আধাৰত কেৱল অবলবৎযোগ্য বুলি গণ্য নহব ।]

## অধ্যায়-৪

## ইলেকট্ৰ'নিক অভিলেখৰ আৰোপ, অভিস্বীকাৰ আৰু প্ৰেৰণ

**ইলেকট্ৰ'নিক অভিলেখৰ আৰোপ।**

১১। এটা ইলেকট্ৰ'নিক অভিলেখ আদিকৰ্ত্তালৈ আৰোপিত কৰা হ'ব ——

(ক) যদিহে আদিকৰ্ত্তাই নিজে এইটো পঠিয়ায় ;

(খ) কোনো ব্যক্তিৰ দ্বাৰা পঠিয়ায়, যাৰ সেই ইলেকট্ৰ'নিক অভিলেখৰ ক্ষেত্ৰত আদিকৰ্ত্তাৰ হকে কাৰ্য্য কৰিবলৈ অধিকাৰিতা আছিল ; বা

(গ) স্বয়ংক্ৰিয়ভাৱে প্ৰৱৰ্তন কৰিবলৈ আদিকৰ্ত্তাৰ দ্বাৰা বা হকে কাৰ্য্যক্ৰমবদ্ধ এটা তথ্য পদ্ধতিৰ দ্বাৰা ।

**প্ৰাপ্তিৰ অভিস্বীকাৰ।**

১২। (১) য'ত আদিকৰ্ত্তাই [3][নিৰ্দ্দিষ্ট] নকৰে যে কোনো ইলেকট্ৰ'নিক অভিলেখৰ অভিস্বীকাৰ কোনো বিশেষ প্ৰপত্ৰত বা বিশেষ পদ্ধতিৰ দ্বাৰা দিয়া হৈছে, তেন্তে অভিস্বীকাৰ দিব পাৰি ——

(ক) সম্বোধিতীৰ দ্বাৰা স্বয়ংক্ৰিয়ভাৱে বা অন্যথা কোনো সংসূচনাৰ দ্বাৰা ; বা

(খ) ইলেকট্ৰ'নিক অভিলেখ প্ৰাপ্ত হৈছে বুলি আদিকৰ্ত্তাক সূচিত কৰিবলৈ পৰ্য্যাপ্ত হোৱা সম্বোধিতীৰ কোনো আচৰণৰ দ্বাৰা, অভিস্বীকাৰ দিব পাৰি ।

(২) য'ত আদিকৰ্ত্তাই নিৰ্দ্দিষ্ট কৰে যে ইলেকট্ৰ'নিক অভিলেখ তেওঁৰ দ্বাৰা এনে ইলেকট্ৰ'নিক অভিলেখৰ এটা অভিস্বীকাৰৰ প্ৰাপ্তিতহে কেৱল আৱদ্ধ থাকিব, তেতিয়া যদিহে এনে অভিস্বীকাৰ এনে দৰে পোৱা নহয়, ইলেকট্ৰ'নিক অভিলেখ আদিকৰ্ত্তাৰ দ্বাৰা কেতিয়াও নপঠিওৱা বুলি গণ্য কৰা হ'ব ।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ১০ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(৩) য'ত আদিকৰ্ত্তাই নিৰ্দ্দিষ্ট নকৰে যে ইলেকট্ৰ'নিক অভিলেখ এনে অভিস্বীকাৰৰ ওপৰত কেৱল আৱদ্ধ থাকিব আৰু অভিস্বীকাৰ বিনিৰ্দ্দিষ্ট বা সম্মত হোৱা সময়ৰ ভিতৰত আদিকৰ্ত্তাৰ দ্বাৰা প্ৰাপ্ত হোৱা নাই বা যদিহে কোনো সময়ত এনে যুক্তিসঙ্গত সময়ৰ ভিতৰত বিনিৰ্দ্দিষ্ট কৰা বা সম্মত হোৱা নাই, তেতিয়া আদিকৰ্ত্তাই সম্বোধিতীলৈ বৰ্ণনা দি জাননী দিব পাৰে যে কোনো অভিস্বীকাৰ তেওঁৰ দ্বাৰা প্ৰাপ্তি হোৱা নাই আৰু এটা যুক্তিসঙ্গত সময় বিনিৰ্দ্দিষ্ট কৰি যাৰ দ্বাৰা অভিস্বীকাৰ তেওঁৰ দ্বাৰা প্ৰাপ্ত হ'ব আৰু যদিহে কোনো অভিস্বীকাৰ উক্ত সময় সীমাৰ ভিতৰত প্ৰাপ্ত নহয়, তেওঁ সম্বোধিতীলৈ এখন জাননী দিয়াৰ পিছত ইলেকট্ৰ'নিক অভিলেখৰ এনেদৰে ব্যৱস্থা কৰিব যেন ইয়াক কেতিয়াও পঠিওৱা হোৱাই নাছিল।

**ইলেকট্ৰ'নিক অভিলেখৰ প্ৰেৰণ আৰু প্ৰাপ্তিৰ সময় আৰু স্থান।**

১৩। (১) আদিকৰ্ত্তা আৰু সম্বোধিতীৰ মাজত অন্যথা সম্মত হোৱাৰ ব্যতিৰেকে কোনো ইলেকট্ৰ'নিক অভিলেখৰ প্ৰেৰণ কৰিব যেতিয়াই আদিকৰ্ত্তাৰ নিয়ন্ত্ৰনৰ বাহিৰত এনে কম্পিউটাৰ সম্পদাত প্ৰৱেশ কৰে।

(২) আদিকৰ্ত্তা আৰু সম্বোধিতীৰ মাজত অন্যথা সম্মত হোৱাৰ ব্যতিৰেকে, ইলেকট্ৰ'নিক অভিলেখৰ প্ৰাপ্তিৰ সময় নিম্নলিখিত ৰূপে অৱধাৰিত কৰা হ'ব, অৰ্থাৎ ঃ —

(ক) যদিহে সম্বোধিতীয়ে কোনো ইলেকট্ৰ'নিক অভিলেখ প্ৰাপ্তিৰ প্ৰয়োজনাৰ্থে কম্পিউটাৰ সম্পদালৈ মনোনীত কৰিছে, —

(i) সেই সময়তে প্ৰাপ্তি হ'ব যেতিয়া ইলেকট্ৰনিক অভিলেখ মনোনীত কম্পিউটাৰ উৎসত প্ৰৱেশ কৰে ; বা

(ii) যদিহে কোনো ইলেকট্ৰ'নিক অভিলেখ কোনো সম্বোধিতীৰ কম্পিউটাৰৰ সম্পদালৈ পঠিওৱা হয় যিটো মনোনীত কম্পিউটাৰ সম্পদা নহয়, এনে সময়ত প্ৰাপ্ত কৰা হ'ব যেতিয়া ইলেকট্ৰ'নিক অভিলেখ সম্বোধিতীৰ দ্বাৰা পুনৰ উদ্ধাৰ কৰা হয়।

(খ) যদিহে সম্বোধিতীয়ে বিনিৰ্দ্দিষ্ট সময় সহ কোনো কম্পিউটাৰ সম্পদাৰ মনোনীত কৰা নাই, যদি কিবা থাকে, প্ৰাপ্তি হয়, যেতিয়া ইলেকট্ৰ'নিক অভিলেখ সম্বোধিতীৰ কম্পিউটাৰ সম্পদাত প্ৰৱেশ কৰে।

(৩) আদিকৰ্ত্তা আৰু সম্বোধিতীৰ মাজত অন্যথা সম্মত হোৱাৰ ব্যতিৰেকে, কোনো ইলেকট্ৰ'নিক অভিলেখক এনে স্থানলৈ প্ৰেৰণ কৰা বুলি গণ্য কৰা হ'ব য'ত আদিকৰ্ত্তাৰ তেওঁৰ ব্যৱসায়ৰ স্থান আছে আৰু এনে স্থানত গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব য'ত সম্বোধিতীৰ তেওঁৰ নিজৰ ব্যৱসায়ৰ স্থান আছে।

(৪) উপধাৰা (২)ৰ উপবন্ধাৱলী প্ৰয়োগ হ'ব য'ত কম্পিউটাৰ সম্পদা অৱস্থিত স্থান থকা সত্ত্বেও, সেই স্থানৰ পৰা পৃথক হব পাৰে য'ত ইলেকট্ৰ'নিক অভিলেখ উপধাৰা (৩)ৰ অধীনত গ্ৰহণ কৰা বুলি গণ্য কৰা হয়,

(৫) এই ধাৰাৰ প্ৰয়োজনাৰ্থে —

(ক) যদিহে আদিকৰ্ত্তা বা সম্বোধিতীৰ এখনতকৈ অধিক ব্যৱসায়ৰ স্থান আছে, ব্যৱসায়ৰ মূল স্থানক ব্যৱসায়ৰ স্থান বুলি গণ্য কৰা হ'ব ;

(খ) যদিহে আদিকৰ্ত্তা বা সম্বোধিতীৰ ব্যৱসায়ৰ কোনো স্থান নাথাকে, তেওঁৰ বসবাসৰ সচৰাচৰ স্থানক ব্যৱসায়ৰ স্থান বুলি গণ্য কৰা হ'ব ;

(গ) নিগমিত নিকায়ৰ সম্বন্ধত ''বসবাসৰ সচৰাচৰ স্থান'' মানে এনে স্থান য'ত ইয়াৰ পঞ্জীভুক্ত কৰা হৈছে।

## অধ্যায় - ৫

## সুনিশ্চিত ইলেকট্ৰ'নিক অভিলেখ আৰু সুনিশ্চিত [১][ইলেকট্ৰ'নিক চিগনেছাৰ]

**ইলেকট্ৰ'নিক অভিলেখ ৰক্ষা কৰা।**

১৪। য'ত কোনো সুৰক্ষা প্ৰক্ৰিয়া এটা বিনিৰ্দ্দিষ্ট সময়ত এটা ইলেকট্ৰ'নিক অভিলেখত প্ৰয়োগ হয়, তেতিয়া এনে অভিলেখক এনে নিৰ্দ্দিষ্ট সময়ৰ পৰা প্ৰমাণীকৰণৰ সময়লৈ সুনিশ্চিত ইলেকট্ৰ'নিক অভিলেখ বুলি গণ্য কৰা হ'ব।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিস্থাপিত।

**সুনিশ্চিত ইলেকট্ৰ'নিক চিগনেছাৰ ।** ১৫। [1][এটা ইলেকট্ৰ'নিক চিগনেছাৰ এটা সুনিশ্চিত ইলেকট্ৰ'নিক চিগনেছাৰ বুলি গণ্য হ'ব, যদিহে —

(i) যদিহে স্বাক্ষৰ উদ্ভাৱন কৰা ডাটা স্বাক্ষৰ সংযোজিত কৰা সময়ত কেৱল মাত্ৰ স্বাক্ষৰকাৰীৰ অনন্য নিয়ন্ত্ৰণাধীনত আছিল আৰু আন কোনো ব্যক্তিৰ অধীনত নহয় ; আৰু

(ii) স্বাক্ষৰ উদ্ভাৱন কৰা ডাটা বিহিত কৰা এনে অনন্য ৰীতিত সংগৃহীত আৰু সংযোজিত কৰা হৈছিল ।

**স্পষ্টীকৰণ** ——ডিজিটেল চিগনেছাৰৰ ক্ষেত্ৰত "স্বাক্ষৰ উদ্ভাৱক ডাটা" মানে গ্ৰাহকৰ ব্যক্তিগত নিয়ন্ত্ৰণ ।

**সুৰক্ষা প্ৰক্ৰিয়া আৰু প্ৰয়োগ।** ১৬। কেন্দ্ৰীয় চৰকাৰে ধাৰা ১৪ আৰু ১৫ৰ প্ৰয়োজনাৰ্থে সুৰক্ষা প্ৰক্ৰিয়া আৰু প্ৰয়োগ বিহিত কৰিব পাৰে ঃ

পৰন্তু এনে সুৰক্ষা প্ৰক্ৰিয়া আৰু প্ৰয়োগ বিহিত কৰাত কেন্দ্ৰীয় চৰকাৰে ব্যৱসায়িক পৰিস্থিতি, সংব্যৱহাৰৰ প্ৰকৃতি আৰু এনে আন সম্বন্ধিত বিষয়বোৰক অৱধানত ৰাখিব যেনেদৰে ই সমুচিত বিবেচনা কৰে ।]

## অধ্যায় - ৬
## প্ৰমাণ কৰা প্ৰাধিকাৰীৰ বিনিয়ম

**নিয়ন্ত্ৰক আৰু আন পদাধিকাৰীৰ নিযুক্তি ।** ১৭। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, প্ৰমাণ কৰা প্ৰাধিকাৰীৰ এজন নিয়ন্ত্ৰকক নিয়োগ কৰিব পাৰে আৰু এনে বা পশ্চাৎৱৰ্ত্তী অধিসূচনাৰ দ্বাৰা ই, উচিত বিবেচনা কৰা দৰে এনে সংখ্যাক উপনিয়ন্ত্ৰক, [2][সহকাৰী নিয়ন্ত্ৰক, আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দক] নিয়োগ কৰিব পাৰে।

(২) নিয়ন্ত্ৰকে, কেন্দ্ৰীয় চৰকাৰৰ সাধাৰণ নিয়ন্ত্ৰন আৰু নিৰ্দ্দেশাৱলীৰ সাপেক্ষে এই অধিনিয়মৰ অধীনত তেওঁৰ কৰ্ত্তব্য নিৰ্বহন কৰিব।

(৩) উপ-নিয়ন্ত্ৰক আৰু সহকাৰী নিয়ন্ত্ৰকে, নিয়ন্ত্ৰকৰ সাধাৰণ অধীক্ষণ আৰু নিয়ন্ত্ৰনৰ অধীনত, নিয়ন্ত্ৰকৰ দ্বাৰা তেওঁলোকলৈ আৰোপিত কৃত্যসমূহ সম্পাদন কৰিব।

(৪) নিয়ন্ত্ৰক, উপ-নিয়ন্ত্ৰক, [2][সহকাৰী নিয়ন্ত্ৰক, আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ] ৰ সেৱাৰ অৰ্হতা, অভিজ্ঞতা আৰু পদাৱধি আৰু চৰ্ত্তাৱলী, কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে হ'ব।

(৫) নিয়ন্ত্ৰকৰ মুখ্য কাৰ্য্যালয় আৰু শাখা কাৰ্য্যালয় কেন্দ্ৰীয় চৰকাৰে বিনিৰ্দ্দিষ্ট কৰা দৰে এনে স্থানত থাকিব আৰু এইবোৰ, কেন্দ্ৰীয় চৰকাৰে উচিত বুলি ভবাৰ দৰে এনে স্থানসমূহত স্থাপিত হ'ব।

(৬) ইয়াত নিয়ন্ত্ৰকৰ কাৰ্য্যালয়ৰ এটা চাব মোহৰ থাকিব।

**নিয়ন্ত্ৰকৰ কৃত্যসমূহ।** ১৮। নিয়ন্ত্ৰকে নিম্নলিখিত কৃত্যসমূহৰ সকলো বা যি কোনোটো সম্পাদন কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) প্ৰমাণ কৰা প্ৰাধিকাৰীৰ কাৰ্য্য কলাপৰ ওপৰত অধীক্ষকতা প্ৰয়োগ কৰি ;

(খ) প্ৰমাণ কৰা প্ৰাধিকাৰীৰ ৰাজহুৱা ব্যৱস্থা প্ৰমাণ কৰি ;

(গ) প্ৰমাণ কৰা প্ৰাধিকাৰীৰ দ্বাৰা পৰিচালিত কৰিবলগীয়া মানদণ্ড স্থিৰ কৰি ;

(ঘ) প্ৰমাণ কৰা প্ৰাধিকাৰীৰ কৰ্ম্মচাৰীসকলৰ থাকিবলগীয়া অৰ্হতাসমূহ আৰু অভিজ্ঞতা বিনিৰ্দ্দিষ্ট কৰি ;

(ঙ) চৰ্ত্তবোৰ বিনিৰ্দ্দিষ্ট কৰি যিবোৰৰ সাপেক্ষে প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে তেওঁলোকৰ ব্যৱস্থা চলাব ;

(চ) লিখা, ছপা কৰা বা দ্ৰষ্টব্য সামগ্ৰী আৰু বিজ্ঞাপনবোৰ বিনিৰ্দ্দিষ্ট কৰি যিবোৰ [3][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণ পত্ৰ আৰু ৰাজহুৱা ব্যৱস্থাৰ ক্ষেত্ৰত বিতৰণ বা ব্যৱহাৰ কৰিব পাৰি ;

(ছ) [3][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণ পত্ৰ আৰু ব্যৱস্থাৰ প্ৰপত্ৰ আৰু অন্তৰ্বস্তু বিনিৰ্দ্দিষ্ট কৰি ;

(জ) প্ৰপত্ৰ আৰু ৰীতি বিনিৰ্দ্দিষ্ট কৰি যিবোৰত হিচাপবোৰ প্ৰমাণ কৰা প্ৰাধিকাৰীৰ দ্বাৰা সংৰক্ষিত কৰা হয় ;

(ঝ) নিৰন্ধন আৰু চৰ্ত্তবোৰ বিনিৰ্দ্দিষ্ট কৰি যিবোৰৰ সাপেক্ষে হিচাপ পৰীক্ষক নিয়োগ কৰা হয় আৰু তেওঁলোকক পাৰিশ্ৰমিক আদায় দিয়া হয় ;

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ১১ৰ দ্বাৰা প্ৰতিস্থাপিত।
২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ১২ৰ দ্বাৰা প্ৰতিস্থাপিত।
৩। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিস্থাপিত।

(ঞ) আন প্ৰমাণ কৰা প্ৰাধিকাৰীৰ সৈতে অকলে বা যৌথভাৱে এজন প্ৰমাণ কৰা প্ৰাধিকাৰীৰ দ্বাৰা কোনো ইলেকট্ৰ'নিক পদ্ধতিৰ আৰু এনে পদ্ধতিৰ বিনিয়ম স্থাপন সুবিধাজনক কৰি ;

(ট) ৰীতি বিনিৰ্দ্দিষ্ট কৰি যিটোত প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, গ্ৰাহকৰ সৈতে তেওঁলোকৰ ব্যৱসায় চালনা কৰিব ;

(ঠ) প্ৰমাণ কৰা প্ৰাধিকাৰী আৰু গ্ৰাহকসকলৰ মাজত স্বাৰ্থৰ কোনো সংঘৰ্ষ সমাধা কৰি ;

(ড) প্ৰমাণ কৰা প্ৰাধিকাৰীৰ কৰ্ত্তব্যসমূহৰ প্ৰণয়ন কৰি ;

(ঢ) বিনিয়মসমূহৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সবিশেষ থকা প্ৰত্যেক প্ৰমাণ কৰা প্ৰাধিকাৰীৰ অভিলেখ প্ৰকটন থকা ডাটাৰ ভিত্তি পৰিচালনা কৰি, যিটো জনসাধাৰণৰ বাবে সহজলভ্য হয় ।

**বিদেশী প্ৰমাণ কৰা প্ৰাধিকাৰীৰ স্বীকৃতি ।**

১৯। (১) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে চৰ্ত্তাৱলী আৰু নিৰ্বন্ধনসমূহৰ সাপেক্ষে, নিয়ন্ত্ৰকে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন সহ, আৰু চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে কোনো বিদেশী প্ৰমাণ কৰা প্ৰাধিকাৰীক এজন প্ৰমাণ কৰা প্ৰাধিকাৰী ৰূপে স্বীকৃতি দিব ।

(২) য'ত কোনো প্ৰমাণ কৰা প্ৰাধিকাৰীক উপধাৰা (১)ৰ অধীনত স্বীকৃত কৰা হয়, এনে প্ৰমাণ কৰা প্ৰাধিকাৰীৰ দ্বাৰা জাৰি কৰা [1][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ খন, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে বৈধ হ'ব ।

(৩)কোনো প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, যদি তেওঁ সন্তুষ্ট হয় যে চৰ্ত্তাৱলী আৰু নিৰ্বন্ধন সমূহৰ যিকোনোটো উলংঘন কৰিছে, যিবোৰৰ সাপেক্ষে উপধাৰা (১)ৰ অধীনত ইয়াৰ স্বীকৃতি মঞ্জুৰ কৰা হৈছিল, তেওঁ লিখিতভাৱে, অভিলেখিত হ'ব লগা কাৰণবোৰৰ বাবে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এনে স্বীকৃতি নাকচ কৰিব পাৰে ।

২০। [2][X X X X X X X]

**[1][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ জাৰি কৰিবলৈ অনুজ্ঞাপত্ৰ ।**

২১। (১) উপধাৰা (২) ৰ উপবন্ধাৱলীৰ সাপেক্ষে, যিকোনো ব্যক্তিয়ে [1][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ জাৰি কৰিবলৈ এখন অনুজ্ঞাপত্ৰৰ বাবে, নিয়ন্ত্ৰকলৈ আবেদন কৰিব পাৰে ।

(২) উপধাৰা(১)ৰ অধীনত কোনো অনুজ্ঞাপত্ৰ জাৰি কৰা নহব যদিহে আবেদনকাৰীয়ে অৰ্হতা, দক্ষতা, মানৱশক্তি, বিত্তীয় সাধন আৰু আন বুনিয়াদি সা-সুবিধাবোৰৰ ক্ষেত্ৰত এনে অপেক্ষাকৰণবোৰ পৰিপূৰণ নকৰে যিবোৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে [1][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ জাৰি কৰিবলৈ আৱশ্যকীয় ।

(৩) এই ধাৰাৰ অধীনত মঞ্জুৰ কৰা কোনো অনুজ্ঞাপত্ৰ —

(ক) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে অৱধিৰ বাবে বৈধ হ'ব ;

(খ) ই অন্তৰণযোগ্য বা বংশানুক্ৰমিক নহব ;

(গ) বিনিয়মাৱলীৰ দ্বাৰা বিহিত কৰা দৰে এনে অৱধি আৰু চৰ্ত্তাৱলীৰ সাপেক্ষে হ'ব ।

**অনুজ্ঞাপত্ৰৰ বাবে অবেদন ।**

২২। (১) এখন অনুজ্ঞাপত্ৰ জাৰিৰ বাবে কৰা প্ৰত্যেক আবেদন কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে প্ৰপত্ৰত হ'ব ।

(২) কোনো অনুজ্ঞাপত্ৰৰ জাৰিৰ বাবে কৰা প্ৰত্যেক আবেদনত নিম্নলিখিতসমূহ থাকিব লাগিব —

(ক) এখন প্ৰমাণীকৰণ ব্যৱসায় বিবৃতি ;

(খ) আবেদনকাৰীৰ পৰিচয় সম্পৰ্কে প্ৰক্ৰিয়াবোৰ অন্তৰ্ভুক্ত কৰি এটা বিবৃতি ;

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে পঁচিশ হেজাৰ টকাতকৈ বেছি নোহোৱা এনে মাচুলৰ আদায় ;

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে আন দস্তাৱেজসমূহ ।

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিস্থাপিত ।

২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ১৩ৰ দ্বাৰা লোপ কৰা হৈছে ।

**অনুজ্ঞাপত্ৰৰ নবীকৰণ।**

২৩। এখন অনুজ্ঞাপত্ৰৰ নবীকৰণৰ বাবে কৰা এখন আবেদন ——

(ক) এনে প্ৰপত্ৰত হ'ব ;

(খ) পাঁচ হেজাৰ টকাৰ অধিক নোহোৱাকৈ এনে মাচুল সহ দিয়া হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে বিহিত কৰে আৰু অনুজ্ঞাপত্ৰৰ বৈধতাৰ অৱধিৰ অৱসানৰ তাৰিখৰ পূৰ্বে পঞ্চল্লিশ দিনৰ কম নোহোৱাকৈ কৰা হ'ব।

**অনুজ্ঞাপত্ৰৰ মঞ্জুৰ বা অগ্ৰাহ্যৰ প্ৰক্ৰিয়া।**

২৪। নিয়ন্ত্ৰকে, ধাৰা ২১ৰ উপধাৰা (১)ৰ অধীনত এখন আবেদন প্ৰাপ্তিত আবেদনৰ লগত দিয়া দস্তাৱেজ আৰু এনে আন হেতু বিবেচনা কৰাৰ পিচত তেওঁ উচিত বুলি ভবা দৰে অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰিব পাৰে বা আবেদনখন অগ্ৰাহ্য কৰিব পাৰে ঃ

পৰন্তু কোনো আবেদন এই ধাৰাৰ অধীনত অগ্ৰাহ্য কৰা নহব যদিহে আবেদনকাৰীক তেওঁৰ গোচৰ নিবেদন কৰাৰ যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

**অনুজ্ঞাপত্ৰৰ স্থগন।**

২৫। (১) নিয়ন্ত্ৰকে, এনে এটা তদন্ত কৰাৰ পিছত যদিহে তেওঁ সন্তুষ্ট হয়, তেওঁ উচিত বুলি ভবা দৰে যে প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে ——

(ক) এখন অনুজ্ঞাপত্ৰৰ জাৰি বা নবীকৰণৰ বাবে আবেদনখনত বা ইয়াৰ সম্বন্ধত এটা বিবৃতি দিছে, যিটো বাস্তৱিক সবিশেষবোৰত অশুদ্ধ বা মিথ্যা ;

(খ) নিবন্ধন আৰু চৰ্তাৱলী অনুপালন কৰিবলৈ অসফল হৈছে যিবোৰৰ সাপেক্ষে অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰা হৈছে ;

(গ) ধাৰা ২০ৰ উপধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা মানকসমূহ পৰিচালনা কৰিবলৈ অসফল হৈছে ;

(ঘ) অধিনিয়ম, নিয়ম, বিনিয়ম বা ইয়াৰ অধীনত প্ৰণয়ন কৰা আদেশসমূহৰ যিকোনো উপবন্ধাৱলী উলংঘন কৰিছে ;

অনুজ্ঞাপত্ৰ প্ৰত্যাহাৰ কৰিব পাৰে ঃ

পৰন্তু কোনো অনুজ্ঞাপত্ৰ প্ৰত্যাহাৰ কৰা নহব যদিহে প্ৰমাণ কৰা প্ৰাধিকাৰীক প্ৰস্তাৱিত প্ৰত্যাহাৰৰ বিৰুদ্ধে কাৰণ দেখুওঁৱাৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

(২) নিয়ন্ত্ৰকে, যদিহে তেওঁৰ বিশ্বাস কৰিবলৈ যুক্তিসঙ্গত কাৰণ থাকে যে, উপধাৰা (১)ৰ অধীনত এখন অনুজ্ঞাপত্ৰ প্ৰত্যাহাৰকৰণৰ বাবে কোনো আধাৰ থাকে, আদেশৰ দ্বাৰা তেওঁৰ দ্বাৰা আদিষ্ট কোনো তদন্তৰ সমাপ্তিকৰণক লম্বিত ৰখা এনে অনুজ্ঞাপত্ৰ স্থগিত কৰিব পাৰে ঃ

পৰন্তু কোনো অনুজ্ঞাপত্ৰ, দহ দিনৰ অধিক অৱধিৰ বাবে স্থগিত কৰা নহব যদিহে প্ৰমাণ কৰা, প্ৰধিকাৰীক এনে প্ৰস্তাৱিত স্থগনৰ বিৰুদ্ধে কাৰণ দেখুওৱাৰ যুক্তি সঙ্গত সুযোগ দিয়া নহয়।

(৩) কোনো প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে যাৰ অনুজ্ঞাপত্ৰ স্থগিত কৰা হৈছে, এনে স্থগনৰ কালছোৱাত [১][ ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণ পত্ৰ জাৰি কৰিব।

**অনুজ্ঞাপত্ৰৰ স্থগন বা প্ৰত্যাহাৰ কৰণৰ জাননী।**

২৬। (১) য'ত প্ৰমাণ কৰা প্ৰাধিকাৰীৰ অনুজ্ঞাপত্ৰ স্থগন বা প্ৰত্যাহাৰ কৰা হয়, নিয়ন্ত্ৰকে তেওঁৰ দ্বাৰা পৰিচালিত ডাটাৰ ভিত্তিত এনে স্থগন বা যথাস্থিতি প্ৰত্যাহাৰকৰণৰ জাননী প্ৰকাশ কৰিব।

(২) য'ত এক বা ততোধিক বিশ্বস্ত ব্যক্তিক বিনিৰ্দ্দিষ্ট কৰা হয়, নিয়ন্ত্ৰকে, এনে সকলো বিশ্বস্ত ব্যক্তিক এনে স্থগন বা যথাস্থিতি প্ৰত্যাহাৰকৰণৰ জাননীসমূহ প্ৰকাশ কৰিব ঃ

পৰন্তু ডাটাৰ ভিত্তি থকা এনে স্থগন বা যথাস্থিতি প্ৰত্যাহাৰৰ জাননী এটা ৱেবছাইটৰ জৰিয়তে সহজলভ্য হ'ব যিটো সময়ৰ পূৰ্বাঙ্কন প্ৰাপ্য হ'ব ঃ

উপৰন্তু নিয়ন্ত্ৰকে, যদিহে তেওঁ আৱশ্যক বোধ কৰে, তেওঁ সমুচিত বিবেচনা কৰা দৰে এনে ইলেকট্ৰ'নিক বা আন মাধ্যমত ডাটাৰ ভিত্তিৰ অন্তৰ্বস্তুবোৰ প্ৰকাশ কৰিব পাৰে।

**প্ৰত্যাযোজন কৰিবলৈ ক্ষমতা।**

২৭। নিয়ন্ত্ৰকে, লিখিতভাৱে, এই অধিনিয়মৰ অধীনত নিয়ন্ত্ৰকৰ ক্ষমতাসমূহৰ যিকোনোটো কাৰ্য্যকৰী কৰিবলৈ উপ নিয়ন্ত্ৰক, সহকাৰী নিয়ন্ত্ৰক বা কোনো পদাধিকাৰীক প্ৰাধিকৃত কৰিব পাৰে।

**উলঙ্ঘনসমূহ অনুসন্ধান কৰিবলৈ ক্ষমতা।**

২৮। (১) নিয়ন্ত্ৰক বা এই মৰ্ম্মে তেওঁৰ দ্বাৰা প্ৰাধিকৃত কোনো পদাধিকাৰীয়ে তাৰ অধীনত প্ৰণীত অধিনিয়মৰ, নিয়ম বা বিনিয়মাৱলীৰ কোনো উলঙ্ঘনৰ অনুসন্ধানৰ বাবে ব্যৱস্থা কৰিব।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

১৯৬১ৰ ৪৩ (২) নিয়ন্ত্ৰক বা এই মৰ্মে তেওঁৰ দ্বাৰা প্ৰাধিকৃত আন পদাধিকাৰীয়ে সদৃশ ক্ষমতা কাৰ্য্যকৰী কৰিব যিটো আয় কৰ অধিনিয়ম, ১৯৬১ৰ অধ্যায় ১৩ৰ অধীনত আয় কৰ প্ৰাধিকাৰীৰ ওপৰত অৰ্পন কৰা হৈছে আৰু সেই অধিনিয়মৰ অধীনত প্ৰণীত এনে পৰিসীমাবোৰৰ সাপেক্ষে এনে ক্ষমতাৱলী প্ৰয়োগ কৰিব।

কম্পিউটাৰ আৰু ডাটাবোৰলৈ প্ৰৱেশাধিকাৰ।

২৯। (১) ধাৰা ৬৯ৰ উপধাৰা (১)ৰ উপবন্ধাৱলীৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ নিয়ন্ত্ৰক বা তেওঁৰ দ্বাৰা প্ৰাধিকৃত ব্যক্তি যদিহে তেওঁৰ সন্দেহ কৰিবলৈ যুক্তিসঙ্গত কাৰণ থাকে, যে [1][এই অধ্যায়ৰ উপৰন্ধাৱলীৰ কোনো উলঙ্ঘন] কৰা হৈছে, এনে কম্পিউটাৰ পদ্ধতিত থকা বা ইয়ালৈ সহজলভ্য হোৱা কোনো তথ্য বা ডাটা লাভ কৰাৰ বাবে কৰিবলগীয়া তালচী বা তালচী কৰাৰ প্ৰয়োজনাৰ্থে এনে পদ্ধতিৰ সৈতে জড়িত কোনো কম্পিউটাৰ পদ্ধতি, কোনো সা-সজুলী, ডাটা বা কোনো আন সামগ্ৰীলৈ প্ৰৱেশাধিকাৰ থাকিব।

(২) উপধাৰা (১)ৰ প্ৰয়োজনাৰ্থে, নিয়ন্ত্ৰক বা তেওঁৰ দ্বাৰা প্ৰাধিকৃত কোনো ব্যক্তিয়ে আদেশৰ দ্বাৰা, তেওঁ আৱশ্যক বুলি বিবেচনা কৰা দৰে এনে যুক্তিসঙ্গত কাৰিকৰী জ্ঞান আৰু আন সহায়তা তেওঁক উপবন্ধিত কৰিবলৈ, কম্পিউটাৰ পদ্ধতি, ডাটা, সা-সজুলী বা সামগ্ৰীৰ প্ৰৱৰ্ত্তনৰ সৈতে জড়িত ভাৰপ্ৰাপ্ত কোনো ব্যক্তিক বা অন্যথা নিৰ্দ্দেশ দিব পাৰে।

প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে কেতবোৰ পদ্ধতি অনুসৰণ কৰিব।

৩০। প্ৰত্যেক প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, ——

(ক) হাৰ্ডওৱেৰ, ছফ্‌টৱেৰ আৰু প্ৰক্ৰিয়াবোৰৰ ব্যৱহাৰ কৰিব যিবোৰ অতিক্ৰম বা অপব্যৱহাৰৰ পৰা সুৰক্ষিত হয়;

(খ) ইয়াৰ সেৱাসমূহত বিশ্বাসযোগ্যতাৰ যুক্তিসঙ্গত স্তৰৰ উপবন্ধ কৰিব যিবোৰ অভিপ্ৰেত কৃত্যসমূহৰ সম্পাদনলৈ যুক্তিসঙ্গত ভাৱে যথোচিত হয়;

(গ) সুৰক্ষা প্ৰক্ৰিয়াই বিশ্বস্ততা ৰাখিব যে [2][ইলেকট্ৰ'নিক চিগনেছাৰ]ৰ গোপনীয়তা আৰু একান্ততা সুনিশ্চিত কৰা হৈছে; [3][X X X]

[4][(গক) এই অধিনিয়মৰ অধীনত জাৰি কৰা সকলো ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰৰ বিশ্বস্ত লোক হ'ব;

(গখ) ইয়াৰ প্ৰয়োগ, ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ আৰু এনে প্ৰমাণপত্ৰৰ বৰ্তমান স্থিতিৰ সম্পৰ্কে তথ্য প্ৰকাশ কৰিব; আৰু]

(ঘ) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে আন মানক পৰ্যবেক্ষন কৰিব।

প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে এই অধিনিয়ম, ইত্যাদিৰ অনুপালন সুনিশ্চিত কৰিব।

৩১। প্ৰত্যেক প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে সুনিশ্চিত কৰিব যে ইয়াৰ দ্বাৰা নিয়োজিত বা অন্যথা নিয়োগ কৰা প্ৰত্যেক ব্যক্তিয়ে, তেওঁলোকৰ নিয়োজন বা নিযুক্তিৰ ক্ৰমত এই অধিনিয়মৰ উপবন্ধ, নিয়ম, বিনিয়মাৱলীৰ আৰু ইয়াৰ অধীনত প্ৰণীত আদেশ অনুপালন কৰে।

অনুজ্ঞাপত্ৰৰ প্ৰদৰ্শন।

৩২। প্ৰত্যেক প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে প্ৰাঙ্গনৰ কোনো সহজদৃশ্য স্থানত ইয়াৰ অনুজ্ঞাপত্ৰ প্ৰদৰ্শন কৰিব।

অনুজ্ঞাপত্ৰৰ সমৰ্পণ।

৩৩। (১) অনুজ্ঞাপত্ৰৰ স্থগন বা প্ৰত্যাহাৰ হোৱা প্ৰত্যেকজন প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, এনে স্থগন আৰু প্ৰত্যাহাৰকৰণৰ পিছত, নিয়ন্ত্ৰকলৈ অনুজ্ঞাপত্ৰ সমৰ্পন কৰিব।

(২) য'ত কোনো প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে উপধাৰা (১)ৰ অধীনত এখন অনুজ্ঞাপত্ৰ সমৰ্পণ কৰিবলৈ অসফল হয়, যাৰ পক্ষত এখন অনুজ্ঞাপত্ৰ জাৰি কৰা হৈছে, এটা অপৰাধৰ বাবে দোষী হ'ব, আৰু তেওঁ এটা কাৰাবাসেৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যিটো দহ হেজাৰ টকালৈ বিস্তাৰিত হ'ব পাৰে বা উভয়েৰে দণ্ডিত হ'ব।

প্ৰকটন।

৩৪। (১) প্ৰত্যেক প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, নিম্নলিখিত বিষয়সমূহক বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা ৰীতিত প্ৰকট কৰিব ——

(ক) ইয়াৰ [1][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণ পত্ৰ [5][X X X];

(খ) ইয়াৰ সৈতে সুসঙ্গত কোনো প্ৰমাণীকৰণ ব্যৱসায় বিবৃতি;

(গ) ইয়াৰ প্ৰমাণ কৰা প্ৰাধিকাৰীৰ প্ৰমাণপত্ৰ, যদি কিবা থাকে, প্ৰত্যাহাৰ বা স্থগনৰ জাননী; আৰু

(ঘ) আন কোনো তথ্য যিটো প্ৰাধিকাৰীয়ে জাৰি কৰা এখন [1][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰৰ বিশ্বাসযোগ্যতা বা ইয়াৰ সেৱাসমূহ সম্পাদন কৰিবলৈ প্ৰাধিকাৰীৰ সামৰ্থ্যক তাত্ত্বিকভাৱে আৰু প্ৰতিকূলভাৱে প্ৰভাৱিত কৰে।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ১৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৩। একে অধিনিয়মৰ ধাৰা ১৫ৰ দ্বাৰা লোপ কৰা হৈছে।
৪। একে অধিনিয়মৰ ধাৰা ১৫ৰ দ্বাৰা অন্তঃস্থাপিত।
৫। একে অধিনিয়মৰ ধাৰা ১৬ৰ দ্বাৰা লোপ কৰা হৈছে।

(২) য'ত কোনো প্ৰমাণ কৰা প্ৰাধিকাৰীৰ মতত কোনো এটা ঘটনা সংঘটিত হয় বা কোনো পৰিস্থিতিৰ উদ্ভৱ হয়, যিটোয়ে ইয়াৰ কম্পিউটাৰ পদ্ধতিৰ একীকৰণক তাত্ত্বিক বা প্ৰতিকূলভাৱে প্ৰভাৱিত কৰিব পাৰে বা চৰ্তাৱলী যিবোৰৰ পক্ষত [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ মঞ্জুৰ কৰা হৈছিল, তেতিয়া প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে —

(ক) কোনো ব্যক্তিক সূচিত কৰিবলৈ যুক্তিসঙ্গত যত্ন কৰিব যিজন ব্যক্তি সেই ঘটনাৰ দ্বাৰা প্ৰভাৱিত হয়।

(খ) এনে ঘটনা বা পৰিস্থিতিৰ সৈতে সংব্যৱহাৰ কৰিবলৈ ইয়াৰ প্ৰমাণীকৰণ ব্যৱসায় বিবৃতিত বিনিৰ্দ্দিষ্ট প্ৰক্ৰিয়া অনুসাৰে কাৰ্য্য কৰিব।

## অধ্যায় - ৭

### [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ

**প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ জাৰি কৰিব।**

৩৫। (১) কোনো ব্যক্তিয়ে, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে প্ৰপত্ৰত এখন [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণ পত্ৰৰ জাৰিকৰণৰ বাবে প্ৰমাণ কৰা প্ৰাধিকাৰীলৈ এখন আবেদন কৰিব পাৰে।

(২) এনে প্ৰত্যেক আবেদনৰ লগত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে পঁচিশ হেজাৰ টকাৰ অনধিক এনে মাচুল প্ৰমাণ কৰা প্ৰাধিকাৰীক দিব ঃ

পৰন্তু যেতিয়া উপধাৰা (২)ৰ অধীনত মাচুল বিহিত কৰি থকা হয়, বিভিন্ন শ্ৰেণীৰ আবেদনকাৰীৰ বাবে বিভিন্ন মাচুল বিহিত কৰিব পাৰে।

(৩) এনে প্ৰত্যেক আবেদন এখন প্ৰমাণীকৰণ ব্যৱসায় বিবৃতি সহ দিব বা য'ত কোনো বিবৃতি নাই, বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সবিশেষ অন্তৰ্বিষ্ট কৰি দিব।

(৪) উপধাৰা (১)ৰ অধীনত এখন আবেদন প্ৰাপ্তিত প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, প্ৰমাণীকৰণ ব্যৱসায় বিবৃতিৰ বা উপধাৰা (৩)ৰ অধীনত থকা আন বিবৃতি বিবেচনা কৰাৰ পিছত আৰু এনে তদন্ত কৰাৰ পিছত, তেওঁ উচিত বিবেচনা কৰি, ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰ মঞ্জুৰ কৰিব পাৰে বা লিখিতভাৱে অভিলিখিত হবলগীয়া কাৰণসমূহৰ বাবে আবেদন অগ্ৰাহ্য কৰিব পাৰে ঃ

[২][X X X]

(ক) [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰত তালিকাভুক্ত হবলগীয়া ৰাজহুৱা ব্যৱস্থাৰ তদনুৰূপ ব্যক্তিগত ব্যৱস্থা আবেদনকাৰীয়ে ধাৰণ কৰে;

(খ) আবেদনকাৰীয়ে ব্যক্তিগত ব্যৱস্থা ধাৰণ কৰে, যিটো এটা [১][ইলেকট্ৰ'নিক চিগনেছাৰ] সৃষ্টি কৰাৰ বাবে সমৰ্থবান হয়;

(গ) প্ৰমাণপত্ৰত তালিকাভুক্ত হবলগীয়া ৰাজহুৱা ব্যৱস্থা আবেদনকাৰীৰ দ্বাৰা হস্তগত কৰা ব্যক্তিগত ব্যৱস্থাৰ দ্বাৰা সংযোজিত এটা [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণ কৰিবলৈ ব্যৱহৃত হ'ব পাৰে ঃ

[৩][পৰন্তু] কোনো আবেদন অগ্ৰাহ্য কৰা নহব যদিহে আবেদনকাৰীক প্ৰস্তাৱিত অগ্ৰাহ্যকৰণৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

**ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ জাৰিকৰণৰ ওপৰত প্ৰতিবেদন।**

৩৬। এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ জাৰি কৰা এজন প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে প্ৰমাণ কৰিব যে —

(ক) ই, এই অধিনিয়মৰ উপবন্ধাৱলীৰ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়ম আৰু বিনিয়মাৱলী অনুপালন কৰিছে;

(খ) ই, ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ প্ৰকাশিত কৰিছে বা অন্যথা ইয়াত বিশ্বাস কৰা এনে ব্যক্তিলৈ ইয়াক সহজলভ্য কৰিছে আৰু গ্ৰাহকে ইয়াক গ্ৰহণ কৰিছে;

(গ) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ, তালিকাভুক্ত ৰাজহুৱা ব্যৱস্থা তদনুৰূপ ব্যক্তিগত ব্যৱস্থা গ্ৰাহকে ধাৰণ কৰে;

[৪][(গক) গ্ৰাহকে ব্যক্তিগত ব্যৱস্থাত ৰাখে যিয়ে এটা ডিজিটেল চিগনেছাৰ উদ্ভাৱনৰ বাবে সমৰ্থবান হয়,

(গখ) প্ৰমাণপত্ৰত তালিকাভুক্ত কৰিবলগীয়া ৰাজহুৱা ব্যৱস্থাক গ্ৰাহকৰ দ্বাৰা ধাৰণ কৰা ব্যক্তিগত ব্যৱস্থাৰ দ্বাৰা সংযোজিত এটা ডিজিটেল চিগনেছাৰ পৰীক্ষা কৰিবলৈ, ব্যৱহাৰ কৰিব পাৰে;]

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। একে অধিনিয়মৰ ধাৰা ১৭ৰ দ্বাৰা লোপ কৰা হৈছে।
৩। একে অধিনিয়মৰ ধাৰা ১৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৪। একে অধিনিয়মৰ ধাৰা ১৮ৰ দ্বাৰা অন্তঃস্থাপিত।

(ঘ) গ্ৰাহকৰ স্বাক্ষৰা ব্যৱস্থা আৰু ব্যক্তিগত ব্যৱস্থাই এটা সক্ৰিয় ব্যৱস্থা যুগল গঠন কৰে ;

(ঙ) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত থকা তথ্য যথাৰ্থ হয় ; আৰু

(চ) ইয়াৰ কোনো তাত্ত্বিক তথ্যৰ জ্ঞান নাই যিটো যদিহে ই, ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত অন্তৰ্ভুক্ত থাকিলহেঁতেন; খণ্ড (ক)ৰ পৰা খণ্ড (ঘ)ত দিয়া প্ৰতিবেদনসমূহৰ বিশ্বাসযোগ্যতাক প্ৰতিকূলভাৱে প্ৰভাৱিত কৰিব ।

**ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ স্থগন।**

৩৭। (১) উপধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, যিয়ে এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ জাৰি কৰিছে, এনে ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ স্থগিত কৰিব পাৰে,—

(ক)(i) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত তালিকাভুক্ত গ্ৰাহকৰ পৰা ;

(ii) তেনে গ্ৰাহকৰ হকে কাৰ্য্য কৰিবলৈ সম্যকভাৱে প্ৰাধিকৃত কোনো ব্যক্তিৰ পৰা ;

সেই প্ৰভাৱলৈ এটা অনুৰোধৰ গ্ৰহণত স্থগিত কৰিব পাৰে ।

(খ) যদিহে এইটো মত হয় যে, ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ জনসাধাৰণৰ স্বাৰ্থত স্থগিত কৰা উচিত ।

(২) এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ পোন্ধৰ দিনৰ অধিক এটা অৱধিৰ বাবে স্থগিত কৰা নহব যদিহে গ্ৰাহকক এই বিষয়ত শুনানীৰ বাবে এটা সুযোগ দিয়া নহয় ।

(৩) এই ধাৰাৰ অধীনত এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ স্থগনত, প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে গ্ৰাহকলৈ একেবোৰ যোগাযোগ কৰিব ।

**ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ প্ৰত্যাহাৰ।**

৩৮। (১) এজন প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে ইয়াৰ দ্বাৰা জাৰি কৰা এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ প্ৰত্যাহাৰ কৰিব পাৰে —

(ক) য'ত গ্ৰাহক বা তেওঁৰ দ্বাৰা প্ৰাধিকৃত কোনো আন ব্যক্তিয়ে সেই প্ৰভাৱলৈ এটা অনুৰোধ কৰে ; বা

(খ) গ্ৰাহকৰ মৃত্যুৰ বাবে ; বা

(গ) ফাৰ্মৰ বিঘটন বা কোম্পানীৰ পৰিসীমাৰ পৰিসমাপনৰ বাবে য'ত গ্ৰাহকজন এখন ফাৰ্ম বা এটা কোম্পানী হয় ।

(২) উপধাৰা (৩)ৰ উপবন্ধাৱলীৰ সাপেক্ষে আৰু উপধাৰা (১)ৰ উপবন্ধাৱলীত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এজন প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, এখন ডিজিটেল চিগনেছাৰ প্ৰমাণ পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰে যিখন কোনো এটা সময়ত ইয়াৰ দ্বাৰা জাৰি কৰা হৈছে, যদিহে এইটো মত হয় যে—

(ক) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত নিবেদন কৰা এটা তাত্ত্বিক তথ্য মিথ্যা হয় বা গোপন কৰা হয় ;

(খ) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ জাৰিকৰণৰ বাবে থকা অপেক্ষাকৰণবোৰ সন্তোষজনক নহয় ;

(গ) প্ৰমাণ কৰা প্ৰাধিকাৰীৰ ব্যক্তিগত ব্যৱস্থাৰ বা সুৰক্ষা পদ্ধতি ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ বিশ্বাস যোগ্যতাক তাত্ত্বিক ৰূপে প্ৰভাৱিত কৰা ৰীতিত মীমাংসা কৰা হৈছিল ;

(ঘ) গ্ৰাহকক দেউলীয়া বা মৃত বুলি ঘোষণা কৰা হৈছে বা য'ত এজন গ্ৰাহক এখন ফাৰ্ম বা এটা কোম্পানী হয়, যিটো বিঘটিত কৰা হৈছে, পৰিসমাপিত কৰা হৈছে বা অন্যথা অবিদ্যমান হৈছে ।

(৩) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰক প্ৰত্যাহাৰ কৰা নহব যদিহে গ্ৰাহকক এই বিষয়ত শুনানীৰ বাবে এটা সুযোগ দিয়া নহয় ।

(৪) এই ধাৰাৰ অধীনত এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ প্ৰত্যাহাৰকৰণত প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে গ্ৰাহকলৈ সেই একেবোৰ যোগাযোগ কৰিব ।

**স্থগন বা প্ৰত্যাহাৰৰ জাননী।**

৩৯। (১) য'ত ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ, ধাৰা ৩৭ বা ধাৰা ৩৮ৰ অধীনত স্থগন বা প্ৰত্যাহাৰ কৰা হয়, প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, এনে জাননীৰ প্ৰকাশনৰ বাবে ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত বিনিৰ্দ্দিষ্ট কৰা বিশুস্ততাত এনে স্থগন বা যথাস্থিতি প্ৰত্যাহাৰৰ জাননী প্ৰকাশ কৰিব ।

(২) যেতিয়া এক বা ততোধিক বিশুস্তলোকক বিনিৰ্দ্দিষ্ট কৰা হয়, প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে, এনে সকলো অভিজ্ঞলোকক এনে স্থগন বা যথাস্থিতি, প্ৰত্যাহাৰৰ জাননী প্ৰকাশ কৰিব ।

তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

## অধ্যায়-৮
## গ্ৰাহকৰ কৰ্ত্তব্যসমূহ

ব্যৱস্থা যুগলৰ সৃষ্টি কৰা। ৪০। য'ত কোনো ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ যিটোৰ ৰাজহুৱা ব্যৱস্থাই সেই গ্ৰাহকৰ ব্যক্তিগত ব্যৱস্থালৈ পত্ৰ ব্যৱহাৰ কৰে, যিটো ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত তালিকাভুক্ত হ'বলগীয়া হয়, গ্ৰাহকৰ দ্বাৰা গ্ৰহণ কৰা হৈছে, তেতিয়া গ্ৰাহকে সুৰক্ষা প্ৰক্ৰিয়া প্ৰয়োগ কৰি ব্যৱস্থা যুগলৰ সৃষ্টি কৰিব।

ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰৰ গ্ৰাহকৰ কৰ্ত্তব্য। [1][৪০ক। ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰৰ ক্ষেত্ৰত গ্ৰাহকে বিহিত কৰা দৰে এনে কৰ্ত্তব্য সম্পাদন কৰিব।]

ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ গ্ৰহণ। ৪১। (১) এজন গ্ৰাহকক, এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ স্বীকাৰ কৰা বুলি গণ্য কৰা হ'ব যদিহে তেওঁ —

(ক) এক বা ততোধিক ব্যক্তিলৈ ;

(খ) কোনো এটা বিশ্বস্ততাত ; বা

অন্যথা কোনো ৰীতিত ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰৰ তেওঁৰ অনুমোদন প্ৰদৰ্শন কৰি, এখন ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ প্ৰকাশ কৰে বা প্ৰকাশন প্ৰাধিকৃত কৰে।

(২) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰ গ্ৰহণৰ দ্বাৰা গ্ৰাহকে সকলোকে প্ৰমাণিত কৰে যিসকলে ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত থকা তথ্যৰ ওপৰত যুক্তিসঙ্গতভাৱে বিশ্বাস কৰে যে —

(ক) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত তালিকাভুক্ত হোৱা ৰাজহুৱা ব্যৱস্থা যোগাযোগ কৰি ব্যক্তিগত ব্যৱস্থা গ্ৰহণ কৰে আৰু এবেকোৰ গ্ৰহণ কৰিবলৈ হ'কদাৰ হয় ;

(খ) প্ৰমাণ কৰা প্ৰাধিকাৰীলৈ গ্ৰাহকৰ দ্বাৰা দিয়া সকলোবোৰ বিৱৰণ আৰু ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত সন্নিবিষ্ট তথ্যৰ সুসঙ্গত হোৱা সকলো বিষয় সত্য ;

(গ) ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত থকা সকলো তথ্য যিটো গ্ৰাহকৰ জ্ঞানত থাকে, সেইবোৰ সত্য।

ব্যক্তিগত ব্যৱস্থাৰ নিয়ন্ত্ৰন। ৪২। (১) প্ৰত্যেক গ্ৰাহকে ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত তালিকাভুক্ত ব্যক্তিগত ব্যৱস্থা ৰাজহুৱা ব্যৱস্থালৈ পত্ৰ ব্যৱহাৰ হোৱাত নিয়ন্ত্ৰন কৰিবলৈ যুক্তিসঙ্গত সাৱধানতা কাৰ্যকৰী কৰিব আৰু গ্ৰাহকৰ ডিজিটেল চিগনেছাৰ সংযোগ কৰিবলৈ প্ৰাধিকৃত নোহোৱা কোনো ব্যক্তি লৈ ইয়াৰ প্ৰকটন বাৰণ কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

(২) যদিহে ডিজিটেল চিগনেছাৰ প্ৰমাণপত্ৰত তালিকাভুক্ত ৰাজহুৱা ব্যৱস্থাৰ পত্ৰ বিনিময় কৰা ব্যক্তিগত ব্যৱস্থা মীমাংসা কৰা হয়, তেতিয়া, গ্ৰাহকে, বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ৰীতিত প্ৰমাণ কৰা প্ৰাধিকাৰীলৈ বিলম্ব নোহোৱাকৈ সেই একেবোৰ যোগাযোগ কৰিব।

**স্পষ্টীকৰণ** —সন্দেহ দূৰীকৰণৰ বাবে, ইয়াৰ দ্বাৰা ঘোষণা কৰা হ'ল যে গ্ৰাহক দায়ী হ'ব যেতিয়ালৈকে তেওঁ, ব্যক্তিগত ব্যৱস্থাৰ মীমাংসা হোৱা বুলি প্ৰমাণ কৰা প্ৰাধিকাৰীক নজনায়।

## অধ্যায়-৯

## [2][অৰ্থ দণ্ড, ক্ষতিপূৰণ আৰু ন্যায়নিৰ্ণয়]

কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি, ইত্যাদিৰ ক্ষতিৰ বাবে [3][অৰ্থ দণ্ড আৰু ক্ষতিপূৰণ।] ৪৩। যদিহে কোনো ব্যক্তিয়ে, কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কৰ দায়িত্বত থকা মালিক বা কোনো আন ব্যক্তিৰ অনুমতি বিনা,—

(ক) এনে কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কত [4][বা কম্পিউটাৰ সম্পদ] ত, প্ৰৱেশ কৰে বা প্ৰৱেশৰ সুৰক্ষা দিয়ে ;

(খ) কোনো আতৰাৰ পৰা সংগ্ৰহ মাধ্যমত ৰখা বা জমা কৰা তথ্য বা ডাটা অন্তৰ্ভুক্ত কৰি এনে কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কৰ পৰা কোনো ডাউন লোড়চ, প্ৰতিলিপি বা কোনো ডাটাৰ উদ্ধৃতি ;

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ১৯ৰ দ্বাৰা অন্তঃস্থাপিত।

২। একে অধিনিয়মৰ ধাৰা ২০ৰ দ্বাৰা প্ৰতিস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ২১ৰ দ্বাৰা প্ৰতিস্থাপিত।

৪। একে অধিনিয়মৰ ধাৰা ২১ৰ দ্বাৰা অন্তঃস্থাপিত।

(গ) কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কত কোনো কম্পিউটাৰ সংদূষণ বা কম্পিউটাৰ ভাইৰাচ উদ্ভাৱন হয় বা উদ্ভৱন হোৱা কাৰিত হয় ;

(ঘ) এনে কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কত থকা কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্ক, ডাটা, কম্পিউটাৰ ডাটা বেচ, বা কোনো অনুষ্ঠান ক্ষতি কৰে বা ক্ষতি কৰিবলৈ কাৰিত হয় ;

(ঙ) কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্ক বিভাজন কৰে বা বিভাজন কৰিবলৈ কাৰিত কৰে ;

(চ) আন কোনো মাধ্যমৰ দ্বাৰা কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্ক লাভ কৰিবলৈ প্ৰাধিকৃত কোনো ব্যক্তিলৈ লাভ কৰাটো অস্বীকাৰ কৰে বা অস্বীকাৰ কৰা বুলি কাৰিত কৰে ;

(ছ) এই অধিনিয়মৰ, নিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত বিনিয়মাৱলীৰ উপবন্ধাৱলীৰ উলংঘনত কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কলৈ লাভ কৰাটো সুগম কৰিবলৈ কোনো ব্যক্তিলৈ কোনো সহায়তা উপবন্ধ কৰে ;

(জ) কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কত হস্তক্ষেপ কৰি বা ছলনা কৰি কোনো ব্যক্তিৰ দ্বাৰা আন ব্যক্তিৰ হিচাবলৈ উপভোগ কৰা সেৱাৰ প্ৰভাৰ দাবী কৰে ;

[1][(ঝ) এটা কম্পিউটাৰ সম্পদাত থকা কোনো তথ্য ধ্বংস কৰে, নোহোৱা কৰে বা পৰিৱৰ্তন কৰে বা ইয়াৰ মূল্য বা উপযোগিতা হ্ৰাস কৰে বা যিকোনো প্ৰকাৰে এইটো ক্ষতি কৰে ;

(ঞ) ক্ষতি কাৰিত কৰাৰ অভিপ্ৰায়েৰে এটা কম্পিউটাৰ সম্পদাৰ বাবে ব্যৱহৃত কোনো কম্পিউটাৰ সম্পদা সংকেত চুৰি কৰে, গোপন কৰে, ধ্বংস কৰে বা পৰিৱৰ্তন কৰে বা কোনো ব্যক্তিক, চুৰি কৰিবলৈ, গোপন কৰিবলৈ, ধ্বংস কৰিবলৈ বা পৰিৱৰ্তন কৰিবলৈ, কাৰিত কৰে ;]

[2][তেওঁ এনেদৰে প্ৰভাৱী হোৱা ব্যক্তিলৈ ক্ষতি পূৰণৰ মাধ্যমেৰে ক্ষতিৰ আদায় দিবলৈ হ'কদাৰ হ'ব ।]

**স্পষ্টীকৰণ** —— এই ধাৰাৰ প্ৰয়োজনাৰ্থে, ——

(i) ''কম্পিউটাৰ সংদূষণ'' মানে এনেদৰে ডিজাইন কৰা কোনো কম্পিউটাৰ অনুদেশৰ চেট্ ——

(ক) কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কত থকা অভিলেখ, ডাটা বা অনুষ্ঠান ৰূপান্তৰ, নিৰ্মূল কৰিবলৈ ; বা

(খ) কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কৰ সাধাৰণ প্ৰৱৰ্তন যিকোনো ব্যৱস্থাৰে অন্যায়ভাৱে অধিকাৰ কৰিবলৈ ;

(ii) ''কম্পিউটাৰ ডাটা ভিত্তি'' মানে তথ্য, জ্ঞান, সত্যসংবাদ, ধাৰণা বা মূল পাঠত উপদেশ, মানস চিত্ৰ, শ্ৰব্য, দৃশ্য যিবোৰ কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কৰ দ্বাৰা আনুষ্ঠানিক ৰীতিত প্ৰস্তুত হৈ আছে বা উৎপাদন কৰা হৈছে আৰু কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্কত ব্যৱহাৰৰ বাবে অভিপ্ৰেত হয় ;

(iii) ''কম্পিউটাৰ ভাইৰাচ'' মানে কোনো কম্পিউটাৰ শিক্ষণ, তথ্য, ডাটা বা অনুষ্ঠান যিবোৰ কম্পিউটাৰ সম্পদা সম্পাদনক নিৰ্মূল, অনিষ্ট, নিম্নতৰ কৰা বা প্ৰতিকূলভাৱে প্ৰভাৱিত কৰে বা আন কম্পিউটাৰ সম্পদালৈ ই নিজে সংযোজিত হয় আৰু প্ৰৱৰ্তন কৰে যেতিয়া অনুষ্ঠান, ডাটা বা অনুদেশ নিষ্পাদিত কৰা হয় বা সেই কম্পিউটাৰ সম্পদাত কেতবোৰ আন ঘটনাই স্থান পায় ;

(iv) ''ক্ষয় ক্ষতি'' মানে যি কোনো ব্যৱস্থাৰ দ্বাৰা কোনো কম্পিউটাৰ সম্পদাৰ ক্ষতি, পৰিৱৰ্তন, বিলোপ, সংযোগ, ৰূপান্তৰ বা পুনৰ ব্যৱস্থাপন কৰিবলৈ ;

[1][(v) কম্পিউটাৰ সম্পদা সংকেত'' মানে কাৰ্য্যক্ৰমনিকাৰ তালিকা কৰা, কম্পিউটাৰ কমাণ্ড নক্সা আৰু বিন্যাস আৰু যি কোনো আৰ্হিত কম্পিউটাৰ সম্পদাৰ কাৰ্য্যক্ৰমনিকাৰ বিশ্লেষণ ।]

ডাটা সংৰক্ষণ কৰাত অসফলতাৰ বাবে ক্ষতিপূৰণ ।

[3][৪৩ক। য'ত এটা নিগমিত নিকায়ে এটা কম্পিউটাৰ সম্পদা থকা কোনো অনুভূতিশীল ব্যক্তিগত ডাটা বা তথ্য অধিকাৰত ৰখাত, সংব্যৱহাৰ কৰাত বা ব্যৱহাৰ কৰাত যিটো ইয়াৰ স্বামীত্বাধীনত , নিয়ন্ত্ৰন কৰে বা প্ৰৱৰ্তন কৰে, তাত যুক্তিসঙ্গত সুৰক্ষা ব্যৱহাৰ আৰু প্ৰক্ৰিয়াৰ প্ৰয়োগ আৰু পৰিচালনাত অৱহেলা কৰে আৰু তাৰ দ্বাৰা কোনো ব্যক্তিৰ সদোষ ক্ষতি বা সদোষ লাভ কাৰিত কৰে, এনে নিগমিত নিকায়, এনেদৰে ক্ষতিগ্ৰস্ত হোৱা ব্যক্তিলৈ ক্ষতিপূৰণ ৰূপে লোকচান পূৰণ কৰিবলৈ দায়ী হ'ব।

**স্পষ্টীকৰণ** —— এই ধাৰাৰ প্ৰয়োজনাৰ্থে,——

(i) ''নিগমিত নিকায়'' মানে কোনো কোম্পানী আৰু ই বাণিজ্যিক বা ব্যৱসায়িক কাৰ্য্যকলাপৰ লগত জড়িত কোনো ফাৰ্ম, একমাত্ৰ অধিকাৰী বা ব্যক্তিৰ আন সংঘক অন্তৰ্ভুক্ত কৰে —— ;

(ii) ''যুক্তিসঙ্গত সুৰক্ষা প্ৰয়োগ আৰু প্ৰক্ৰিয়া'' মানে পক্ষসমূহৰ মাজত এটা চুক্তিত বিনিৰ্দ্দিষ্ট কৰা দৰে বা তৎসময় বলবৎ থকা কোনো বিধিত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে অপ্ৰাধিকৃত প্ৰৱেশ, ক্ষতি, ব্যৱহাৰ, পৰিৱৰ্তন, প্ৰকটকৰণ বা বাধাৰ পৰা এনে তথ্যক সুৰক্ষা দিয়াৰ উদ্দেশ্যে সুৰক্ষা প্ৰয়োগ আৰু প্ৰক্ৰিয়া আৰু এনে চুক্তি বা আন বিধিৰ অবৰ্ত্তমানত, এনে ব্যৱসায়িক নিকায় বা সংঘৰ পৰামৰ্শত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা যুক্তিসঙ্গত প্ৰয়োগ আৰু প্ৰক্ৰিয়াবোৰ যিদৰে উচিত গণ্য কৰা হয় ;

(iii) ''অনুভূতিশীল ব্যক্তিগত ডাটা আৰু তথ্য'' মানে এনে ব্যৱসায়িক নিকায় বা সংঘৰ পৰামৰ্শ সহ উচিত বিবেচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ব্যক্তিগত তথ্য ।]

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২১ৰ দ্বাৰা অন্তঃস্থাপিত ।

২। একে অধিনিয়মৰ ধাৰা ২১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। একে অধিনিয়মৰ ধাৰা ২২ৰ দ্বাৰা অন্তঃস্থাপিত।

তথ্য বিৱৰণী, ইত্যাদি দিবলৈ অসফল হোৱাৰ বাবে দণ্ড। ৪৪। এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়মাৱলী বা বিনিয়মাৱলীৰ অধীনত—

(ক) কোনো দস্তাৱেজ, বিৱৰণী বা প্ৰতিবেদন নিয়ন্ত্ৰক বা প্ৰমাণ কৰা প্ৰাধিকাৰীক কোনো দস্তাৱেজ, বিৱৰণী বা প্ৰতিবেদন দিবলৈ অপেক্ষিত কৰা কোনো ব্যক্তিয়ে যদিহে, সেই একেবোৰ দিবলৈ অসফল হয়, তেওঁ এনে প্ৰত্যেক অসফলতাৰ বাবে একলাখ পঞ্চাশ হেজাৰ টকাৰ অনধিক এটা দণ্ডৰ বাবে দায়ী হ'ব ;

(খ) বিনিয়মাৱলীত ইয়াৰ বাবে বিনিৰ্দ্দিষ্ট কৰা সময়ৰ ভিতৰত বিৱৰণ দাখিল কৰিবলৈ বা কোনো তথ্য পুস্তক বা আন দস্তাৱেজসমূহ দিবলৈ বিনিয়মাৱলীত ইয়াৰ বাবে বিনিৰ্দ্দিষ্ট কৰা সময়ৰ ভিতৰত সেই একেবোৰ দাখিল কৰিবলৈ বা দিবলৈ অসফল হয় তেওঁ, এনে অসফলতা চলি থকা সময়ত প্ৰত্যেক দিনৰ বাবে পাঁচ হেজাৰ টকাৰ অনধিক এটা দণ্ডৰ বাবে দায়ী হ'ব ;

(গ) হিচাপৰ বহী বা অভিলেখ সংৰক্ষণ কৰিবলৈ যি সেই একেবোৰ সংৰক্ষণ কৰিবলৈ অসফল হয়, তেওঁ এনে অসফলতা চলি থকা সময়ত প্ৰত্যেক দিনৰ বাবে দহ হেজাৰ টকাৰ অনধিক এটা দণ্ডৰ বাবে দায়ী হ'ব।

অৱশিষ্ট দণ্ড। ৪৫। যিজনেই এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো নিয়মাৱলী বা বিনিয়মাৱলী উলংঘন কৰে, এনে উলংঘন যিটোৰ বাবে কোনো দণ্ড পৃথকভাৱে উপবন্ধিত কৰা হোৱা নাই তেওঁ, এনে উলংঘনৰ দ্বাৰা প্ৰভাৱিত হোৱা কোনো ব্যক্তিলৈ পচিঁশ হেজাৰ টকাৰ অনধিক এটা দণ্ডৰ বাবে দায়ী হ'ব।

ন্যায়নিৰ্ণয় কৰাৰ ক্ষমতা। ৪৬। (১) এই অধিনিয়মৰ কোনো উপবন্ধাৱলী বা [1][ইয়াৰ অধীনত প্ৰণীত নিৰ্দ্দেশ বা আদেশ যিয়ে অৰ্থদণ্ড বা ক্ষতিপূৰণ আদায় দিবলৈ তেওঁক দায়ী কৰে] কোনো ব্যক্তিয়ে উলংঘন কৰিছে নে নাই এই অধ্যায়ৰ অধীনত ন্যায়নিৰ্ণয়ৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰে, উপধাৰা (৩) ৰ উপবন্ধাৱলীৰ সাপেক্ষে ভাৰত চৰকাৰৰ নিৰ্দ্দেশকৰ পদমৰ্য্যদাৰ নিম্নতৰ নোহোৱা কোনো পদাধিকাৰীক বা কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা ৰীতিত এটা তদন্ত কৰাৰ বাবে ন্যায়নিৰ্ণয় পদাধিকাৰী হবলৈ ৰাজ্য চৰকাৰৰ এজন সমপৰ্য্যায়ৰ পদাধিকাৰীক নিয়োগ কৰিব পাৰে।

[2][(১ক) উপধাৰা (১)ৰ অধীনত নিযুক্ত ন্যায় নিৰ্ণায়ক পদাধিকাৰীয়ে, বিষয়সমূহৰ ন্যায়নিৰ্ণয় কৰিবলৈ অধিকাৰিতা প্ৰয়োগ কৰিব য'ত হানি বা ক্ষতিৰ দাবী পাঁচ কোটি টকাৰ অধিক নহয় ঃ

পৰন্তু পাঁচ কোটি টকাৰ অধিক হানি বা ক্ষতিৰ বাবে কৰা দাবীৰ ক্ষেত্ৰত থকা অধিকাৰিতা ক্ষমতা যুক্ত ন্যায়ালয়ত ন্যস্ত কৰিব।]

(২) ন্যায়নিৰ্ণয় পদাধিকাৰীয়ে, এই বিষয়টোত বিৱৰণী দিয়াৰ বাবে, উপধাৰা (১)ত নিৰ্দ্দেশিত এটা যুক্তিসঙ্গত সুযোগ দিয়াৰ পিছত, আৰু যদিহে এনে তদন্তৰ ওপৰত এনে ব্যক্তিজনে উলংঘন কৰিছে বুলি তেওঁ সন্তুষ্ট হয়, তেওঁ, সেই ধাৰাৰ উপবন্ধাৱলীৰ অনুসৰণত উচিত বুলি ভবা দৰে এনে দণ্ড আৰোপ কৰিব পাৰে বা এনে ক্ষতিপূৰণ দিব পাৰে।

(৩) কোনো ব্যক্তিক ন্যায়নিৰ্ণয় পদাধিকাৰীৰূপে নিয়োগ কৰা নহব যদিহে, তেওঁ, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে তথ্য প্ৰযুক্তি বিজ্ঞান আৰু বিধিক বা ন্যায়িক অভিজ্ঞতাৰ ক্ষেত্ৰত এনে অভিজ্ঞতা অৰ্জন নকৰে।

(৪) য'ত এজনকৈ অধিক ন্যায়নিৰ্ণয় পদাধিকাৰী নিয়োগ কৰা হৈছে, কেন্দ্ৰীয় চৰকাৰে, আদেশৰ দ্বাৰা এনে বিষয় আৰু স্থান বিনিৰ্দ্দিষ্ট কৰিব যিবোৰৰ ক্ষেত্ৰত এনে পদাধিকাৰীসকলে তেওঁলোকৰ অধিকাৰিতা কাৰ্য্যকৰী কৰিব।

(৫) প্ৰত্যেক ন্যায় নিৰ্ণয় পদাধিকাৰীৰ, চিভিল ন্যায়ালয়ৰ ক্ষমতা থাকিব যিবোৰ ধাৰা ৫৮ ৰ উপধাৰা (২)ৰ অধীনত চাইবাৰ আপীল ন্যায়াধিকৰণত প্ৰদান কৰা হয়, আৰু —

১৮৬০ৰ ৪৫ (ক) ইয়াত থকা সকলো কাৰ্য্যবাহী ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৩ আৰু ২২৮ৰ অৰ্থৰ ভিতৰত, ই ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য হ'ব ;

১৯৭৪ৰ ২ (খ) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ৩৪৫ আৰু ৩৪৬ৰ প্ৰয়োজনাৰ্থে চিভিল ন্যায়ালয় বুলি গণ্য হ'ব।

১৯০৮ৰ ৫ [1][(গ) চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ আদেশ ২১ৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য হ'ব।]

ন্যায়নিৰ্ণয় পদাধিকাৰীৰ দ্বাৰা হিচাবত ধৰিবলগীয়া উৎপাদন সমূহ। ৪৭। যেতিয়া এই অধ্যায়ৰ অধীনত এটা ক্ষতিপূৰণৰ মাত্ৰা ন্যায়নিৰ্ণয় কৰি থকা হয়, ন্যায়নিৰ্ণয় পদাধিকাৰীয়ে নিম্ন লিখিত বিষয়সমূহ অৱধানত ৰাখিব, অৰ্থাৎ —

(ক) ক্ৰটীৰ ফলস্বৰূপে দিয়া, এটা অনুচিত সুবিধা লাভৰ পৰিমাণ য'তেই পৰিসংখ্যানীয় হয় ;

(খ) ক্ৰটীৰ ফলস্বৰূপে কোনো ব্যক্তিলৈ কাৰিত হোৱা লোকচানৰ পৰিমাণ ;

(গ) ক্ৰটীৰ পুনৰাবৃত্তি মূলক প্ৰকৃতি।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ ৰ ধাৰা ২৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ২৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

## অধ্যায়-১০

### চাইবাৰ [1][x x x] আপীল ন্যায়াধিকৰণ

চাইবাৰ আপীল ন্যায়াধিকৰণৰ স্থাপন।

৪৮। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা চাইবাৰ [1][x x x] আপীল ন্যায়াধিকৰণ নামেৰে এক বা ততোধিক আপীল ন্যায়াধিকৰণ স্থাপন কৰিব।

চাইবাৰ আপীল ন্যায়াধিকৰণৰ গঠন।

[2][৪৯।(১) চাইবাৰ আপীল ন্যায়াধিকৰণ, এজন অধ্যক্ষ আৰু আন সদস্যসকলৰ এনে সংখ্যাৰে গঠিত হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়োগ কৰে ঃ

পৰন্তু তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে এই নিয়মৰ উপৰ্ন্ধাৱলীৰ অধীনত চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধিষ্ঠাতা পদাধিকাৰী ৰূপে নিযুক্ত ব্যক্তিজন, তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ দ্বাৰা সংশোধিত দৰে এই অধিনিয়মৰ উপবন্ধাৱলীৰ অধীনত উক্ত চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰূপে নিযুক্ত হোৱা বুলি গণ্য হ'ব।

(২) চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যৰ বাচনি, ভাৰতৰ মুখ্য ন্যায়াধীশৰ পৰামৰ্শ সহ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কৰা হ'ব।

(৩) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে ——

(ক) চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰ তাত থকা ন্যায়পীঠৰ দ্বাৰা প্ৰয়োগ হয় ;

(খ) এখন ন্যায়পীঠ, অধ্যক্ষই উচিত গণ্য কৰা দৰে এনে ন্যায়াধিকৰণৰ এজন বা দুজন সদস্যৰে সৈতে চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ দ্বাৰা গঠিত হ'ব ;

(গ) চাইবাৰ আপীল ন্যায়াধিকৰণৰ ন্যায়পীঠ, নতুন দিল্লী বা এনে আন স্থানত বহিব যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ পৰামৰ্শসহ, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দ্বাৰা, বিনিৰ্দ্দিষ্ট কৰে ;

(ঘ) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দ্বাৰা এনে অঞ্চল বিনিৰ্দ্দিষ্ট কৰিব, যাৰ সম্বন্ধত চাইবাৰ আপীল ন্যায়াধিকৰণৰ প্ৰত্যেক ন্যায়পীঠে ইয়াৰ অধিকাৰিতা প্ৰয়োগ কৰিব পাৰে।

(৪) উপধাৰা (৬)ত কোনো কথা থকা সত্ত্বেও, চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই এনে ন্যায়াধিকৰণৰ এজন সদস্যক এখন ন্যায়পীঠৰ পৰা আন এখন ন্যায়পীঠলৈ অন্তৰিত কৰিব পাৰে।

(৫) যদি কোনো গোচৰ বা বিষয়ৰ শুনানীৰ কোনো স্তৰত গোচৰ বা বিষয়টো এনে এটা প্ৰকৃতিৰ হয় যে বিষয়টো অধিক সদস্যৰে গঠিত এখন ন্যায়পীঠৰ দ্বাৰা শুনানী লোৱাটো উচিত বুলি, চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ বা এজন সদস্যৰ প্ৰতীত হয়, তেতিয়া গোচৰ বা বিষয়টো, অধ্যক্ষৰ দ্বাৰা এনে ন্যায়পীঠলৈ অন্তৰিত কৰিব পাৰে, যেনেদৰে অধ্যক্ষই উচিত গণ্য কৰে।

চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যৰ নিযুক্তিৰ বাবে অৰ্হতা।

৫০। (১) এজন ব্যক্তি চাইবাৰ আপীল ন্যায়াধিকৰণৰ এজন অধ্যক্ষৰূপে নিযুক্তিৰ বাবে যোগ্য নহব যদিহে তেওঁ, উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ নহয়, বা হোৱা নাই বা হবলৈ অৰ্হতাযুক্ত নহয়।

(২) উপধাৰা (৮)ৰ অধীনত নিযুক্ত হবলগীয়া ন্যায়িক সদস্যৰ ব্যতিৰেকে, চাইবাৰ আপীল ন্যায়াধিকৰণৰ সদস্যক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা, তথ্য প্ৰযুক্তি বিজ্ঞান, দূৰসংযোগ, উদ্যোগ, ব্যৱস্থাপন বা গ্ৰাহক কাৰ্য্যকলাপৰ বিশেষ জ্ঞান থকা আৰু ব্যৱসায়িক অভিজ্ঞতা থকা ব্যক্তিৰ মাজৰ পৰা নিযুক্ত কৰা হ'ব ঃ

পৰন্তু এজন ব্যক্তিক, এজন সদস্যৰূপে নিযুক্ত কৰা নহব, যদিহে, তেওঁ, কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ সেৱাত নাই বা থকা নাই, আৰু এবছৰৰ অনধিক এটা কালৰ বাবে ভাৰত চৰকাৰৰ অতিৰিক্ত সচিবৰ পদ বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো সমপৰ্য্যায়ৰ পদ বা সাত বছৰৰ অনধিক এটা কালৰ বাবে ভাৰত চৰকাৰৰ যুটীয়া সচিব বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো সমপৰ্য্যায়ৰ পদ ধাৰণ কৰা নাই।

(৩) চাইবাৰ আপীল ন্যায়াধিকৰণৰ ন্যায়িক সদস্যক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এনে ব্যক্তিসকলৰ মাজৰ পৰা নিয়োগ কৰা হ'ব যি ব্যক্তি ভাৰতীয় বিধি সেৱাৰ এজন সদস্য হয় বা হৈছে আৰু এবছৰৰ অনধিক এটা কালৰ বাবে অতিৰিক্ত সচিবৰ পদ ধাৰণ কৰিছে বা পাঁচ বছৰৰ অনধিক এটা কালৰ বাবে সেই সেৱাৰ প্ৰথম শ্ৰেণীৰ পদ ধাৰণ কৰিছে।

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ ৰ ধাৰা ২৪ৰ দ্বাৰা লোপ কৰা হৈছে।

২। একে অধিনিয়মৰ ধাৰা ২৫ৰ দ্বাৰা লোপ কৰা হৈছে।

৩। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

পদাৱধি। ৫১। (১) চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যই তেওঁ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে বা তেওঁৰ পয়ষষ্ঠি বছৰ নোহোৱালৈকে যিটোৱেই আগতীয়া হয়, পদ ধাৰণ কৰিব।

(২) চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যৰূপে কোনো ব্যক্তিৰ নিযুক্তিৰ পূৰ্বে, কেন্দ্ৰীয় চৰকাৰে নিজে সন্তুষ্ট হয় যে ব্যক্তিজনৰ এনে অধ্যক্ষ বা সদস্যৰূপে তেওঁৰ কৃত্যসমূহক প্ৰতিকূলভাৱে প্ৰভাৱিত কৰাৰ সম্ভৱনা থকা এনে কোনো বিত্তীয় বা আন স্বাৰ্থ নাথাকে।

(৩) চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা যথাস্থিতি, সদস্যৰূপে তেওঁৰ বাচনিত কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ এজন পদাধিকাৰীয়ে এনে অধ্যক্ষ বা সদস্যৰূপে যোগদান কৰাৰ পূৰ্বে সেৱাৰ পৰা অৱসৰ গ্ৰহণ কৰিব লাগিব।

অধ্যক্ষ আৰু সদস্যৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী। ৫২। চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা এজন সদস্যক দিবলগীয়া বেতন আৰু ভাত্তা, আৰু পেঞ্চন, পাৰিতোষিক আৰু আন অৱসৰ নিবৃত্তি হিতবোৰ অন্তৰ্ভুক্ত কৰি সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী, বিহিত কৰা দৰে এনে হ'ব।

অধীক্ষণ, নিৰ্দ্দেশনা ইত্যাদিৰ ক্ষমতা। ৫২ ক। চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ, সেই ন্যায়াধিকৰণৰ কাৰ্য্যকলাপৰ পৰিচালনাত সাধাৰণ অধীক্ষণ আৰু নিৰ্দ্দেশনাৰ ক্ষমতা থাকিব আৰু তেওঁ ন্যায়াধিকৰণৰ বৈঠকত সভাপতিত্ব কৰাৰ উপৰিও, বিহিত কৰা দৰে, ন্যায়াধিকৰণৰ এনে ক্ষমতা আৰু কৃত্য প্ৰয়োগ আৰু নিৰ্বহন কৰিব।

ন্যায়পীঠসমূহৰ মাজত ব্যৱসায়ৰ বিতৰণ। ৫২খ। য'ত ন্যায়পীঠবোৰ গঠিত হয়, চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই, আদেশৰ দ্বাৰা, ন্যায়পীঠবোৰৰ মাজত সেই ন্যায়াধিকৰণৰ ব্যৱসায় আৰু প্ৰত্যেক ন্যায়পীঠৰ দ্বাৰা সংব্যৱহৃত হবলগীয়া বিষয়সমূহকো বিতৰণ কৰিব পাৰে।

অধ্যক্ষৰ গোচৰ অন্তৰণৰ ক্ষমতা। ৫২গ। পক্ষসমূহৰ যিকোনোৰ আবেদনত আৰু পক্ষসমূহক জাননী দিয়াৰ পিছত, শুনানী লবলৈ তেওঁ উচিত গণ্য কৰা দৰে তেওঁলোকক শুনাৰ পিছত, বা এনে জাননী বিনা স্বপ্ৰেৰণাৰে চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই, এখন ন্যায়পীঠত লম্বিত কোনো গোচৰ কোনো আন ন্যায়পীঠলৈ, নিষ্পত্তিৰ বাবে, অন্তৰণ কৰিব পাৰে।

সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা লোৱা বিনিশ্চয়। ৫২ঘ। যদি দুজন সদস্যৰে গঠিত এখন ন্যায়াপীঠৰ সদস্যৰ কোনো যুক্তিৰ ওপৰত মতভেদ থাকে, তেওঁলোকৰ মতভেদ থকা যুক্তি বা যুক্তিবোৰৰ তেওঁলোকে বৰ্ণনা কৰিব আৰু চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষলৈ এটা প্ৰসঙ্গ নিৰ্দ্দেশ কৰিব যিয়ে নিজে যুক্তি বা যুক্তিবোৰ শুনিব আৰু এনে যুক্তি বা যুক্তিবোৰ ইয়াক প্ৰথমে শুনা সদস্যক অন্তৰ্ভুক্ত কৰি, গোচৰটো শুনা সদস্যসমূহৰ সংখ্যা গৰিষ্ঠতাৰ অভিমত অনুসৰি বিনিশ্চিত কৰিব।

পদৰিক্তি পূৰণ কৰা। ৫৩। যদি অস্থায়ী অনুপস্থিতিৰ অন্যথা কোনো কাৰণৰ বাবে চাইবাৰ আপীল ন্যায়াধিকৰণৰ [১][ অধ্যক্ষ বা যথাস্থিতি সদস্য]ৰ কাৰ্য্যালয়ত যদিহে কোনো পদৰিক্তি হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে, সেই পদৰিক্তি পূৰণ কৰিবলৈ এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত কোনো আন ব্যক্তিক নিয়োগ কৰিব আৰু চাইবাৰ আপীল ন্যায়াধিকৰণৰ সমক্ষত কাৰ্য্যবাহী চলি থাকিব যিটো স্তৰত পদৰিক্তিটো পূৰণ কৰা হৈছে।

ইস্তফা আৰু অপসাৰণ। ৫৪। চাইবাৰ আপীল ন্যায়াধিকৰণৰ [২][অধ্যক্ষ বা সদস্য] ই কেন্দ্ৰীয় চৰকাৰলৈ সম্বোধিত কৰি তেওঁৰ হাতে লিখা এখন জাননীৰ দ্বাৰা তেওঁৰ পদ ইস্তফা দিব পাৰে ঃ

পৰন্তু উক্ত [২][অধ্যক্ষ বা সদস্য] ই যদিহে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা তেওঁৰ পদ ত্যাগ কৰিবলৈ অনুমতি দিয়া নহয়, এনে জাননী গ্ৰহণৰ তাৰিখৰ পৰা তিনিমাহৰ অৱসান নোহোৱালৈকে বা তেওঁৰ উত্তৰাধিকাৰী ৰূপে সম্যকৰূপে নিযুক্ত কোনো ব্যক্তিয়ে তেওঁৰ পদবীত প্ৰৱেশ নকৰালৈকে বা তেওঁৰ পদাৱধিৰ অৱসান নোহোৱালৈকে, যিটোৱেই আগতীয়া হয়, পদ ধাৰণ কৰি থকিব।

(২) চাইবাৰ আপীল ন্যায়াধিকৰণৰ [২][অধ্যক্ষ বা সদস্য]ক উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশৰ দ্বাৰা এটা তদন্ত কৰাৰ পিছত প্ৰমাণিত অসদাচৰণ বা অসামৰ্থ্যতাৰ আধাৰত কেন্দ্ৰীয় চৰকাৰে আদেশৰ ব্যতিৰেকে তেওঁৰ পদৰ পৰা অপসাৰিত কৰা নহব যিটোত সংশ্লিষ্ট [২][অধ্যক্ষ বা সদস্য]ক তেওঁৰ বিৰুদ্ধে থকা অভিযোগ জনোৱা আৰু এনে অভিযোগ সমূহৰ ক্ষেত্ৰত শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া হৈছে।

(৩) কেন্দ্ৰীয় চৰকাৰে, নিয়মাৱলীৰ দ্বাৰা ওপৰোক্ত অধিষ্ঠাতা পদাধিকাৰীৰ অসদাচৰণ বা অসামৰ্থ্যতাৰ তদন্তৰ বাবে প্ৰক্ৰিয়াবোৰ বিনিয়মিত কৰিব পাৰে।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ দ্বাৰা ধাৰা ২৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

## তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

আপীল ন্যায়াধিকৰণে সংগঠিত কৰা আদেশ চূড়ান্ত হয় আৰু ইয়াৰ কাৰ্য্যবাহী অবিধিসম্মত নহ'ব ।

৫৫ । চাইবাৰ আপীল ন্যায়াধিকৰণৰ [1] [অধ্যক্ষ বা সদস্য] ৰূপে কোনো ব্যক্তিক নিয়োগ কৰা কেন্দ্ৰীয় চৰকাৰৰ কোনো আদেশ কোনো বিষয়ত প্ৰশ্নগত কৰা নহ'ব বা চাইবাৰ আপীল ন্যায়াধিকৰণৰ সমক্ষত কৰা কোনো কাৰ্য্য বা কাৰ্য্যবাহী চাইবাৰ আপীল ন্যায়াধিকৰণৰ সংগঠনত থকা কেৱল মাত্ৰ ত্ৰুটীৰ আধাৰত কোনো বিষয়ত প্ৰশ্নগত কৰা নহ'ব ।

চাইবাৰ আপীল ন্যায়াধিকৰণৰ কৰ্ম্মচাৰীবৃন্দ ।

৫৬ । (১) কেন্দ্ৰীয় চৰকাৰে, এনে পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দসহ চাইবাৰ আপীল ন্যায়াধিকৰণৰ উপবন্ধ কৰিব যিদৰে সেই চৰকাৰে উচিত বুলি ভাৱে ।

(২) চাইবাৰ আপীল ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দই [2][অধ্যক্ষ]ৰ সাধাৰণ অধীক্ষণৰ অধীনত তেওঁলোকৰ কৃত্যসমূহ নিৰ্বহন কৰিব ।

(৩) চাইবাৰ আপীল ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ বেতন, ভাট্টা আৰু সেৱাৰ আন চৰ্ত্তাৱলী কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে হ'ব ।

চাইবাৰ আপীল ন্যায়াধিকৰণলৈ আপীল ।

৫৭ । (১) উপধাৰা (২)ত উপবন্ধিত ব্যতিৰেকে, এই অধিনিয়মৰ অধীনত নিয়ন্ত্ৰক বা এজন ন্যায়নিৰ্ণয় পদাধিকাৰীৰ দ্বাৰা দিয়া এটা আদেশৰ দ্বাৰা ক্ষোভিত হোৱা কোনো ব্যক্তিয়ে, এই বিষয়ত অধিকাৰিতা থকা এখন চাইবাৰ আপীল ন্যায়াধিকৰণলৈ এটা আপীল কৰিব পাৰে ।

(২) পক্ষসমূহৰ সন্মতি বিনা এজন ন্যায়নিৰ্ণয় পদাধিকাৰীৰ দ্বাৰা দিয়া এটা আদেশৰ পৰা চাইবাৰ আপীল ন্যায়াধিকৰণলৈ কোনো আপীল নচলিব ।

(৩) উপধাৰা ১ৰ অধীনত প্ৰত্যেক আপীল পঞ্চল্লিছ দিনৰ এটা অৱধিৰ ভিতৰত দাখিল কৰা হ'ব যিটো তাৰিখত নিয়ন্ত্ৰক বা ন্যায়নিৰ্ণয় পদাধিকাৰীৰ দ্বাৰা দিয়া আদেশৰ এটা প্ৰতিলিপি ক্ষোভিত ব্যক্তিৰ দ্বাৰা গ্ৰহণ কৰা হয় আৰু বিহিত কৰা দৰে ই এনে প্ৰপত্ৰত হ'ব আৰু এনে মাচুলৰ দ্বাৰা সংযোজিত হ'ব ঃ

পৰন্তু চাইবাৰ আপীল ন্যায়াধিকৰণে পঞ্চল্লিছ দিনৰ উক্ত কালছোৱাৰ অৱসানৰ পিচত এটা আপীল গ্ৰহণ কৰিব পাৰে যদি ই সন্তুষ্ট হয় যে সেই সময় ছোৱাৰ ভিতৰত এইটো দাখিল নকৰাৰ পৰ্য্যাপ্ত কাৰণ আছিল ।

(৪) উপধাৰা (১)ৰ অধীনত এটা আপীল গ্ৰহণত চাইবাৰ আপীল ন্যায়াধিকৰণে আপীল কৰা পক্ষসমূহক শুনানীৰ এটা সুযোগ দিয়াৰ পিছত, যাৰ বিৰুদ্ধে আপীল কৰা হৈছে তাৰ সংৰক্ষণ, সাল-সলনি বা ৰদ কৰি এটা আদেশ পাৰিত কৰিব পাৰে যিদৰে ই উচিত বুলি ভাৱে।

(৫) চাইবাৰ আপীল ন্যায়াধিকৰণে আপীল কৰা পক্ষসমূহলৈ আৰু সংশ্লিষ্ট নিয়ন্ত্ৰকলৈ বা ন্যায়নিৰ্ণয় পদাধিকাৰীলৈ ইয়াৰ দ্বাৰা দিয়া প্ৰত্যেক আদেশৰ এটা প্ৰতিলিপি পঠিয়াব ।

(৬) উপধাৰা (১)ৰ অধীনত চাইবাৰ আপীল ন্যায়াধিকৰণৰ সমক্ষত উত্থাপিত কৰা প্ৰত্যেক আপীল যিমান সম্ভৱ ক্ষিপ্ৰতাৰে ইয়াৰ দ্বাৰা বিচাৰ কৰা হ'ব আৰু আপীল গ্ৰহণৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত চূড়ান্তভাৱে আপীল নিষ্পত্তি কৰিবলৈ ইয়াৰ দ্বাৰা প্ৰয়াস কৰা হ'ব ।

চাইবাৰ আপীল ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা ।

৫৮ । চাইবাৰ আপীল ন্যায়াধিকৰণৰ চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ দ্বাৰা প্ৰণীত প্ৰক্ৰিয়াসমূহৰ দ্বাৰা আবদ্ধ নহব কিন্তু নৈসৰ্গিক ন্যায়ৰ প্ৰক্ৰিয়াৰ দ্বাৰা পৰিচালিত হ'ব আৰু, এই অধিনিয়মৰ উপবন্ধাৱলী আৰু কোনো নিয়মাৱলীৰ সাপেক্ষে চাইবাৰ আপীল ন্যায়াধিকৰণৰ, ইয়াৰ বৈঠক হোৱা স্থান অন্তৰ্ভুক্ত কৰি ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিবলৈ ক্ষমতাৱলী থাকিব ।

১৯০৮ৰ ৫

(২) চাইবাৰ আপীল ন্যায়াধিকৰণৰ, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে নিম্নলিখিত বিষয়সমূহৰ ক্ষেত্ৰত, যেতিয়া এটা বাদৰ বিচাৰ চলি থাকে, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰাৰ দৰে একে ক্ষমতাৱলী থাকিব, অৰ্থাৎ ঃ-

(ক) কোনো ব্যক্তিক চমন কৰা আৰু উপস্থিতি বলবৎ কৰা আৰু তেওঁক শপথত পৰীক্ষা কৰা ;

(খ) দস্তাবেজৰ উদ্ভাৱন আৰু উপস্থাপন বা আন ইলেকট্ৰ'নিক অভিলেখ অপেক্ষা কৰা ;

(গ) শপথ পত্ৰৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা ;

(ঘ) সাক্ষী বা দস্তাবেজৰ পৰীক্ষাৰ বাবে কমিচন জাৰি কৰা ;

(ঙ) ইয়াৰ সিদ্ধান্তসমূহৰ পুনৰীক্ষণ কৰা ;

(চ) গৰ হাজিৰৰ বাবে আবেদন খাৰিজ কৰা বা এক পক্ষীয় বিনিশ্চয় কৰা ;

(ছ) বিহিত কৰা কোনো আন বিষয় ।

---

১ । তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২৯ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২ । একে অধিনিয়মৰ দ্বাৰা ধাৰা ৩০ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

১৮৬০ৰ ৪৫ (৩) চাইবাৰ আপীল ন্যায়াধিকৰণৰ সন্মুখত প্ৰত্যেক কাৰ্যাবাহী ধাৰা ১৯৩ আৰু ২২৮ৰ অৰ্থৰ ভিতৰত ন্যায়িক কাৰ্যাবাহী বুলি গণ্য হ'ব আৰু ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৬ৰ আৰু চাইবাৰ আপীল ন্যায়াধিকৰণৰ প্ৰয়োজনাৰ্থে দণ্ড প্ৰক্ৰিয়া
১৯৭৪ৰ ২ সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৬ৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য হ'ব।

বিধিক প্ৰতিনিধিত্বৰ অধিকাৰ। ৫৯। প্ৰত্যেক আপীলকাৰীয়ে চাইবাৰ আপীল ন্যায়াধিকৰণৰ সমক্ষত তেওঁৰ বা ইয়াৰ গোচৰ উপস্থাপন কৰিবলৈ সৌ-শৰীৰে বা এক বা ততোধিক বিধি ব্যৱসায়ীক বা ইয়াৰ যিকোনো এজন পদাধিকাৰীক উপস্থিত কৰাব পাৰে।

পৰিসীমা। ১৯৬৩ৰ ৩৬ ৬০। পৰিসীমা অধিনিয়ম, ১৯৬৩ৰ উপবন্ধাৱলী, যিমানদূৰ পাৰি, চাইবাৰ আপীল ন্যায়াধিকৰণলৈ দিয়া এটা আপীললৈ প্ৰযোজ্য হ'ব।

চিভিল ন্যায়ালয়ৰ অধিকাৰিতা নাথাকিব। ৬১। কোনো ন্যায়ালয়ৰ কোনো বিষয়ৰ ক্ষেত্ৰত কোনো বাদ বা কাৰ্য্যবাহী কৰিবলৈ অধিকাৰিতা নাথাকিব যিটো এই অধিনিয়মৰ অধীনত নিযুক্ত এজন ন্যায়নিৰ্ণয় পদাধিকাৰী বা এই অধিনিয়মৰ অধীনত গঠিত চাইবাৰ আপীল ন্যায়াধিকৰণে অৱধাৰিত কৰিবলৈ এই অধিনিয়মৰ দ্বাৰা বা অধীনত ক্ষমতা প্ৰাপ্ত হয় আৰু কোনো নিষেধাজ্ঞা, এই অধিনিয়মৰ দ্বাৰা বা অধীনত আৰোপিত কোনো ক্ষমতাৰ অনুসৰণত লোৱা বা লবলগীয়া কোনো কাৰ্য্যব্যৱস্থাৰ ক্ষেত্ৰত কোনো ন্যায়ালয় বা আন প্ৰাধিকাৰীৰ দ্বাৰা মঞ্জুৰ কৰা নহব।

উচ্চ ন্যায়ালয়লৈ কৰা আপীল। ৬২। চাইবাৰ আপীল ন্যায়াধিকৰণৰ কোনো বিনিশ্চয় বা আদেশৰ দ্বাৰা ক্ষোভিত প্ৰত্যেক ব্যক্তিয়ে, এনে আদেশৰ পৰা উদ্ভৱ হোৱা তথ্য বা বিধিৰ কোনো প্ৰশ্নৰ ওপৰত চাইবাৰ আপীল ন্যায়াধিকৰণে তেওঁক দিয়া বিনিশ্চয় বা আদেশৰ যোগাযোগৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত উচ্চ ন্যায়ালয়লৈ এটা আপীল দাখিল কৰিব পাৰে ঃ

পৰন্তু উচ্চ ন্যায়ালয়ে, যদিহে ই সন্তুষ্ট হয় যে উক্ত সময়ৰ ভিতৰত আপীল দাখিল কৰাৰ পৰ্যাপ্ত কাৰণৰ দ্বাৰা আপীলকাৰী বাধাপ্ৰাপ্ত হৈছিল, ষাঠি দিনৰ অনধিক এটা অতিৰিক্ত সময়ৰ ভিতৰত ইয়াক দাখিল কৰিবলৈ অনুমতি দিব পাৰে।

উলংঘনৰ আপোচ। ৬৩। (১) এই অধ্যায়ৰ অধীনত কোনো উলংঘনে, ন্যায়নিৰ্ণায়ক কাৰ্যাবাহী ৰুজু কৰাৰ পূৰ্বে বা পিছত, এই মৰ্ম্মে তেওঁৰ দ্বাৰা বিশেষভাৱে প্ৰাধিকৃত কৰা কোনো নিয়ন্ত্ৰক বা এনে আন পদাধিকাৰীৰ দ্বাৰা বা যথাস্থিতি, নিয়ন্ত্ৰক বা এনে আন পদাধিকাৰী বা ন্যায়নিৰ্ণয় পদাধিকাৰীয়ে বিনিৰ্দ্দিষ্ট কৰিব পৰা এনে চৰ্তাৱলীৰ সাপেক্ষে আপোচ কৰা হ'ব পাৰে ঃ

পৰন্তু এনে ৰাশি, কোনো ক্ষেত্ৰতে, দণ্ডৰ সৰ্বোচ্চ ধনৰাশিৰ অধিক নহব যিটো এনেদৰে আপোচ কৰা উলংঘনৰ বাবে এই অধিনিয়মৰ অধীনত আৰোপ কৰিব পাৰি।

(২) উপধাৰা (১)ৰ কোনো কথাই, কোনো ব্যক্তিলৈ প্ৰয়োগ নহব যিজনে সেই তাৰিখৰ পৰা যিটো তাৰিখত তেওঁৰ দ্বাৰা সংঘটিত প্ৰথম উলংঘন এনেদৰে আপোচ কৰা হৈছিল, তিনিবছৰ কালৰ ভিতৰত একে বা সদৃশ উলংঘন সংঘটিত কৰে।

**স্পষ্টীকৰণ** — এই উপধাৰাৰ প্ৰয়োজনাৰ্থে, পূৰ্বতে উলংঘনৰ আপোচ হোৱা তাৰিখৰ পৰা তিনি বছৰৰ এটা অৱধিৰ অৱসানৰ পিছত সংঘটিত হোৱা কোনো দ্বিতীয় বা পশ্চাৎবৰ্ত্তী উলংঘনক প্ৰথম উলংঘন বুলি গণ্য কৰা হ'ব।

(৩) য'ত উপধাৰা (১)ৰ অধীনত কোনো উলংঘন আপোচ কৰা হৈছে, কোনো কাৰ্য্যবাহী বা যথাস্থিতি অতিৰিক্ত কাৰ্য্যবাহী, এনেদৰে আপোচ কৰা উলংঘনৰ ক্ষেত্ৰত এনে উলংঘনৰ বাবে দোষী হোৱা ব্যক্তিৰ বিৰুদ্ধে লোৱা নহব।

[১] [অৰ্থদণ্ড বা ক্ষতিপূৰণ।] ৬৪। এই অধিনিয়মৰ অধীনত [১][আৰোপিত কোনো অৰ্থদণ্ড, বা অধিনিৰ্ণীত ক্ষতিপূৰণ] যদিহে আদায় দিয়া নহয়, ভূমি ৰাজহৰ বকেয়া ৰূপে পুনৰ আদায় কৰা হ'ব আৰু অনুজ্ঞাপত্ৰ বা যথাস্থিতি [২][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণ পত্ৰ, অৰ্থদণ্ড আদায় নিদিয়ালৈকে নিলম্বিত কৰা হ'ব।

## অধ্যায়-১১

### অপৰাধসমূহ

কম্পিউটাৰ সম্পদা দস্তাবেজৰ অনুকূলকৰণ। ৬৫। যি জনেই জানি-শুনি বা অভিপ্ৰায়পূৰ্বক কোনো কম্পিউটাৰ, কম্পিউটাৰ প্ৰগ্ৰেম, কম্পিউটাৰ পদ্ধতি, বা কম্পিউটাৰ নেটৱৰ্কৰ বাবে ব্যৱহৃত কোনো কম্পিউটাৰ সম্পদা সূত্ৰ গোপন কৰে, ধ্বংস কৰে বা পৰিৱৰ্ত্তন কৰে বা অভিপ্ৰায়পূৰ্বক বা জানি-শুনি আন এটাক গোপন কৰে, ধ্বংস কৰে বা পৰিৱৰ্তন কৰে, যেতিয়া কম্পিউটাৰ সম্পদা সূত্ৰ তৎসময়ৰ বাবে বিধিৰ দ্বাৰা ৰাখিবলৈ বা পৰিচালিত কৰিবলৈ অপেক্ষিত কৰা হয়, তেওঁ এটা কাৰাবাসেৰে যিটো তিনি বছৰ বা জৰিমনাৰে যিটো দুই লাখ টকালৈকে বিস্তৃত হ'ব পাৰে বা উভয়েৰে দণ্ডনীয় হ'ব।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৩১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। একে অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**স্পষ্টীকৰণ** —এই ধাৰাৰ প্ৰয়োজনার্থে ''কম্পিউটাৰ সম্পদা'' মানে যি কোনো প্ৰপত্ৰত অনুষ্ঠান, কম্পিউটাৰ কমাণ্ড, নক্সা তালিকাভুক্ত কৰা আৰু অভিন্যাস আৰু কম্পিউটাৰ সম্পদা সূত্ৰৰ কাৰ্য্যসূচীৰ বিশ্লেষণ।

কম্পিউটাৰ সম্পৰ্কীয় অপৰাধ।

[1][৬৬। যদিহে কোনো ব্যক্তিয়ে, অসাধুভাৱে বা প্ৰতাৰণামূলকভাৱে ধাৰা ৪৩ত নিৰ্দ্দেশিত কোনো কাৰ্য্য কৰে, তেওঁ তিনি বছৰলৈকে বিস্তৃত হ'ব পৰা অৱধিৰ বাবে কাৰাবাসেৰে বা পাঁচ লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বা উভয়েৰে দণ্ডনীয় হ'ব।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনার্থে,

১৮৬০ৰ ৪৫ (ক) ''অসাধুভাৱে'' শব্দটো ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২৪ত ইয়ালৈ আৰোপিত কৰা অৰ্থ হ'ব;

১৮৬০ৰ ৪৫ (খ) ''প্ৰতাৰণামূলক'' শব্দটো ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২৫ত ইয়ালৈ আৰোপিত কৰা অৰ্থ হ'ব।

সংযোগ সেৱা, ইত্যাদিৰ মাধ্যমেৰে অপৰাধমূলক সংবাদ প্ৰেৰণ কৰাৰ বাবে দণ্ড।

৬৬ক। কোনো ব্যক্তি যিয়ে, কম্পিউটাৰ সম্পদা বা এটা সংযোগ কৌশলৰ মাধ্যমেৰে,—

(ক) গুৰুতৰ অপৰাধমূলক বা বিপদাপন্ন প্ৰকৃতিৰ কোনো তথ্য প্ৰেৰণ কৰে; বা

(খ) কোনো তথ্য প্ৰেৰণ কৰে যিটো তেওঁ মিছা বুলি জানে বিৰক্তি, অসুবিধা, বিপদ, বাধা, অপমান, ক্ষতি, আপৰাধিক ভীতি প্ৰদৰ্শন, শত্ৰুতা, ঘৃনা বা বিদ্বেষ জন্মোৱাৰ প্ৰয়োজনার্থে এনে কম্পিউটাৰ সম্পদা বা সংযোগ কৌশলৰ ব্যৱহাৰ কৰি নিৰন্তৰ ভাৱে প্ৰেৰণ কৰে; বা

(গ) বিৰক্তি বা অসুবিধা জন্মোৱাৰ প্ৰয়োজনার্থে আৰু এনে সংবাদৰ মূলৰ বিষয়ে প্ৰাপক বা গ্ৰহণকাৰীক ছলনা কৰিবলৈ বা ভ্ৰান্ত কৰিবলৈ কোনো ইলেকট্ৰ'নিক মেইল বা ইলেকট্ৰ'নিক মেইল সংবাদ প্ৰেৰণ কৰে;

তেওঁ তিনি বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ কাৰাবাসেৰে আৰু জৰিমনাৰে দণ্ডনীয় হ'ব।

**স্পষ্টীকৰণ** —এই ধাৰাৰ প্ৰয়োজনার্থে অভিব্যক্তি ''ইলেকট্ৰ'নিক মেইল'' আৰু ইলেকট্ৰ'নিক মেইল সংবাদ'' মানে সংবাদ সহ সংপ্ৰেৰণ কৰিব পৰা বিষয় বস্তু, প্ৰতিৰূপ, শ্ৰব্য, দৃশ্য আৰু কোনো আন ইলেকট্ৰ'নিক সংলগ্নকক অন্তৰ্ভুক্ত কৰি কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি, কম্পিউটাৰ সম্পদা বা সংযোগ কৌশল সৃষ্টি কৰা বা সংপ্ৰেৰণ কৰা বা গ্ৰহণ কৰা এটা সংবাদ।

চুৰি কৰা কম্পিউটাৰ সম্পদা বা সংযোগ কৌশল অসাধুভাৱে গ্ৰহণ কৰাৰ বাবে দণ্ড।

৬৬খ। যিয়ে, কম্পিউটাৰ সম্পদা বা সংযোগ কৌশল চুৰি বুলি জানি শুনি বা বিশ্বাস কৰাৰ কাৰণ থকাত, অসাধুভাৱে কোনো চুৰি কম্পিউটাৰ সম্পদা বা সংযোগ কৌশল গ্ৰহণ কৰে বা ৰাখি থয়, তেওঁ এটা কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তৃত হ'ব পাৰে বা এক লাখ টকালৈ বিস্তৃত হব পৰা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

পৰিচিত চৌৰ্য্যাপৰাধৰ বাবে দণ্ড।

৬৬গ। যিয়ে, প্ৰতাৰণামূলকভাৱে বা অসাধুভাৱে কোনো আন ব্যক্তিৰ ইলেকট্ৰ'নিক চিগনেছাৰ, পাছ ৱৰ্ড বা কোনো আন একক চিনাক্তকৰণ বৈশিষ্টাৰ ব্যৱহাৰ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তৃত হ'ব পাৰে, দণ্ডিত হ'ব বা এক লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰ বাবেও দায়ী হ'ব।

কম্পিউটাৰ সম্পদা ব্যৱহাৰ কৰি প্ৰতিৰূপনৰ দ্বাৰা চুৰি কৰাৰ বাবে দণ্ড।

৬৬ঘ। যিয়ে, প্ৰতিৰূপনৰ দ্বাৰা সংযোগ কৌশল বা কম্পিউটাৰ সম্পদা কোনো মাধ্যমেৰে চুৰি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তৃত হ'ব পাৰে দণ্ডিত হ'ব আৰু এক লাখ টকাকৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বাবেও দায়ী হ'ব।

গোপনীয়তা ভঙ্গকৰণৰ বাবে দণ্ড।

৬৬ঙ। যিয়ে, অভিপ্ৰেতভাৱে বা জানি শুনি, সেই ব্যক্তিৰ গোপনীয়তা ভঙ্গকৰণৰ পৰিস্থিতিৰ অধীনত তেওঁ বা তাইৰ বিনা সন্মতিত কোনো ব্যক্তিৰ ব্যক্তিগত অঞ্চলৰ প্ৰতিৰূপ ধৰি ৰাখে, প্ৰকাশ কৰে বা প্ৰেৰণ কৰে, তেওঁ, কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তৃত হ'ব পাৰে বা দুই লাখৰ অনধিক টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনার্থে—

(ক) ''প্ৰেৰণ'' মানে এজন ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা বিবেচনাত ৰাখি এনে অভিপ্ৰায়েৰে এটা দৃশ্যমান প্ৰতিৰূপ ইলেকট্ৰ'নিক ভাৱে পঠোৱা;

(খ) এটা প্ৰতিৰূপৰ সম্পৰ্কত ''ধৰি ৰখা'' মানে যি কোনো মাধ্যমেৰে ভিডিঅ'টেপ, ফটোগ্ৰাফ, ফিল্ম, বা ৰেকৰ্ড কৰা;

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৩২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(গ) ''গোপনীয় অঞ্চল'' মানে নগ্ন বা যৌনাঙ্গ সম্পৰ্কীয় অন্তৰ্বাস পৰিধান, দৃশ্যমান অঞ্চল, নিতম্ব আৰু নাৰীবক্ষ ;

(ঘ) ''প্ৰকাশ কৰা'' মানে মুদ্ৰিত বা ইলেক'ট্ৰনিক ৰূপত পুনৰ প্ৰচাৰ কৰা আৰু ৰাইজৰ বাবে ইয়াক সহজলভ্য কৰা ;

(ঙ) ''গোপনীয়তা ভঙ্গকৰণৰ পৰিস্থিতিৰ অধীনত'' মানে পৰিস্থিতি য'ত এজন ব্যক্তিৰ নিম্নলিখিত যুক্তিসঙ্গত আশা থাকিব পাৰে যে-

(i) তেওঁৰ গোপনীয় অঞ্চলৰ এটা প্ৰতিৰূপ ধৰি ৰাখি থোৱা বুলি উদ্বিগ্ন নোহোৱাকৈ তেওঁ বা তাই গোপনীয়তা বিবস্ত্ৰ কৰিব পাৰে ; বা

(ii) ব্যক্তিজন ৰাজহুৱা বা ব্যক্তিগত স্থানত থাকক বা নাথাকক, তাক গণ্য নকৰি তেওঁ বা তাইৰ গোপনীয় অঞ্চলৰ কোনো কোনো অংশ জনতাৰ দৃশ্যমান নহব ।

চাইবাৰ সন্ত্ৰাসবাদৰ বাবে দণ্ড ।

৬৬চ । (১) যিয়েই, ——

(ক) ভাৰতবৰ্ষত একতা, সততা, নিৰাপত্তা বা সাৰ্বভৌমত্বক ভাবুকি দিয়াৰ বা জনসাধাৰণক বা যি কোনো শ্ৰেণীৰ জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰাৰ অভিপ্ৰায়েৰে ——

(i) কম্পিউটাৰ সম্পদালৈ প্ৰৱেশাধিকাৰ থকা প্ৰাধিকৃত কোনো ব্যক্তিক প্ৰৱেশাধিকাৰ নুই কৰে বা নুইকৰণক কাৰিত কৰে ; বা

(ii) প্ৰাধিকীকৰণ বা প্ৰাধিকৃত প্ৰৱেশাধিকাৰৰ অধিক্য বিনা এটা কম্পিউটাৰ সম্পদাৰ অৰ্ন্তভেদ বা প্ৰৱেশ কৰিবলৈ প্ৰয়াস কৰে ; বা

(iii) কোনো কম্পিউটাৰ সংদূষক উদ্ভাৱন কৰে বা উদ্ভাৱন কাৰিত কৰে,

আৰু এনে প্ৰবাহৰ মাধ্যমেৰে কোনো ব্যক্তিৰ মৃত্যু বা হানিৰ হেতুক হয় বা হোৱাৰ সম্ভাৱনা থাকে, কোনো সম্পত্তিৰ ক্ষতি বা ধ্বংস বা ব্যাহত কৰে বা এইটো জানে যে ই সম্প্ৰদায়ৰ জীৱনলৈ অপৰিহাৰ্য্য যোগান বা সেৱাৰ ক্ষতি বা বাধা জন্মোৱাৰ সম্ভাৱনা আছে বা ধাৰা ৭০ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা সংকটজনক তথ্যৰ বুনিয়াদত প্ৰতিকূলভাৱে ক্ষতি কৰে ।

(খ) জানি শুনি বা অভিপ্ৰেতভাৱে প্ৰাধিকৰণ নোহোৱাকৈ বা প্ৰাধিকৃত প্ৰৱেশাধিকাৰ অতিক্ৰম কৰি এটা কম্পিউটাৰ সম্পদাত অৰ্ন্তভেদ বা প্ৰৱেশ কৰে, আৰু এনে পৰিচালনাৰ দ্বাৰা তথ্য, ডাটা বা কম্পিউটাৰ ডাটাবেছ প্ৰৱেশাধিকাৰ প্ৰাপ্ত কৰে যিটো ৰাজ্য বা বৈদেশিক সম্পৰ্কৰ সুৰক্ষাৰ কাৰণৰ বাবে নিৰ্বন্ধিত হয়, বা এনে নিৰ্বন্ধিত তথ্য, ডাটা বা কম্পিউটাৰ ডাটাবেছ, এনে কাৰণসহ বিশ্বাস কৰা হয় যে এনেদৰে প্ৰাপ্ত এনে তথ্য, ডাটা বা কম্পিউটাৰ ডাটাবেছে, ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা, ৰাজ্যৰ সুৰক্ষা, বিদেশী ৰাজ্যৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক, চৰকাৰী আদেশ, শিষ্টতা বা নৈতিকতা, বা ন্যায়ালয়ৰ অৱমাননা, এটা অপৰাধৰ মানহানি বা উৎপ্ৰেৰণা, বা কোনো বিদেশী ৰাষ্ট্ৰৰ সুবিধালৈ, ব্যক্তিৰ শ্ৰেণী বা অন্যথা হানি কৰিব পাৰে বা কৰাৰ সম্ভৱনা থাকিব পাৰে,
তেওঁ চাইবাৰ সন্ত্ৰাসৰ অপৰাধ কৰে ।

(২) যিজনেই চাইবাৰ সন্ত্ৰাসবাদ সংঘটন কৰে বা সংঘটন কৰিবলৈ ষড়যন্ত্ৰ কৰে, তেওঁ কাৰাবাসেৰে যিটো আজীৱন কাৰাবাসলৈ বিস্তৃত হব পাৰে, দণ্ডনীয় হ'ব ।

ইলেক'ট্ৰনিক ৰূপত অশালীন তথ্য প্ৰকাশ বা সম্প্ৰচাৰ কৰাৰ বাবে দণ্ড ।

৬৭ । যিজনেই কোনো তথ্য ইলেক'ট্ৰনিক ৰূপত প্ৰকাশ কৰে বা প্ৰেৰণ কৰে বা প্ৰকাশ বা প্ৰেৰণ কৰিবলৈ কাৰিত কৰে যিটো নিলাজ বা লোভনীয় স্বাৰ্থলৈ আবেদন কৰে বা যদিহে ইয়াৰ প্ৰভাব দুৰাচাৰী আৰু শোষণকাৰীলৈ অভিপ্ৰেত হয়, সকলো সু-সঙ্গত পৰিস্থিতিক অৱধানত ৰাখি, যাৰ ইয়াত থকা বা সম্মিলিত হোৱা বিষয় শুনাৰ বা চোৱাৰ সম্ভৱনা থাকে, তেওঁ প্ৰথম অপৰাধটোৰ বাবে দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তৃত হ'ব পাৰে আৰু জৰিমনাৰে যিটো পাঁচ লাখ টকালৈ বিস্তৃত হ'ব পাৰে আৰু দ্বিতীয় আৰু পৰৱৰ্ত্তী অপৰাধৰ সংঘটনত দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি পাঁচ বছৰলৈ বিস্তৃত হ'ব পাৰে আৰু দহ লাখ টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰেও দণ্ডিত হ'ব ।

ইলেক'ট্ৰনিক ৰূপত যৌন প্ৰদৰ্শন কাৰ্য্য, ইত্যাদি থকা তথ্য প্ৰকাশ বা সম্প্ৰচাৰ কৰাৰ বাবে দণ্ড ।

৬৭ক । যিজনেই, যৌন প্ৰদৰ্শন কাৰ্য্য বা আচৰণ সন্নিবিষ্ট কোনো তথ্য কোনো ইলেক'ট্ৰনিক ৰূপত প্ৰকাশ কৰে বা সম্প্ৰচাৰ কৰে বা প্ৰকাশ বা সম্প্ৰচাৰ কাৰিত কৰে, তেওঁ প্ৰথম অপৰাধটোৰ বাবে দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি পাঁচ বছৰলৈ বিস্তৃত হ'ব পাৰে আৰু জৰিমনাৰে যিটো দহ লাখ টকালৈ বিস্তৃত হ'ব পাৰে আৰু দ্বিতীয় আৰু পৰৱৰ্ত্তী অপৰাধৰ সংঘটনত দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তৃত হ'ব পাৰে আৰু দহ লাখ টকালৈ বিস্তৃত হব পৰা জৰিমনাৰেও দণ্ডিত হ'ব ।

**ইলেক্‌ট্ৰ’নিক ৰূপত যৌন প্ৰদৰ্শন কাৰ্য্য, ইত্যাদিত জড়িত শিশুক কোনো তথ্য প্ৰদৰ্শন কৰি প্ৰকাশ বা সম্প্ৰচাৰ কৰাৰ বাবে দণ্ড।**

৬৭খ। যিজনেই, —

(ক) যৌন প্ৰদৰ্শন কাৰ্য্য বা সঞ্চালনত জড়িত শিশুক প্ৰদৰ্শন কৰি কোনো তথ্য কোনো ইলেকট্ৰ’নিক ৰূপত প্ৰকাশ কৰে বা সম্প্ৰচাৰ কৰে বা প্ৰকাশ বা সম্প্ৰচাৰ কৰাৰ বাবে কাৰিত কৰে ;

(খ) কোনো অশালীন বা অশিষ্টতা বা যৌন প্ৰদৰ্শন ৰীতিত জড়িত কোনো শিশুক প্ৰদৰ্শন কৰি কোনো তথ্য কোনো ইলেকট্ৰ’নিক ৰূপত কোনো বিষয় বস্তু বা ডিজিটেল প্ৰতিৰূপ সৃষ্টি কৰে, কোনো তথ্য সংগ্ৰহ কৰে, বিচাৰে, চাৰণ কৰে, ডাউন লোড কৰে, বিজ্ঞাপন দিয়ে, পৃষ্ঠপোষকতা কৰে, সাল-সলনি কৰে বা বিতৰণ কৰে ; বা

(গ) যৌন প্ৰদৰ্শন কাৰ্য্য বা কোনো ৰীতিৰ নিমিত্তে বা ৰীতিত এক বা ততোধিক শিশুৰ সৈতে অন লাইন সম্পৰ্কলৈ কোনো শিশুক সংসৰ্গ কৰে বা ফুচুলায় যিটোৱে এটা কম্পিউটাৰ সম্পদাত থকা এজন যুক্তিমান প্ৰাপ্তবয়স্কক ক্ষুব্ধ কৰিব পাৰে ;

(ঘ) অনলাইনত শিশুক দুৰ্ব্যৱহাৰ কৰাত সুচল কৰে ; বা

(ঙ) শিশুৰ সৈতে নিজে বা আনে যৌন প্ৰদৰ্শিত কাৰ্য্য কৰাত নিজৰ বা আনৰ তিৰস্কাৰ ইলেকট্ৰ’নিক ৰূপত অভিলেখিত কৰে ;

তেওঁ প্ৰথম অপৰাধৰ বাবে দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি পাঁচ বছৰলৈ বিস্তৃত হ’ব পাৰে আৰু জৰিমনাৰে যাৰ অৱধি দহ লাখ টকালৈ বিস্তৃত হ’ব পাৰে আৰু দ্বিতীয় আৰু পৰৱৰ্ত্তী অপৰাধৰ বাবে দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তৃত হ’ব পাৰে আৰু দহ লাখ টকালৈ বিস্তৃত হ’ব পৰা জৰিমনাৰ বাবেও দণ্ডিত হ’ব ঃ

**পৰন্তু** ধাৰা ৬৭, ধাৰা ৬৭ক আৰু এই ধাৰাটো কোনো পুস্তক, ইস্তাহাৰ, লিখিত কাকত, লিখনি, ছবি, উপস্থাপন বা সংখ্যা কোনো ইলেকট্ৰ’নিক ৰূপত বিস্তাৰিত নহব —

(i) যিটোৰ প্ৰকাশন এনে পুস্তক, ইস্তাহাৰ, লিখিত কাকত, লিখনি, ছবি উপস্থাপন বা সংখ্যাই, বিজ্ঞান সাহিত্য, কলা বা সাধাৰণ বিবেচনাৰ আন বিষয়বস্তুৰ স্বাৰ্থ থকাৰ আধাৰত জনসাধাৰণৰ হিতাৰ্থে, ন্যায়োচিত বুলি প্ৰমাণিত হ’ব ; বা

(ii) যিটোক সদ্‌ভাৱপূৰ্ণ পৰম্পৰা বা ধৰ্মীয় প্ৰয়োজনাৰ্থে ৰখা হয় বা ব্যৱহাৰ কৰা হয়।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনাৰ্থে ‘‘শিশু’’ মানে ওঠৰ বছৰ সম্পূৰ্ণ নোহোৱা কোনো ব্যক্তি।

**মধ্যস্থৰ দ্বাৰা তথ্যৰ সংৰক্ষণ আৰু প্ৰতিধাৰণ।**

৬৭গ। (১) মধ্যস্থই, এনে অৱধিৰ বাবে বিনিৰ্দিষ্ট কৰা দৰে আৰু কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে ৰীতিত আৰু প্ৰপত্ৰত এনে তথ্য সংৰক্ষণ আৰু প্ৰতিধাৰণ কৰিব।

(২) এজন মধ্যস্থ, যিয়ে, অভিপ্ৰেত ভাৱে বা জানি-শুনি উপধাৰা (১)ৰ উপবন্ধাৱলী উলঙ্ঘন কৰে, তেওঁ কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তৃত হ’ব পাৰে দণ্ডিত হ’ব আৰু জৰিমনাৰ বাবেও দায়ী হ’ব।

**নিয়ন্ত্ৰকৰ নিৰ্দ্দেশ দিবলৈ ক্ষমতা।**

৬৮। (১) নিয়ন্ত্ৰকে আদেশৰ দ্বাৰা, প্ৰমাণ কৰা প্ৰাধিকাৰী বা এনে প্ৰাধিকাৰীৰ কোনো কৰ্ম্মচাৰীক আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে কাৰ্য্যব্যৱস্থা লবলৈ বা এনে কাৰ্য্যকলাপ প্ৰৱৰ্ত্তন নকৰিবলৈ নিৰ্দ্দেশ দিব পাৰে যদিহে এইবোৰ ইয়াৰ অধীনত প্ৰণীত অধিনিয়ম, নিয়মাৱলী বা কোনো বিনিয়মাৱলীৰ উপবন্ধাৱলীৰ অনুসৰণ সুনিশ্চিত কৰিবলৈ আৱশ্যক হয়।

[1][(২) কোনো ব্যক্তি, যিয়ে অভিপ্ৰেতভাৱে বা জানি-শুনি উপ-ধাৰা (১)ৰ অধীনত কোনো আদেশ অনুপালন কৰিবলৈ অসফল হয়, তেওঁ অপৰাধটোৰ বাবে দোষী হ’ব আৰু দুবছৰৰ অনধিক এটা কালৰ কাৰাবাসেৰে দোষী সাব্যস্তকৰণৰ বাবে বা এক লাখ টকাৰ অনধিক এটা জৰিমনাৰে বা উভয়েৰে দায়ী হ’ব।]

**কোনো কম্পিউটাৰ সম্পদাৰ মাধ্যমেৰে কোনো তথ্যক ৰোধ কৰা বা নিৰীক্ষণ কৰা বা অৱমূল্যন কৰাৰ বাবে নিৰ্দ্দেশ জাৰি কৰিবলৈ ক্ষমতা।**

[2][৬৯।(১) য’ত কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে এই মৰ্ম্মে বিশেষৰূপে প্ৰাধিকৃত কৰা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা ইয়াৰ যিকোনো পদাধিকাৰীয়ে যদি সন্তুষ্ট হয়, যে ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব বা অখণ্ডতা, ভাৰতৰ প্ৰতিৰক্ষা, ৰাজ্যৰ সুৰক্ষা, বিদেশী ৰাজ্যৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক, চৰকাৰী আদেশ বা উপৰোক্তৰ সম্পৰ্কত কোনো সংজ্ঞেয় অপৰাধৰ সংঘটনত দিয়া উৎপ্ৰেৰণাক বাধা দিয়াৰ বাবে বা কোনো অপৰাধৰ তদন্তৰ বাবে, এনে কৰাটো আৱশ্যকীয় বা সমীচীন তেন্তে, ই উপ-ধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, লিখিত ভাৱে অভিলিখিত কৰিবলগীয়া কাৰণৰ বাবে, আদেশৰ দ্বাৰা, কোনো কম্পিউটাৰ সম্পদাত উৎপাদিত, সম্প্ৰচাৰিত, প্ৰাপ্ত বা সংগৃহীত কোনো তথ্য অন্তৰুদ্ধ, নিৰীক্ষণ বা অৱমূল্যন কৰিবলৈ বা অন্তৰুদ্ধ বা নিৰীক্ষণ বা অৱমূল্যন কাৰিত কৰিবলৈ সমুচিত চৰকাৰৰ কোনো এজেন্সীক, নিৰ্দ্দেশ দিব পাৰে।

(২) প্ৰক্ৰিয়া বা সুৰক্ষা যিবোৰৰ সাপেক্ষে এনে বাধা বা নিৰীক্ষণ বা অৱমূল্যন কৰা হয় বিহিত কৰাৰ দৰে এনে হ’ব।

(৩) কম্পিউটাৰ সম্পদাৰ দায়িত্বত থকা গ্ৰাহক বা মধ্যস্থ বা কোনো ব্যক্তিক, উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কোনো এজেন্সীৰ দ্বাৰা যেতিয়া আহ্বান কৰা হয়, নিম্নলিখিত সকলো সুবিধা আৰু কাৰিকৰী সহায়তা দিব, —

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৩৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৩৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

## তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

(ক) এনে তথ্যৰ উৎপাদন, সম্প্ৰচাৰ, প্ৰাপ্তি বা সংগ্ৰহণ এটা কম্পিউটাৰ সম্পদাত প্ৰবিষ্ট হবলৈ বা প্ৰবিষ্টিৰ সুনিশ্চিতকৰণৰ উপৰন্ধ কৰা ; বা

(খ) তথ্যক অন্তৰুদ্ধ দিয়া, নিৰীক্ষণ কৰা বা যথাস্থিতি অৱমূল্যান কৰা ; বা

(গ) কম্পিউটাৰ সম্পদা সংগৃহীত তথ্য উপবন্ধ কৰা ।

(৪) উপ-ধাৰা (৩)ত নিৰ্দ্দেশিত এজেন্সীক সহায়তা কৰিবলৈ অসফল হোৱা কোনো গ্ৰাহক বা মধ্যস্থ বা কোনো ব্যক্তিয়ে কাৰাবাসেৰে সাত বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবে, দায়ী হ'ব ।

কোনো কম্পিউটাৰ সম্পদাৰ মাধ্যমেৰে কোনো তথ্যত জনতাৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে নিৰ্দ্দেশ জাৰি কৰাৰ ক্ষমতা।

৬৯ক । (১) য'ত ইয়াৰ দ্বাৰা এই মৰ্ম্মে বিশেষৰূপে প্ৰাধিকৃত কেন্দ্ৰীয় চৰকাৰ বা ইয়াৰ যিকোনো পদাধিকাৰীয়ে সন্তুষ্ট হয় যে ভাৰতৰ সাৰ্বভৌমত্ব বা অখণ্ডতা, ভাৰতৰ প্ৰতিৰক্ষা, ৰাজ্যৰ সুৰক্ষা, বিদেশী ৰাজ্যৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক, চৰকাৰী আদেশ বা উপৰোক্তৰ সম্বন্ধত কোনো সংজ্ঞেয় অপৰাধৰ সংঘটনত দিয়া উৎপ্ৰেৰণাৰ বাধা দিয়াৰ বাবে, এনে কৰাটো আৱশ্যকীয় বা সমীচীন, তেন্তে ই উপ-ধাৰা (২)ৰ উপৰন্ধাৱলীৰ সাপেক্ষে লিখিতভাৱে অভিলিখিত কৰিবলগীয়া কাৰণৰ বাবে, আদেশৰ দ্বাৰা চৰকাৰৰ কোনো এজেন্সী বা মধ্যস্থলৈ, কোনো কম্পিউটাৰ সম্পদাত উৎপাদিত, সম্প্ৰচাৰিত, প্ৰাপ্ত, সংগৃহীত বা পঞ্জীভুক্ত কোনো তথ্য জনসাধাৰণৰ প্ৰৱেশ ৰুদ্ধ কৰাৰ বাবে বা জনসাধাৰণৰ প্ৰৱেশ ৰুদ্ধ কৰিবলৈ, নিৰ্দ্দেশ দিব পাৰে ।

(২) প্ৰক্ৰিয়া আৰু সুৰক্ষা যিবোৰৰ সাপেক্ষে জনসাধাৰণৰ প্ৰৱেশৰ বাবে ৰুদ্ধকৰণ বিহিত কৰা দৰে এনে হ'ব ।

(৩) উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা নিৰ্দ্দেশনা অনুপালন কৰিবলৈ অসফল হোৱা মধ্যস্থই সাত বছৰলৈ বিস্তৃত হ'ব পৰা এটা কালৰ কাৰাবাসেৰে দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব ।

চাইবাৰ সুৰক্ষাৰ বাবে কোনো কম্পিউটাৰ সম্পদাৰ মাধ্যমেৰে ট্ৰেফিক ডাটা বা তথ্য নিৰীক্ষণ আৰু সংগ্ৰহ কৰিবলৈ প্ৰাধিকৃত কৰাৰ ক্ষমতা ।

৬৯খ ।(১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, চাইবাৰ সুৰক্ষা বৃদ্ধি কৰিবলৈ আৰু চিনাক্তকৰণ, বিশ্লেষণ আৰু অনাহূত প্ৰৱেশ বা দেশত কম্পিউটাৰ সংদূষকৰ বিস্তৃতিৰ প্ৰতিৰোধৰ বাবে, চৰকাৰৰ কোনো এজেন্সীক, কোনো কম্পিউটাৰ সম্পদাত উৎপাদিত, সম্প্ৰচাৰিত, প্ৰাপ্ত বা সংগৃহীত ট্ৰেফিক ডাটা বা তথ্য নিৰীক্ষণ আৰু সংগ্ৰহ কৰিবলৈ প্ৰাধিকৃত কৰিব পাৰে ।

(২) মধ্যস্থ আৰু বা ভাৰপ্ৰাপ্ত কোনো ব্যক্তি বা কম্পিউটাৰ সম্পদাত, যেতিয়া উপ-ধাৰা (১)ৰ অধীনত প্ৰাধিকৃত কোনো এজেন্সীৰ দ্বাৰা আহ্বান কৰা হয়, কাৰিকৰী সহায়তাৰ উপৰন্ধ কৰিব আৰু অনলাইন প্ৰৱেশাধিকাৰ সামৰ্থ কৰিবলৈ বা সুনিশ্চিত কৰিবলৈ এনে এজেন্সিক সকলো সুবিধা প্ৰসাৰিত কৰিব আৰু কম্পিউটাৰ সম্পদালৈ উৎপাদন কৰা, সম্প্ৰচাৰণ কৰা, গ্ৰহণ কৰা বা এনে ট্ৰেফিক ডাটা বা তথ্য সংগ্ৰহকৰণৰ উপৰন্ধ কৰিব ।

(৩) ট্ৰেফিক ডাটা বা তথ্য নিৰীক্ষণ আৰু সংগ্ৰহৰ বাবে প্ৰক্ৰিয়া আৰু সুৰক্ষাসমূহ, বিহিত কৰা দৰে এনে হ'ব ।

(৪) কোনো মধ্যস্থ, যিয়ে অভিপ্ৰেতভাৱে বা জানি-শুনি উপ-ধাৰা (২)ৰ উপৰন্ধাৱলী উলংঘন কৰে, তেওঁ তিনি বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ কাৰাবাসেৰে দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব ।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনাৰ্থে,—

(i) ''কম্পিউটাৰ সংদূষক''ৰ ধাৰা ৪৩ত ইয়ালৈ আৰোপিত কৰা দৰে অৰ্থ হ'ব ;

(ii) ''ট্ৰেফিক ডাটা'' মানে কোনো ব্যক্তিক চিনাক্ত কৰিবলৈ বা চিনাক্ত কৰিবলৈ অৰ্থ কৰা কোনো ডাটা, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্ক বা স্থান বা যিবোৰৰ পৰা যোগাযোগ আছে বা সম্প্ৰচাৰিত কৰিব পাৰি আৰু ই সংসূচনাৰ মূল, গন্তব্য স্থান, মাৰ্গ, সময়, তাৰিখ, আকাৰ, অৱধি বা অধীনস্থ সেৱাৰ প্ৰকাৰ আৰু কোনো আন তথ্যক অন্তৰ্ভুক্ত কৰে ।]

সুৰক্ষিত পদ্ধতি ।

৭০ । [১][(১) সমুচিত চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা কোনো কম্পিউটাৰ সম্পদা ঘোষণা কৰে যিটোৱে এটা সুৰক্ষিত পদ্ধতি বুলি গুৰুত্বপূৰ্ণ তথ্যৰ বুনিয়াদৰ সুবিধাক প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে প্ৰভাৱিত কৰে ।

**স্পষ্টীকৰণ** —এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''গুৰুত্বপূৰ্ণ তথ্য বুনিয়াদ'' মানে কম্পিউটাৰ সম্পদা অযোগ্যকৰণ বা ধ্বংস, যিবোৰৰ জাতীয় সুৰক্ষা, অৰ্থনীতি; জনস্বাস্থ্য বা সুৰক্ষাৰ বিকল কৰাৰ প্ৰভাৱ থাকিব ।]

(২) সমুচিত চৰকাৰে, লিখিত ভাৱে এটা আদেশৰ দ্বাৰা ব্যক্তিসকলক প্ৰাধিকৃত কৰিব পাৰে যিসকলক উপধাৰা (১)ৰ অধীনত অধিসূচিত সুৰক্ষিত পদ্ধতি পাবলৈ প্ৰাধিকৃত কৰা হৈছে ।

(৩) এই ধাৰাৰ উপৰন্ধাৱলীৰ উলংঘনত প্ৰৱেশ সুৰক্ষা কৰা বা প্ৰৱেশ সুনিশ্চিত কৰিবলৈ প্ৰয়াস কৰা কোনো ব্যক্তিয়ে কাৰাবাসেৰে যাৰ অৱধি দহ বছৰলৈ বিস্তৃত হ'ব পাৰে দণ্ডিত হ'ব আৰু জৰিমনাৰ বাবেও দায়ী হ'ব ।

[২][(৪) কেন্দ্ৰীয় চৰকাৰে, এনে সুৰক্ষিত ব্যৱস্থাৰ বাবে তথ্য সুৰক্ষা পদ্ধতি আৰু প্ৰক্ৰিয়া বিহিত কৰিব ।]

জাতীয় কেন্দ্ৰস্থ এজেন্সী ।

[৩][৭০ক । (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিসূচনাৰ দ্বাৰা গুৰুত্বপূৰ্ণ তথ্য বুনিয়াদ সুৰক্ষাৰ ক্ষেত্ৰত, চৰকাৰৰ কোনো সংগঠনক ৰাষ্ট্ৰীয় কেন্দ্ৰস্থ এজেন্সীৰূপে পদাভিহিত কৰিব পাৰে ।

---

১ । তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৩৫ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২ । একে অধিনিয়মৰ ধাৰা ৩৫ৰ দ্বাৰা অন্তঃস্থাপিত ।

৩ । একে অধিনিয়মৰ ধাৰা ৩৬ৰ দ্বাৰা অন্তঃস্থাপিত ।

(২) উপ-ধাৰা (১)ৰ অধীনত পদাভিহিত ৰাষ্ট্ৰীয় কেন্দ্ৰস্থ এজেন্সী, গুৰুত্বপূৰ্ণ তথ্য বুনিয়াদৰ সুৰক্ষা সম্পৰ্কীয় গৱেষণা আৰু বিকাশক অন্তৰ্ভুক্ত কৰি সকলো ব্যৱস্থাৰ বাবে দায়িত্ববান হ'ব ।

(৩) উপ-ধাৰা (১)ত নিৰ্দ্দেশিত এজেন্সীৰ কৃত্য আৰু কৰ্তব্য সম্পাদনৰ ৰীতি বিহিত কৰা দৰে এনে হ'ব ।

ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন প্ৰতিক্ৰিয়াৰ দলটোৱে ঘটনাৰ প্ৰতিক্ৰিয়াৰ বাবে ৰাষ্ট্ৰীয় এজেন্সীৰূপে সেৱা কৰিব ।

৭০খ ।(১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, ভাৰতীয় কম্পিউটাৰ জৰুৰী কালীন প্ৰতিক্ৰিয়া দল নামেৰে চৰকাৰৰ এটা এজেন্সী নিযুক্তি দিব ।

(২) কেন্দ্ৰীয় চৰকাৰে, উপ-ধাৰা (১)ত নিৰ্দ্দেশিত এজেন্সীক, বিহিত কৰা দৰে এজন মহা-নিৰ্দ্দেশক আৰু এনে আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীৰ উপবন্ধ কৰিব ।

(৩) মহা-নিৰ্দ্দেশক আৰু আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ বেতন আৰু ভাট্টা আৰু পদাৱধি আৰু চৰ্ত্তাৱলী, বিহিত কৰা দৰে এনে হ'ব ।

(৪) ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন প্ৰতিক্ৰিয়া দলে চাইবাৰ সুৰক্ষা অঞ্চলত নিম্নলিখিত কাৰ্য্যাৱলীৰ সম্পাদনৰ বাবে ৰাষ্ট্ৰীয় এজেন্সীৰূপে সেৱা কৰিব,—

(ক) চাইবাৰ ঘটনাৱলীৰ তথ্যৰ সংগ্ৰহ, বিশ্লেষণ আৰু প্ৰসাৰণ ;

(খ) চাইবাৰ সুৰক্ষা ঘটনাৱলীৰ পূৰ্ব ধাৰণা আৰু সতৰ্কতা ;

(গ) চাইবাৰ সুৰক্ষা ঘটনাৱলীৰ চালনা কাৰ্যৰ বাবে জৰুৰী কালীন ব্যৱস্থা ;

(ঘ) চাইবাৰ ঘটনা প্ৰতিক্ৰিয়া কাৰ্য্যকলাপৰ সমন্বয় ;

(ঙ) তথ্য সুৰক্ষা পদ্ধতি, প্ৰক্ৰিয়া, নিবাৰণ, প্ৰতিক্ৰিয়া আৰু চাইবাৰ ঘটনাৱলীৰ প্ৰতিবেদন দিয়াৰ সম্বন্ধত পথ প্ৰদৰ্শন, মন্ত্ৰনা, অসুচল অৱস্থা আৰু চৰকাৰী শ্বেত পত্ৰ জাৰি কৰা ;

(চ) বিহিত কৰা চাইবাৰ সুৰক্ষা সম্বন্ধিত এনে আন কৃত্যবোৰ ।

(৫) উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কৰা এজেন্সীৰ কৃত্য আৰু কৰ্তব্যসমূহৰ সম্পাদনৰ ৰীতি ,বিহিত কৰা দৰে এনে হ'ব।

(৬) উপ-ধাৰা (৪)ৰ উপবন্ধাৱলীৰ কাৰ্যকৰীকৰণত উপ-ধাৰা (১)ত নিৰ্দ্দেশিত এজেন্সীয়ে তথ্য বিচাৰিব পাৰে আৰু সেৱা উপবন্ধকাৰী, মধ্যস্থ, ডাটা কেন্দ্ৰ, নিগমিত নিকায় আৰু কোনো আন ব্যক্তিক নিৰ্দ্দেশ দিব পাৰে ।

(৭) উপ-ধাৰা ৬ৰ অধীনত বিচৰা তথ্য উপবন্ধ কৰিবলৈ বা নিৰ্দ্দেশ অনুপালন কৰিবলৈ অসফল হোৱা কোনো সেৱা উপবন্ধকাৰী, মধ্যস্থ, ডাটা কেন্দ্ৰ, নিগমিত নিকায় বা ব্যক্তিয়ে কাৰাবাসেৰে, যাৰ অৱধি এবছৰলৈ বিস্তৃত হ'ব পাৰে বা জৰিমনাৰে যিটো এক লাখ টকালৈ বিস্তৃত হ'ব পাৰে বা উভয়েৰে দণ্ডনীয় হ'ব ।

(৮) কোনো ন্যায়ালয়ে উপ-ধাৰা (১)ত নিৰ্দ্দেশিত এজেন্সীৰ দ্বাৰা এই মৰ্ম্মে প্ৰাধিকৃত এজন পদাধিকাৰীৰ দ্বাৰা দিয়া এটা গোচৰৰ ব্যতিৰেকে, এই ধাৰাৰ অধীনত কোনো অপৰাধৰ সংজ্ঞান নলব।

মিথ্যা বৰ্ণনাৰ বাবে অৰ্থদণ্ড।

৭১ । যি জনেই কোনো অনুজ্ঞা পত্ৰ বা যথাস্থিতি [1][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ প্ৰাপ্ত কৰিবলৈ নিয়ন্ত্ৰক বা প্ৰমাণ কৰা প্ৰাধিকৰণলৈ মিথ্যা বৰ্ণনা দিয়ে বা কোনো তাত্ত্বিক তথ্য গোপন কৰে, দুবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা এক লাখ টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব ।

গোপনীয়তা আৰু একান্ততা ভঙ্গকৰণৰ বাবে দণ্ড ।

৭২ । এই অধিনিয়ম বা তৎসময় বলবৎ কোনো আন বিধিত অন্যথা উপবন্ধিত হোৱাৰ ব্যতিৰেকে কোনো ব্যক্তি যিয়ে ইয়াৰ অধীনত প্ৰণীত এই অধিনিয়ম, নিয়মাৱলী/বা বিনিয়মাৱলীৰ অধীনত প্ৰদত্ত ক্ষমতাসমূহৰ যিকোনোটোৰ অনুসৰণত সংশ্লিষ্ট ব্যক্তিৰ অনুমতি বিনা কোনো অভিলেখ বহী, পঞ্জী, পত্ৰ ব্যৱহাৰ, তথ্য, দস্তাৱেজ বা আন সামগ্ৰীলৈ প্ৰৱেশ কৰা কোনো ব্যক্তিয়ে, কোনো আন এজন ব্যক্তিলৈ এনে ইলেকট্ৰ'নিক অভিলেখ, বহী, পঞ্জী, পত্ৰ ব্যৱহাৰ, তথ্য, দস্তাৱেজ বা আন সামগ্ৰী প্ৰকট কৰে, তেওঁ, দুবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ কাৰাবাসেৰে বা এক লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব ।

বিধিপূৰ্ণ সংবিদাৰ ভঙ্গ ৰূপত তথ্যৰ প্ৰকটকৰণৰ বাবে দণ্ড ।

[2][৭২ক । তৎসময় বলবৎ থকা এই অধিনিয়ম বা কোনো আন বিধিত অন্যথা উপবন্ধিত ব্যতিৰেকে, এজন মধ্যস্থক অন্তৰ্ভুক্ত কৰি কোনো ব্যক্তি যিয়ে, বিধিপূৰ্ণ সংবিদাৰ অৱধিৰ অধীনত সেৱা উপবন্ধিত কৰা সময়ত, সদোষ লাভ বা সদোষ হানি কৰাত কৰাৰ বা তেওঁ সদোষ লাভ বা সংশ্লিষ্ট ব্যক্তিৰ বিনা সম্মতিত, বা এটা বিধিপূৰ্ণ সংবিদা ভঙ্গ কৰি, আন ব্যক্তিৰ সম্পৰ্কত থকা কোনো বিষয় জড়িত ব্যক্তিগত তথ্য লাভ কৰে, এনে বিষয় লাভ কৰা কোনো আন ব্যক্তিয়ে কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তৃত হ'ব পাৰে বা পাচঁ লাখ টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব ।]

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত ।

২ । একে অধিনিয়মৰ ধাৰা ৩৭ৰ দ্বাৰা অন্তঃস্থাপিত ।

## তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

**কেতবোৰ সবিশেষত মিথ্যা [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ প্ৰকাশৰ বাবে দণ্ড।**

৭৩।(১) কোনো ব্যক্তিয়ে, [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ প্ৰকাশ নকৰিব বা জ্ঞানসহ আন ব্যক্তিলৈ সুলভ নকৰিব যে —

(ক) প্ৰমাণপত্ৰত তালিকা ভুক্ত প্ৰমাণ কৰা প্ৰাধিকাৰীয়ে ইয়াক জাৰি কৰা নাই ; বা

(খ) প্ৰমাণপত্ৰত তালিকা ভুক্ত গ্ৰাহকে ইয়াক গ্ৰহণ কৰা নাই ; বা

(গ) প্ৰমাণপত্ৰ প্ৰত্যাহাৰ বা নিলম্বিত কৰা হৈছে —

যদিহে এনে প্ৰকাশন, এনে নিলম্বন বা প্ৰত্যাহাৰকৰণৰ পূৰ্বে সৃষ্টি হোৱা এটা ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণ কৰাৰ প্ৰয়োজনাৰ্থে নহয়।

(২) উপধাৰা (১)ৰ উপবন্ধাৱলী উলংঘন কৰা কোনো ব্যক্তিয়ে দুবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ কাৰাবাসেৰে বা এক লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**প্ৰৱঞ্চনা কৰাৰ প্ৰয়োজনাৰ্থে প্ৰকাশন।**

৭৪। যি জনেই জানি-শুনি কোনো প্ৰৱঞ্চনামূলক বা অবিধিপূৰ্ণ উদ্দেশ্যৰ বাবে [১][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ সৃষ্টি কৰে, প্ৰকাশ কৰে বা অন্যথা সহজলভ্য কৰে, তেওঁ দুবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ কাৰাবাসেৰে বা এক লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে, বা উভয়েৰে দণ্ডিত হ'ব।

**ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত অপৰাধ বা উলংঘনৰ বাবে প্ৰযোজ্য হোৱা অধিনিয়ম।**

৭৫। (১) উপধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, এই অধিনিয়মৰ উপবন্ধাৱলী, তেওঁৰ ৰাষ্ট্ৰীয়তাৰ বিচাৰ নকৰা কোনো ব্যক্তিৰ দ্বাৰা ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত কোনো অপৰাধ বা উলংঘনৰ বাবেও প্ৰযোজ্য হ'ব।

(২) উপধাৰা (১)ৰ প্ৰয়োজনাৰ্থে, এই অধিনিয়মখন কোনো ব্যক্তিৰ দ্বাৰা ভাৰতৰ বাহিৰত সংঘটিত কোনো এটা অপৰাধ বা উলংঘনলৈ প্ৰযোজ্য হ'ব যদিহে অপৰাধ বা উলংঘন কৰা এনে কাৰ্য্য বা আচৰণে ভাৰতবৰ্ষত স্থাপিত কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি বা কম্পিউটাৰ নেটৱৰ্ক জড়িত কৰে।

**জব্দকৰণ।**

৭৬। কোনো কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি, ফ্লপিজ, কমপেক্ট ডিস্ক, টেপ ড্ৰাইভ্‌ছ বা ইয়াৰ সৈতে জড়িত আন কোনো উপ-সাধন যিবোৰৰ ক্ষেত্ৰত ইয়াৰ অধীনত প্ৰণীত অধিনিয়ম, নিয়মাৱলী, আদেশ বা বিনিয়মাৱলীৰ কোনো উপবন্ধ উলংঘন কৰা হৈছে বা উলংঘন হবলগীয়া হৈছে, তেওঁ জব্দকৰণৰ বাবে দায়ী হ'ব ঃ

পৰন্তু য'ত জব্দকৰণৰ ন্যায় নিৰ্ণয় কৰা ন্যায়ালয়ৰ সন্তুষ্টিলৈ এইটো প্ৰতিপন্ন হয় যে এজন ব্যক্তি যাৰ দখলত এনে কোনো কম্পিউটাৰৰ ক্ষমতা বা নিয়ন্ত্ৰন, কম্পিউটাৰ পদ্ধতি, ফ্লপি, কমপেক্ট ডিস্ক, টেপড্ৰাইভ্‌ছ বা ইয়াৰ সৈতে জড়িত কোনো আন উপসাধন পোৱা যায়, যিবোৰ ইয়াৰ অধীনত প্ৰণীত অধিনিয়ম, নিয়মাৱলী, আদেশ বা বিনিয়মাৱলীৰ উপবন্ধৰ উলংঘনৰ বাবে দায়ী নহয়, ন্যায়ালয়ে, এনে কম্পিউটাৰ, কম্পিউটাৰ পদ্ধতি, ফ্লপিজ, কমপেক্ট ডিস্ক, টেপ ড্ৰাইভ্‌ছ বা ইয়াৰ সৈতে জড়িত কোনো আন উপসাধনৰ জব্দকৰণৰ বাবে এটা আদেশ দিয়াৰ পৰিৱৰ্তে, ইয়াৰ অধীনত প্ৰণীত অধিনিয়ম, নিয়মাৱলী, আদেশ, বা বিনিয়মাৱলীৰ উপবন্ধাৱলী উলংঘন কৰা ব্যক্তিৰ বিৰুদ্ধে এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত এনে আন আদেশ দিব পাৰে যিদৰে উচিত বুলি ভাবে।

**ক্ষতিপূৰণ, শাস্তি বা জব্দকৰণে আন দণ্ডক হস্তক্ষেপ নকৰে।**

[২][৭৭। এই অধিনিয়মৰ অধীনত অধিনিৰ্ণীত কোনো ক্ষতিপূৰণ, আৰোপিত শাস্তি বা জব্দকৰণে তৎসময় বলবৎ কোনো বিধিৰ অধীনত ক্ষতিপূৰণৰ অধিনিৰ্ণয়, কোনো আন শাস্তিৰ আৰোপন বা শাস্তিক বাৰণ নকৰিব।

**অপৰাধৰ আপোচ।**

৭৭ক। সক্ষম অধিকাৰিতাৰ এখন ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত অপৰাধৰ ভিন্ন যিটোৰ বাবে আজীৱন কাৰাবাসেৰে বা তিনি বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে এটা কাৰাবাস উপবন্ধিত কৰা হৈছে, অপৰাধৰ আপোচ কৰিব পাৰে ঃ

পৰন্তু ন্যায়ালয়ে এনে অপৰাধৰ আপোচ নকৰিব য'ত অভিযুক্তই তেওঁৰ পূৰ্ব দোষ সাব্যস্তকৰণৰ কাৰণত হয় বৰ্দ্ধিত দণ্ড বা বেলেগ প্ৰকাৰৰ এটা দণ্ডৰ বাবে দায়ী হ'ব ঃ

উপৰন্তু ন্যায়ালয়ে কোনো অপৰাধৰ আপোচ নকৰিব য'ত এনে অপৰাধে দেশৰ আৰ্থ-সামাজিক অৱস্থাক ক্ষতি কৰে বা ওঠৰ বছৰ বয়সৰ তলৰ শিশু বা এগৰাকী মহিলাৰ বিৰুদ্ধে সংঘটিত কৰিছে।

১৯৭৪ৰ ২ (২) এই অধিনিয়মৰ অধীনত এটা অপৰাধত অভিযুক্ত ব্যক্তিয়ে ন্যায়ালয়ত আপোচৰ বাবে এখন আবেদন দাখিল কৰিব পাৰে য'ত অপৰাধ, বিচাৰৰ বাবে লম্বিত আছে আৰু দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ২৬৫খ আৰু ২৬৫গৰ উপবন্ধাৱলী প্ৰয়োগ হ'ব।

**তিনি বছৰৰ কাৰাবাসৰ অপৰাধবোৰ জামিনযোগ্য হ'ব।**

**১৯৭৪ৰ ২**

৭৭খ। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা সত্ত্বেও, তিনি বছৰ বা ততোধিক কাৰাবাসেৰে দণ্ডনীয় হোৱা অপৰাধবোৰ সংজ্ঞেয় হ'ব আৰু তিনি বছৰৰ কাৰাবাসেৰে দণ্ডনীয় হোৱা অপৰাধ জামিনযোগ্য হ'ব।]

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৩৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

অপৰাধ অনুসন্ধান কৰিবলৈ ক্ষমতা। ৭৮। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্ত্বেও, [১][পৰিদৰ্শক] পদবীৰ নিম্নতৰ নোহোৱা কোনো আৰক্ষী পদাধিকাৰীয়ে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ অনুসন্ধান কৰিব।

## [২][অধ্যায়-১২

### কেতবোৰ গোচৰত মধ্যস্থ দায়ী নহব

কেতবোৰ গোচৰত মধ্যস্থৰ দায়িত্বৰ পৰা ৰেহাই। ৭৯। (১) তৎ সময় বলবৎ কোনো বিধিত কোনো কথা থকা সত্ত্বেও কিন্তু উপ-ধাৰা (২) আৰু (৩)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, এজন মধ্যস্থই তেওঁৰ দ্বাৰা সহজলভ্য বা পঞ্জীকৃত কৰা কোনো তৃতীয় পক্ষৰ তথ্য, ডাটা বা পৰিবাহক সংযোগৰ বাবে দায়ী নহব।

(২) উপ-ধাৰা(১)ৰ উপবন্ধাৱলী প্ৰয়োগ হ'ব, যদিহে —

(ক) মধ্যস্থৰ কৃত্য, এটা যোগাযোগ ব্যৱস্থাত প্ৰৱেশৰ উপবন্ধিত কৰিবলৈ, পৰিসীমিত হয় যাৰ ওপৰত তৃতীয় পক্ষৰ দ্বাৰা সহজলভ্য হোৱা তথ্য সম্প্ৰচাৰিত কৰা হয় বা অস্থায়ীৰূপে সংগৃহীত বা পঞ্জীকৃত কৰা হয় ; বা

(খ) মধ্যস্থই —

(i) সম্প্ৰচাৰণ আৰম্ভ নকৰে,

(ii) সম্প্ৰচাৰণৰ প্ৰাপকক বাচনি নকৰে, আৰু

(iii) সম্প্ৰচাৰণত থকা তথ্যৰ বাচনি বা সাল-সলনি নকৰে,

(গ) মধ্যস্থই এই অধিনিয়মৰ অধীনত তেওঁৰ কৰ্তব্যৰ নিৰ্বহন সম্যক তৎপৰতাৰে পালন কৰিব আৰু কেন্দ্ৰীয় চৰকাৰে এই মৰ্মে বিহিত কৰা দৰে এনে আন পথ প্ৰদৰ্শনবোৰকো পালন কৰিব।

(৩) উপধাৰা (১)ৰ উপবন্ধাৱলী প্ৰয়োগ নহব যদিহে —

(ক) মধ্যস্থই, অবিধিপূৰ্ণ কাৰ্য্যৰ সংঘটনত ভীতিপ্ৰদৰ্শন বা প্ৰতিজ্ঞা বা অন্যথাই যি নহওঁক কিয়, ষড়যন্ত্ৰ বা অপপ্ৰেৰণা বা সাহায্যতা বা উৎপ্ৰেৰিত কৰিছে ;

(খ) মধ্যস্থৰ দ্বাৰা নিয়ন্ত্ৰিত এটা কম্পিউটাৰ সম্পদাত থকা বা জড়িত হোৱা কোনো তথ্য, ডাটা বা পৰিবাহক সংযোগে, অবিধিপূৰ্ণ কাৰ্য্য সংঘটন কৰিবলৈ ব্যৱহৃত হৈছে বুলি প্ৰকৃত জ্ঞান গ্ৰহণ কৰাত বা সমুচিত চৰকাৰৰ বা ইয়াৰ এজেন্সীৰ দ্বাৰা অধিসূচিত হোৱাত, মধ্যস্থই, কোনো বিষয়তে সাক্ষ্য দূষিত নকৰাকৈ সেই সম্পদাত থকা সেই সামগ্ৰী শীঘ্ৰতাৰে আতৰাবলৈ বা অসমৰ্থ কৰিবলৈ অসফল হয়।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনাৰ্থে অভিব্যক্তি ''তৃতীয় পক্ষ তথ্য'' মানে এজন মধ্যস্থৰূপে তেওঁৰ সামৰ্থ্যত এজন মধ্যস্থৰ দ্বাৰা সংব্যৱহৃত কোনো তথ্য।

## অধ্যায়-১২ক

### ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষক

কেন্দ্ৰীয় চৰকাৰে ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষকক অধিসূচিত কৰিব। ৭৯ক। কেন্দ্ৰীয় চৰকাৰে, কোনো ন্যায়ালয় বা আন প্ৰাধিকাৰৰ সমক্ষত ইলেকট্ৰ'নিক ৰূপত সাক্ষ্যত দক্ষ মতামত উপবন্ধৰ প্ৰয়োজনাৰ্থে, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দ্বাৰা, কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো বিভাগ, নিকায় বা এজেন্সীক এজন ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষক ৰূপে বিনিৰ্দ্দিষ্ট কৰিব পাৰে।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''ইলেকট্ৰ'নিক ৰূপৰ সাক্ষ্য'' মানে পৰীক্ষামূলক মূল্যৰ কোনো তথ্য যিটো ইলেকট্ৰ'নিক ৰূপত সংগৃহীতও হ'ব পাৰে বা সম্প্ৰচাৰিতও হ'ব পাৰে আৰু ই, কম্পিউটাৰ সাক্ষ্য, ডিজিটেল শ্ৰব্য, ডিজিটেল দৃশ্য, চেল ফোন, ডিজিটেল ফেক্স মেচিনক অন্তৰ্ভুক্ত কৰে।]

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৩৯ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৪০ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

## অধ্যায়-১৩
## বিবিধ

আৰক্ষী পদাধিকাৰী আৰু আন পদাধিকাৰীৰ প্ৰৱেশ, তালাচী, ইত্যাদি কৰিবলৈ ক্ষমতা । ১৯৭৪ৰ ২

৮০। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্ত্বেও, [1][পৰিদৰ্শক]ৰ মৰ্য্যাদাৰ নিম্নতৰ নোহোৱা কোনো আৰক্ষী পদাধিকাৰী বা এই মৰ্ম্মে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো আন পদাধিকাৰীয়ে কোনো ৰাজহুৱা স্থানত প্ৰৱেশ কৰিব পাৰে আৰু তাত পোৱা কোনো ব্যক্তিক তালাচী চলাব পাৰে আৰু পৰোৱানা বিনা গ্ৰেপ্তাৰ কৰিব পাৰে যিজনক এই অধিনিয়মৰ অধীনত যুক্তিসঙ্গতভাৱে সন্দেহ কৰা হয় বা যিজনে কোনো অপৰাধ সংঘটিত কৰিছে বা কৰি আছে বা সংঘটনৰ সম্ভাৱনা আছে ।

**স্পষ্টীকৰণ** — এই উপধাৰাৰ প্ৰয়োজনাৰ্থে ''ৰাজহুৱা স্থান'' অভিব্যক্তিয়ে জনসাধাৰণৰ দ্বাৰা ব্যৱহাৰৰ বাবে বা জনসাধাৰণৰ সহজলভ্য হবলৈ অভিপ্ৰেত কোনো ৰাজহুৱা পৰিবহন, কোনো হোটেল, কোনো দোকান বা কোনো আন স্থান অন্তৰ্ভুক্ত কৰে ।

(২) য'ত আৰক্ষী পদাধিকাৰীৰ ভিন্ন কোনো আন পদাধিকাৰীৰ দ্বাৰা উপধাৰা (১)ৰ অধীনত কোনো এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হয়, এনে পদাধিকাৰীয়ে, অনাৱশ্যক বিলম্ব বিনা, এই গোচৰটোত অধিকাৰিতা থকা কোনো দণ্ডাধীশৰ আগত বা এখন আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত পদাধিকাৰীৰ আগত গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক লৈ যাব বা পঠিয়াব ।

১৯৭৪ৰ ২

(৩) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ উপৰন্ধাৱলী, এই ধাৰাৰ উপবন্ধাৱলীৰ সাপেক্ষে, যিমান দূৰ পাৰি, এই ধাৰাৰ অধীনত থকা কোনো প্ৰৱিষ্টি, তালাচী বা গ্ৰেপ্তাৰৰ সম্বন্ধত প্ৰযোজ্য হ'ব ।

অধিনিয়মৰ অধ্যাৰোহনৰ প্ৰভাৱ থাকিব ।

৮১। এই অধিনিয়মৰ উপবন্ধাৱলীৰ, তৎসময় বলবৎ আন কোনো বিধিত সেই বিষয়ত অসঙ্গত হোৱা কোনো কথা থকা সত্ত্বেও, প্ৰভাৱ থাকিব ;

[2][পৰন্তু এই ধাৰাত থকা কোনো কথাই প্ৰতিলিপি অধিকাৰ অধিনিয়ম ১৯৫৭ বা পেটেন্ট অধিনিয়ম, ১৯৭০ৰ অধীনত প্ৰদত্ত কোনো অধিকাৰৰ কাৰ্যকৰীকৰণত কোনো ব্যক্তিক বাধা নিদিব ।]

১৮৬০ৰ ৪৫ [3][অধ্যক্ষ, সদস্য, পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ লোকসেৱক হ'ব ।]

৮২। চাইবাৰ আপীল ন্যায়াধিকৰণৰ, অধিষ্ঠাতা পদাধিকাৰী আৰু আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ, নিয়ন্ত্ৰক, উপনিয়ন্ত্ৰক আৰু সহায়ক নিয়ন্ত্ৰকসকল ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য হ'ব ।

নিৰ্দ্দেশ দিবলৈ ক্ষমতা ।

৮৩। কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটোৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম, বিনিয়ম বা আদেশ ৰাজ্যত নিষ্পাদন কৰাৰ বিষয়ে কোনো ৰাজ্য চৰকাৰলৈ নিৰ্দ্দেশ দিব পাৰে ।

সদ্ বিশ্বাসত লোৱা কাৰ্য্যৰ সুৰক্ষা ।

৮৪। কোনো বাদ, কাৰ্য্যবাহী বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম, বিনিয়ম বা আদেশৰ অনুসৰণত সদ্ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত হোৱা যিকোনো কথাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, নিয়ন্ত্ৰক বা তেওঁৰ হ'কে কাৰ্য্যকৰা কোনো ব্যক্তি, [4][অধ্যক্ষ, সদস্য], ন্যায়নিৰ্ণয় পদাধিকাৰী আৰু চাইবাৰ আপীল ন্যায়াধিকৰণৰ কৰ্ম্মচাৰীবৃন্দৰ বিৰুদ্ধে, নচলিব ।

সাংকেতিক চিহ্নৰ বাবে প্ৰক্ৰম বা প্ৰণালী । অপৰাধৰ অপপ্ৰেৰণাৰ বাবে দণ্ড ।

[5][৮৪ক। কেন্দ্ৰীয় চৰকাৰে ইলেক্ট্ৰ'নিক মাধ্যমৰ ব্যৱহাৰ সুনিশ্চিত কৰাৰ বাবে আৰু ই-শাসন আৰু ই-বাণিজ্য বিকাশৰ বাবে সাংকেতিক চিহ্নৰ প্ৰক্ৰম বা প্ৰণালী বিহিত কৰিব পাৰে ।

৮৪খ। যিজনেই কোনো অপৰাধক অপপ্ৰেৰণা দিয়ে, যদিহে অপপ্ৰেৰিত কাৰ্য্যটো অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে সংঘটিত হয়, আৰু এনে অপপ্ৰেৰণাৰ দণ্ডৰ বাবে এই অধিনিয়মৰ অধীনত কোনো অভিব্যক্ত উপবন্ধ নাথাকে, তেন্তে তেওঁ এই অধিনিয়মৰ অধীনত অপৰাধৰ বাবে উপবন্ধিত দণ্ডৰে দণ্ডিত হ'ব ।

**স্পষ্টীকৰণ** — কোনো কাৰ্য্য বা অপৰাধক এটা অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে সংঘটিত হোৱা বুলি কোৱা হয় যেতিয়া ই প্ৰৰোচনাৰ পৰিণামত, বা ষড়যন্ত্ৰৰ অনুসৰণত বা অপপ্ৰেৰণা দিয়া সাহাৰ্য্যেৰে সংঘটিত হয় ।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৪১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৪২ৰ দ্বাৰা অন্তঃস্থাপিত ।
৩। একে অধিনিয়ম ধাৰা ৪৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৪। একে অধিনিয়মৰ ধাৰা ৪৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৫। একে অধিনিয়মৰ ধাৰা ৪৫ৰ দ্বাৰা অন্তঃস্থাপিত।

**অপৰাধৰ অনুষ্ঠানৰ চেষ্টা কৰাৰ বাবে দণ্ড।**

৮৪গ। যিজনেই এই অধিনিয়মৰ অধীনত দণ্ডনীয় এটা অপৰাধ সংঘটিত কৰিবলৈ চেষ্টা কৰে বা সংঘটিত কৰিবলৈ এনে এটা অপৰাধ কাৰিত কৰে আৰু এনে এটা চেষ্টাই এটা অপৰাধৰ সংঘটনৰ দিশে কোনো কাৰ্য্য কৰে, তেওঁ য'ত এনে প্ৰয়াসৰ দণ্ডৰ বাবে কোনো অভিব্যক্ত উপবন্ধ নাথাকে সেই অপৰাধৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ কাৰাবাসৰ আধালৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে, বা অপৰাধৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ কাৰাবাসেৰে বা অপৰাধৰ বাবে উপবন্ধিত কৰা দৰে এনে জৰিমনা সহ বা উভয়েৰে দণ্ডিত হ'ব।]

**কোম্পানীসমূহৰ দ্বাৰা কৰা অপৰাধসমূহ।**

৮৫। (১) য'ত এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটোৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম, নিৰ্দ্দেশনা বা আদেশৰ উলংঘন কৰা এজন ব্যক্তি এটা কোম্পানী হয়, উলংঘনটো সংঘটন হোৱা সময়ত কোম্পানী ৰূপে কোম্পানীৰ ব্যৱসায়ৰ পৰিচালনাৰ বাবে, কোম্পানীৰ ভাৰপ্ৰাপ্ত হোৱা বা ইয়াৰ দায়িত্বত থকা প্ৰত্যেক ব্যক্তিয়ে এনে উলংঘনৰ বাবে দোষী হ'ব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহীত অগ্ৰসৰ হবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব ঃ

পৰন্তু এই উপধাৰাত থকা কোনো কথাই এনে কোনো ব্যক্তিক দণ্ডৰ বাবে দায়ী নকৰিব যদিহে, তেওঁ প্ৰমাণ কৰে যে উলংঘনটো তেওঁৰ অজ্ঞাতে ঘটিছিল বা এনে উলংঘন বাৰণ কৰিবলৈ তেওঁ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্বেও, এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটোৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম, নিৰ্দ্দেশনা বা আদেশৰ উলংঘন এটা কোম্পানীৰ দ্বাৰা সংঘটিত হয় আৰু এইটো প্ৰমাণিত হয় যে উলংঘনটো কোনো নিৰ্দ্দেশক, পৰিচালক, সচিব বা কোম্পানীৰ আন পদাধিকাৰীৰ সম্মতি বা মৌন সম্মতিত বা তেওঁলোকৰ পক্ষত অৱহেলাৰ ফলস্বৰূপে আৰোপনীয় হয়, তেতিয়া এনে নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো উলংঘনৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহীত অগ্ৰসৰ হবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনাৰ্থে,—

(i) ''কোম্পানী'' মানে এটা নিগমিত নিকায় আৰু ই এটা ফাৰ্ম বা ব্যক্তিসকলৰ আন সংস্থাক অন্তৰ্ভুক্ত কৰে ; আৰু

(ii) এখন ফাৰ্মৰ সম্বন্ধত ''নিৰ্দ্দেশক'' মানে ফাৰ্মৰ অংশীদাৰ ।

**জটিলতাসমূহৰ দূৰীকৰণ।**

৮৬। (১) এই অধিনিয়মৰ উপবন্ধাৱলী প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, জটিলতা দূৰ কৰাৰ বাবে ই আৱশ্যক বা সমীচীন প্ৰতীত হোৱা দৰে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নোহোৱাকৈ এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু কোনো আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুবছৰৰ এটা অৱধিৰ অৱসানৰ পিছত এই ধাৰাৰ অধীনত কৰা নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনৰ আগত উত্থাপন কৰা হ'ব।

**কেন্দ্ৰীয় চৰকাৰৰ নিয়ম প্ৰণয়ন কৰিবলৈ ক্ষমতা।**

৮৭। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত বা ইলেকট্ৰ'নিক ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ নিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষত ঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

[1][(ক) ধাৰা ৩কৰ উপ-ধাৰা (২)ৰ অধীনত ইলেকট্ৰ'নিক চিগনেছাৰ বা ইলেকট্ৰ'নিক অধিপ্ৰমাণীকৰণ কৌশলৰ বিশ্বাসযোগ্যতাৰ বিবেচনাৰ বাবে চৰ্ত্তাৱলী ;

(কক) ধাৰা (৩ক)ৰ উপ-ধাৰা ৩ৰ অধীনত ইলেকট্ৰ'নিক চিগনেছাৰ বা অধিপ্ৰমাণীকৰণৰ অভিনিশ্চিতকৰণৰ বাবে প্ৰক্ৰিয়া ;

(কখ) এনে ৰীতি য'ত কোনো তথ্য বা বিষয় ধাৰা ৫ৰ অধীনত ইলেকট্ৰ'নিক চিগনেছাৰৰ মাধ্যমেৰে অধিপ্ৰমাণীত কৰা হয় ;]

(খ) ইলেকট্ৰ'নিক প্ৰপত্ৰত য'ত উপস্থাপন, জাৰি, মঞ্জুৰ বা আদায় ধাৰা ৬ৰ উপধাৰা (১)ৰ অধীনত প্ৰভাৱিত হ'ব ;

(গ) এনে ৰীতি আৰু প্ৰপত্ৰ যিবোৰত ইলেকট্ৰ'নিক অভিলেখ উপস্থাপন বা জাৰি কৰা হয় আৰু ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত আদায়ৰ পদ্ধতি ;

[2][(গক) এনে ৰীতি য'ত প্ৰাধিকৃত সেৱা উপবন্ধকাৰীয়ে, ধাৰা ৬কৰ উপধাৰা (২)ৰ অধীনত সেৱা প্ৰভাৰ সংগ্ৰহ কৰে, ৰাখে, আৰু বিনিয়োজন কৰিব পাৰে ;]

(ঘ) [3][ইলেকট্ৰ'নিক চিগনেছাৰ]ৰ প্ৰকাৰ সম্বন্ধিত বিষয়সমূহ, ৰীতি আৰু প্ৰপত্ৰ য'ত ইয়াক ধাৰা ১০ৰ অধীনত সংযোগ কৰা হয় ;

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৪৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৪৬ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়ম ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত

# তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

[১][(ঙ) ধাৰা ১৫ৰ অধীনত ইলেকট্ৰ'নিক চিগনেছাৰ সৃষ্ট ডাটা সংগৃহীত আৰু সংযোজিত কৰাৰ ৰীতি ;

(ঙক) ধাৰা ১৬ৰ অধীনত সুৰক্ষা প্ৰক্ৰিয়া আৰু পদ্ধতি ;]

(চ) ধাৰা ১৭ৰ অধীনত নিয়ন্ত্ৰক, উপ-নিয়ন্ত্ৰক [১][সহায়ক নিয়ন্ত্ৰক, আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ]ৰ অৰ্হতা, অভিজ্ঞতা আৰু সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী ;

(ছ) [২][x x x x x]

(জ) ধাৰা ২১ৰ উপধাৰা (২)ৰ অধীনত এজন আবেদনকাৰীয়ে পূৰণ কৰিবলগীয়া অপেক্ষাকৰণবোৰ ;

(ঝ) ধাৰা ২১ৰ উপধাৰা (৩)ৰ খণ্ড (ক)ৰ অধীনত মঞ্জুৰ কৰা অনুজ্ঞাপত্ৰৰ বৈধতাৰ কাল ;

(ঞ) ধাৰা ২২ৰ উপধাৰা (১)ৰ অধীনত এখন অনুজ্ঞাপত্ৰৰ বাবে কৰিব পৰা এখন আবেদনৰ প্ৰপত্ৰ ;

(ট) ধাৰা ২২ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত দেয় মাছুলৰ পৰিমাণ ;

(ঠ) এনে আন দস্তাবেজবোৰ যিবোৰ ধাৰা ২২ৰ উপধাৰা (২)ৰ খণ্ড (ঘ)ৰ অধীনত এখন অনুজ্ঞাপত্ৰৰ বাবে এখন আবেদন লগত দিয়া হ'ব ;

(ড) ধাৰা ২৩ৰ অধীনত এখন অনুজ্ঞাপত্ৰৰ নবীকৰণৰ বাবে থকা প্ৰপত্ৰ আৰু মাছুল আৰু সেই বিষয়ে দেয় মাছুল ;

[৩][(ডক) ধাৰা ৩৫ৰ অধীনত ইলেকট্ৰ'নিক চিগনেছাৰ প্ৰমাণপত্ৰৰ জাৰিৰ বাবে আবেদনৰ প্ৰপত্ৰ আৰু মাছুল ;]

(ঢ) প্ৰপত্ৰ য'ত ধাৰা ৩৫ৰ উপধাৰা (১)ৰ অধীনত এখন [৪][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰ জাৰিকৰণৰ বাবে এখন আবেদন কৰিব পাৰি ;

(ণ) ধাৰা ৩৫ৰ উপধাৰা (২)ৰ অধীনত এখন [৪][ইলেকট্ৰ'নিক চিগনেছাৰ] প্ৰমাণপত্ৰৰ জাৰিকৰণৰ বাবে প্ৰমাণ কৰা প্ৰাধিকাৰীলৈ মাছুল আদায় দিয়া নহব ;

[৫][(ণক) ধাৰা ৪০ৰ অধীনত গ্ৰাহকৰ কৰ্ত্তব্য ;

(ণখ) ধাৰা ৪৩ক ৰ অধীনত যুক্তিসঙ্গত সুৰক্ষা পদ্ধতি আৰু প্ৰক্ৰিয়া আৰু স্পৰ্শকাতৰ ব্যক্তিগত ডাটা বা তথ্য ;]

(ত) ৰীতি যিটোত ধাৰা ৪৬ৰ উপধাৰা (১)ৰ অধীনত এজন ন্যায়নিৰ্ণায়ক পদাধিকাৰীয়ে তদন্ত চলাব পাৰে ;

(থ) অৰ্হতা আৰু অভিজ্ঞতা যিবোৰ ধাৰা ৪৬ৰ উপধাৰা (৩)ৰ অধীনত এজন ন্যায় নিৰ্ণায়ক পদাধিকাৰীৰ থাকিব লাগে ;

(দ) ধাৰা ৫২ৰ অধীনত [৬][সদস্য আৰু অধ্যক্ষ]ৰ বেতন, ভাট্টা, আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্তাৱলী ;

(ধ) ধাৰা ৫৪ৰ উপধাৰা (৩)ৰ অধীনত [৬][সদস্য আৰু অধ্যক্ষ]ৰ অসদাচৰণ বা অসামৰ্থ্যতাৰ অনুসন্ধান কৰাৰ বাবে প্ৰক্ৰিয়া ;

(ন) ধাৰা ৫৬ৰ উপধাৰা (৩)ৰ অধীনত আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ বেতন আৰু ভাট্টা আৰু সেৱাৰ আন চৰ্তাৱলী ;

(প) প্ৰপত্ৰ যিটোত ধাৰা ৫৭ৰ উপধাৰা (৩)ৰ অধীনত আপীল দাখিল কৰিব পাৰি আৰু সেই বিষয়ে থকা মাছুল;

(ফ) ধাৰা ৫৮ৰ উপধাৰা (২)ৰ খণ্ড (ছ)ৰ অধীনত বিহিত কৰিবলৈ অপেক্ষিত চিভিল ন্যায়ালয়ৰ কোনো আন ক্ষমতা ; আৰু

[৭][(ব) ধাৰা ৫২ক ৰ অধীনত চাইবাৰ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ ক্ষমতা আৰু কৃত্যবোৰ ;]

(ভ) ধাৰা ৬৭(গ)ৰ অধীনত প্ৰতিধাৰিত আৰু সংৰক্ষিত কৰিবলগীয়া এনে তথ্যৰ তথ্য, কালাৱধি, ৰীতি আৰু প্ৰপত্ৰ।

(ম) ধাৰা ৬৯ৰ উপ-ধাৰা (২)ৰ অধীনত অন্তৰ্কদ্ধ কৰা, নিৰীক্ষণ কৰা বা অখ্যাত কৰাৰ বাবে পদ্ধতি আৰু নিৰাপত্তামূলক ব্যৱস্থা ;

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৪৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। একে অধিনিয়মৰ একে ধাৰাৰ দ্বাৰা লোপ কৰা হৈছে।
৩। একে অধিনিয়মৰ ধাৰা ৪৬ৰ দ্বাৰা অন্তঃস্থাপিত।
৪। একে অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৫। একে অধিনিয়মৰ ধাৰা ৪৬ৰ দ্বাৰা অন্তঃস্থাপিত।
৬। একে অধিনিয়মৰ ধাৰা ৪৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৭। একে অধিনিয়মৰ ধাৰা ৪৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

## তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০

(য) ধাৰা ৬৯কৰ উপ-ধাৰা (২)ৰ অধীনত জনসাধাৰণৰ দ্বাৰা প্ৰৱেশত বাধাৰ বাবে পদ্ধতি আৰু নিৰাপত্তামূলক ব্যৱস্থা ;

(যক) ৬৯খ ৰ উপ-ধাৰা (৩)ৰ অধীনত নিৰীক্ষণ আৰু ট্ৰেফিক ডাটা বা তথ্যৰ নিৰীক্ষণ আৰু সংগ্ৰহৰ বাবে প্ৰক্ৰিয়া আৰু নিৰাপত্তা মূলক ব্যৱস্থা ;

(যখ) ধাৰা ৭০ৰ অধীনত সংৰক্ষণ ব্যৱস্থাৰ বাবে তথ্য সুৰক্ষা পদ্ধতি আৰু প্ৰক্ৰিয়া ;

(যগ) ধাৰা ৭০কৰ উপধাৰা (৩)ৰ অধীনত এজেন্সীৰ কৃত্য আৰু কৰ্ত্তব্য সম্পাদনৰ ৰীতি ;

(যঘ) ধাৰা ৭০খ ৰ উপ-ধাৰা (২)ৰ অধীনত পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ ;

(যঙ) ধাৰা ৭০খ ৰ উপ-ধাৰা (৩)ৰ অধীনত মহা-নিৰ্দ্দেশক আৰু আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ বেতন আৰু ভাট্টা আৰু সেৱাৰ পদাৱধি আৰু চৰ্ত্তাৱলী ;

(যচ) এনে ৰীতি য'ত এজেন্সীৰ কৃত্য আৰু কৰ্ত্তব্য ধাৰা ৭০খৰ উপ-ধাৰা (৫) অধীনত সম্পাদন কৰা হ'ব ;

(যছ) ধাৰা ৭৯ৰ উপ-ধাৰা (২)ৰ অধীনত মধ্যস্থৰ দ্বাৰা পালন কৰিবলগীয়া পথ প্ৰদৰ্শন ;

(যজ) ধাৰা ৮৪ক ৰ অধীনত সংদূষণৰ বাবে প্ৰক্ৰম বা প্ৰণালী ;]

(খ) উপ-ধাৰা (৩)ত, —

(i) [১][ধাৰা ৭০ক ৰ উপ-ধাৰা (১) আৰু ইয়াৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া প্ৰত্যেক অধিসূচনা ।]

(৩) ধাৰা (১)ৰ উপধাৰা (৪)ৰ খণ্ড (চ)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক অধিসূচনা আৰু ইয়াৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিনৰ এটা কালৰ বাবে চলি থাকে, সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উত্থাপন কৰা হ'ব আৰু যদিহে অধিবেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিবেশন বা অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে [২][X X X] নিয়মত কোনো সাল-সলনি কৰিবলৈ সম্মত হয় বা উভয় সদনে সম্মত হয় যে [২][X X X] নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত [২][X X X] নিয়ম যথাস্থিতি এনে সাল-সলনি ৰূপত প্ৰভাৱী হব প্ৰভাৱহীন হব, সেয়ে হ'লেও এনে সাল সলনি বা ৰদকৰণ সেই [২][X X X] নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব ।

উপদেষ্টা সমিতিৰ গঠন ।

৮৮ । (১) কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পিছত যথাশীঘ্ৰে চাইবাৰ বিনিয়ম উপদেষ্টা সমিতি নামেৰে এখন সমিতি গঠন কৰিব ।

(২) চাইবাৰ বিনিয়মন উপদেষ্টা সমিতিখন, কেন্দ্ৰীয় চৰকাৰে যোগ্য গণ্য কৰা দৰে মুখ্যতঃ ভাৱে প্ৰভাৱিত কৰা স্বাৰ্থক প্ৰতিনিধিত্ব কৰা বা বিষয় বস্তুৰ বিশেষ জ্ঞান থকা কোনো এজন অধ্যক্ষ আৰু এনে সংখ্যক আন চৰকাৰী আৰু বেচৰকাৰী সদস্যৰে গঠিত হ'ব ।

(৩) চাইবাৰ বিনিয়মন উপদেষ্টা সমিতিয়ে —

(ক) কেন্দ্ৰীয় চৰকাৰক কোনো নিয়মাৱলী সম্পৰ্কে সাধাৰণভাৱে বা এই অধিনিয়মৰ সৈতে জড়িত আন কোনো উদ্দেশ্যৰ বাবে ;

(খ) এই অধিনিয়মৰ অধীনত বিনিয়মাৱলীক প্ৰণয়ন কৰাত পৰামৰ্শ দিব।

(৪) এনে সমিতিৰ বেচৰকাৰী সদস্যসকলক কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰা দৰে এনে ভ্ৰমণ আৰু আন ভাট্টাসমূহ আদায় দিয়া হ'ব ।

নিয়ন্ত্ৰকৰ বিনিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতা ।

৮৯ । (১) নিয়ন্ত্ৰকে, চাইবাৰ বিনিয়মন উপদেষ্টা সমিতিৰ সৈতে পৰামৰ্শ কৰাৰ পিছত আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এই অধিনিয়মৰ উদ্দেশ্যবোৰ কাৰ্য্যকৰী কৰিবলৈ এই অধিনিয়ম আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সুসঙ্গত হোৱা বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মাৱলীয়ে, নিম্ন লিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ : —

(ক) ধাৰা ১৮ৰ খণ্ড (ড)ৰ অধীনত প্ৰত্যেক প্ৰমাণ কৰা প্ৰাধিকাৰীৰ প্ৰকটকৰণ অভিলেখ থকা ডাটা ভিত্তিৰ পৰিচালনাৰ সম্বন্ধত বৈশিষ্ট্যসমূহ ;

(খ) চৰ্ত্তাৱলী আৰু নিৰ্বন্ধনসমূহ, যিবোৰৰ সাপেক্ষে নিয়ন্ত্ৰকে, ধাৰা ১৯ৰ উপধাৰা (১)ৰ অধীনত কোনো বিদেশী প্ৰমাণ কৰা প্ৰধিকাৰীৰ স্বীকৃতি দিব পাৰে ;

---

১ । তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৪৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২ । একে অধিনিয়মৰ দ্বাৰা লোপ কৰা হৈছে।

(গ) অৱধি আৰু চৰ্ত্ত যিবোৰৰ সাপেক্ষে ধাৰা ২১ৰ উপধাৰা (৩)ৰ খণ্ড (গ)ৰ অধীনত এখন অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰিব পাৰি;

(ঘ) ধাৰা ৩০ৰ খণ্ড (ঘ)ৰ অধীনত এজন প্ৰমাণ কৰা প্ৰাধিকাৰীৰ দ্বাৰা নিৰীক্ষণ কৰিবলগীয়া আন মানকসমূহ ;

(ঙ) ৰীতি যিটোত ধাৰা ৩৪ৰ উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট বিষয়সমূহ প্ৰমাণ কৰা প্ৰাধিকাৰীক প্ৰকট কৰিব ;

(চ) বিবৃতিৰ বৈশিষ্ট্যবোৰ যিবোৰ ধাৰা ৩৫ৰ উপধাৰা (৩)ৰ অধীনত এখন আবেদনত দিয়া হয় ;

(ছ) ৰীতি যিটোত ধাৰা ৪২ৰ উপধাৰা (২)ৰ অধীনত প্ৰমাণ কৰা প্ৰাধিকাৰীলৈ নিয়মিত গ্ৰাহকে ব্যৱস্থাৰ ব্যক্তিগত আপোচ যোগাযোগ কৰিব পাৰে ।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক বিনিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে যেতিয়া এখন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিনৰ কালৰ বাবে চলি থকা সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উত্থাপন কৰা হ'ব আৰু যদিহে অধিৱেশনৰ অব্যৱহিত পৰবৰ্ত্তী অধিৱেশন বা অধিৱেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে বিনিয়মত কোনো সাল-সলনি কৰিবলৈ সম্মত হয় বা উভয় সদনে সম্মত হয় যে বিনিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত বিনিয়ম এনে সাল-সলনিৰ ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি একেবাৰে প্ৰভাৱহীন হ'ব, সেয়ে হলেও এনে সাল-সলনি বা ৰদকৰণে সেই বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব ।

**নিয়মাৱলী প্ৰণয়ন কৰিবলৈ ৰাজ্য চৰকাৰৰ ক্ষমতা।**

৯০ । (১) ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্ন লিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ইলেকট্ৰ'নিক প্ৰপত্ৰ য'ত দাখিল, জাৰি কৰা, মঞ্জুৰী প্ৰাপ্তি বা আদায়, ধাৰা ৬ৰ উপধাৰা (১)ৰ অধীনত প্ৰভাৱী হ'ব ;

(খ) ধাৰা ৬ৰ উপধাৰা (২)ত বিনিৰ্দ্দিষ্ট বিষয়সমূহৰ বাবে ;

(গ) [১][X X X X]

(৩) এই ধাৰাৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম ই প্ৰণীত হোৱাৰ পিছত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলৰ প্ৰত্যেক সদনৰ সমক্ষত য'ত ই দুখন সদনেৰে গঠিত হয় বা সেই সদনৰ সমক্ষত য'ত এনে বিধান মণ্ডল এখন সদনেৰে গঠিত হয় উত্থাপিত কৰা হ'ব।

[২][X X X X]

## [৩][ প্ৰথম অনুসূচী ]

### [ধাৰা ১ৰ উপ-ধাৰা ৪ দ্ৰষ্টব্য]

দস্তাবেজ বা সংব্যৱহাৰ য'লৈ এই অধিনিয়ম প্ৰয়োগ নহব

| | ক্ৰমিক সংখ্যা | দস্তাবেজ বা সংব্যৱহাৰৰ বৰ্ণনা |
|---|---|---|
| ১৮৮১ৰ ২৬ | ১ । | পৰক্ৰাম্য লেখ্য অধিনিয়ম, ১৮৮১ৰ ধাৰা ১৩ত পৰিভাষিত দৰে (এখন চেকৰ অন্যথা) এখন পৰক্ৰাম্য লেখ্য । |
| ১৮৮২ৰ ৭ | ২ । | মোক্তাৰ নামা অধিনিয়ম, ১৮৮২ৰ ধাৰা ১ক ত পৰিভাষিত দৰে এখন মোক্তাৰ নামা । |
| ১৮৮২ৰ ২ | ৩ । | ভাৰতীয় ন্যাস অধিনিয়ম, ১৮৮২ৰ ধাৰা ৩ত পৰিভাষিত দৰে এটা ন্যাস । |
| ১৯২৫ৰ ৩৯ | ৪ । | ভাৰতীয় উত্তৰাধিকাৰ অধিনিয়ম, ১৯২৫ৰ ধাৰা ২ৰ খণ্ড (জ) ত পৰিভাষিত দৰে এখন ইচ্ছা পত্ৰ । |
| | ৫ । | বিক্ৰীৰ বাবে কোনো সংবিদা বা স্থাৱৰ সম্পত্তিৰ পৰিবহন বা এনে সম্পত্তিত থকা কোনো স্বাৰ্থ । |

১ । তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ৰ ধাৰা ৪৭ৰ দ্বাৰা লোপ কৰা হৈছে ।

২ । একে অধিনিয়মৰ ধাৰা ৪৮ৰ দ্বাৰা লোপ কৰা হৈছে ।

৩ । একে অধিনিয়মৰ ধাৰা ৪৯ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

## দ্বিতীয় অনুসূচী

[ধাৰা ৩ক ৰ উপ-ধাৰা (১) দ্ৰষ্টব্য]

ইলেকট্ৰ'নিক চিগনেছাৰ বা ইলেকট্ৰ'নিক অধিপ্ৰমাণী কৌশল আৰু প্ৰক্ৰিয়া

| ক্ৰমিক সংখ্যা | বৰ্ণনা | প্ৰক্ৰিয়া |
|---|---|---|
| (১) | (২) | (৩) |

[১] [x x x x x x x]

১ ঃ তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়মৰ ধাৰা ৫০ৰ দ্বাৰা তৃতীয় আৰু চতুৰ্থ অনুসূচী লোপ কৰা হৈছে।

ৰাষ্ট্ৰপতিয়ে তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ (২০০০ ৰ অধিনিয়ম সংখ্যা ২১)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০) ।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Information Technology Act, 2000 ( Act No. 21 of 2000) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

New Delhi
Date :

**SANJAY SINGH**
Secretary to the Govt. of India

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৪-০৬-১৮*